**উৰুকাৰ মাছক লৈ বিশেষ নিৰ্দেশনা**

ই-সংবাদ, ৮ জানুৱাৰীঃ এইবাৰ উৰুকাৰ বজাৰত মাছ বেপাৰীয়ে নিজ ইচ্ছামতে দাম নিৰ্ধাৰণ ৫ পৃষ্ঠাত চাওক

www.newsnextone.com

# e সংবাদ

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

THURSDAY, JANUARY 09, 2025 ■ বৃহস্পতিবাৰ, ২৪ পুহ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১৫ Guwahati, Assam ।। মূল্যঃ এটকা

## মন্ত্ৰী অতুলৰ নিয়ন্ত্ৰণত নাই ৰাজ্যৰ কৃষি বিভাগ

ই-সংবাদ, ৮ জানুৱাৰীঃ দুৰ্নীতিৰ বিৰুদ্ধে যুদ্ধ কৰিম বুলি মুখ্যমন্ত্ৰীয়ে এতিয়া দুৰ্নীতিমুক্ত অসমৰ গদা শূন্যত শেষাংশ ৪ পৃষ্ঠাত

### কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীয়ে কৰিলে বিশেষ ঘোষণা

## দুৰ্ঘটনাত পতিতলৈ এসপ্তাহৰ বিনামূলীয়া চিকিৎসা



নতুন দিল্লী, ৮ জানুৱাৰীঃ চলিত বৰ্ষৰ মাৰ্চ মাহৰ ভিতৰত পথ দুৰ্ঘটনাত পতিত লোকৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ত নগদবিহীন চিকিৎসা আঁচনি আৰম্ভ কৰিব কেন্দ্ৰীয় চৰকাৰে। বুধবাৰে এই কথা ঘোষণা কৰিছে কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীয়ে। তেওঁ কয় যে, শেষাংশ ৩ পৃষ্ঠাত

### দেৱলালৰ পত্নী কণিকাক ৰক্ষণাবেক্ষণ ৰাজ্য চৰকাৰৰ

# ৬০ ঘণ্টীয়া অভিযানৰ অন্তত এটা মৃতদেহ উদ্ধাৰ



### ঘটনাস্থলীত কংগ্ৰেছৰ প্ৰতিনিধি

ই-সংবাদ, ৮ জানুৱাৰীঃ উমৰাংছুৰ অবৈধ কয়লা খনিত আবদ্ধ হৈ থকা শ্ৰমিকসকলৰ উদ্ধাৰ অভিযান অব্যাহত আছে। ৬ জানুৱাৰীৰ ৮ পৃষ্ঠাত

## তদন্তৰ দাবী উমৰাংছু কাণ্ডক লৈ সৰৱ ডেনিয়েল



ই-সংবাদ, হাফলং, ৮ জানুৱাৰীঃ ডিমা হাচাও জিলাৰ উমৰাংছুৰ তিনকিলোত অবৈধ কয়লাখনিত আবদ্ধ হৈ থকা শ্ৰমিকক উদ্ধাৰ কৰিবলৈ ৭ পৃষ্ঠাত

## শ্বেখ হাছিনাক ভাৰত চৰকাৰৰ সকাহ প্ৰদান

নতুন দিল্লী, ৮ জানুৱাৰীঃ বাংলাদেশৰ গণঅভ্যুত্থানৰ পিছত দেশ এৰি ভাৰতত আশ্ৰয় গ্ৰহণ কৰা প্ৰাক্তন প্ৰধানমন্ত্ৰী শেষাংশ ৫ পৃষ্ঠাত

## মক্কা-মদিনাত বান বিভীষিকা

মদিনা, ৮ জানুৱাৰীঃ জলবায়ু পৰিৱৰ্তনে বিভীষিকা নমাইছে চৌদি আৰৱত। মৰুভূমিৰ শেষাংশ ৪ পৃষ্ঠাত



## শিৱসাগৰত খং উঠিল শিক্ষামন্ত্ৰীৰ

ই-সংবাদ, শিৱসাগৰ, ৮ ডিচেম্বৰঃ ৰাজ্যত গুণোৎসৱৰ ফলাফলে যে বিদ্যালয় এখনৰ শেষাংশ ৪ পৃষ্ঠাত

### মুখ্যমন্ত্ৰীয়ে সকলো জলাঞ্জলি দিছেঃ দেৱব্ৰত

## খনি কাণ্ডক লৈ তদন্ত সমিতি গঠনৰ দাবী গৌৰৱৰ



### দোষীক গ্ৰেপ্তাৰৰ দাবী

ই-সংবাদ, ৮ জানুৱাৰীঃ উচ্চতম ন্যায়ালয়ৰ ৰায় অমান্য কৰি সমগ্ৰ অসমত অবৈধ কয়লাৰ খনন চলিছে। উমৰাংছু কাণ্ডক লৈ গোচৰ ৰুজু শেষাংশ ৬ পৃষ্ঠাত

### ঘড়ী হেৰাল সাংসদ দিলীপৰ!


## দৰং-তেজপুৰত কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডা



ই-সংবাদ, গুৱাহাটী, ৮ জানুৱাৰীঃ বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই ৫ পৃষ্ঠাত

### কোকৰাঝাৰত সংখ্যালঘু ৰাইজৰ ভয়ংকৰ কাণ্ড

## ৬ গৰুচোৰৰ ঘৰ-দুৱাৰ জ্বলালে ক্ষুব্ধ ওচৰ-চুবুৰীয়াই



ই-সংবাদ, কোকৰাঝাৰ, ৮ জানুৱাৰীঃ কোকৰাঝাৰত সংঘটিত হৈছে এক ব্যতিক্ৰমী ঘটনা। প্ৰথমবাৰৰ বাবে শেষাংশ ২ পৃষ্ঠাত

## গণৰাজ্য দিৱসত কৃষকে কঁপাব দেশ

নতুন দিল্লী, ৮ জানুৱাৰীঃ পাঁচ দফীয়া দাবীৰে ৰাজধানী দিল্লীকে ধৰি সমগ্ৰ দেশত পুনৰ এবাৰ প্ৰতিবাদৰ জোৱাৰ তুলিবলৈ সাজু হৈছে দেশৰ শেষাংশ ৪ পৃষ্ঠাত

## চোৰ ধৰিবলৈ গৈ নাগালেণ্ডত মাৰ খালে অসম আৰক্ষীয়ে!

ই-সংবাদ, মৰিয়নী, ৮ জানুৱাৰীঃ গাড়ী চোৰ ধৰিবলৈ গৈ নাগালেণ্ডৰ ভূমিত ভয়ংকৰ আক্ৰমণৰ বলি হ'ল অসম আৰক্ষীৰ উচ্চ পদস্থ বিষয়াসহ আৰক্ষীৰ এটা শেষাংশ ২ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৬ গৰু চোৰৰ ঘৰ-দুৱাৰ জ্বলালে

উত্তেজিত জনতাই ছটাকৈ গৰুচোৰৰ বাসগৃহ জ্বলাই দিয়াৰ এক চাঞ্চল্যকৰ ঘটনা সংঘটিত হৈছে। গৰু চুৰি কৰি নিজৰ অঞ্চল আৰু জাতিক বদনাম কৰাৰ বাবেই দুৰামাৰী অঞ্চলৰ সংখ্যালঘু গঞা ৰাইজে উমৈহতীয়া সিদ্ধান্ত লৈ আজি গৰুচোৰৰ সতে জড়িত থকাৰ অভিযোগত ছয়টাকৈ বাসগৃহ জ্বলাই দিয়ে। কোকৰাঝাৰ জিলাৰ বালাজান উপ আৰক্ষী চকীৰ দুৰামাৰীত সংঘটিত হোৱা উক্ত ঘটনাই এতিয়া ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আজি সংবাদমাধ্যমৰ আগত স্থানীয় গঞা ৰাইজে অভিযোগ কৰা মতে কোকৰাঝাৰ জিলাৰ দুৰামাৰী অঞ্চলৰ পাঁচটা আৰু হেকাইপাৰা নয়াপাৰাৰ এটা পৰিয়ালৰ বিৰুদ্ধে দীৰ্ঘদিনৰ পৰা গৰু চুৰিৰ অভিযোগ উত্থাপিত হৈ আহিছিল। গৰুচুৰি নকৰিবলৈ দীৰ্ঘদিনৰ পৰা স্থানীয় ৰাইজে সকিয়নী প্ৰদান কৰি আহিছিল যদিও তেওঁলোকে কেৰেপ কৰা নাছিল। তেওঁলোকে অভিযোগ কৰা মতে এই সন্দৰ্ভত আৰক্ষীকো অৱগত কৰা হৈছিল যদিও আৰক্ষীয়ে গৰুচোৰ কেইটাক ধৰি নি পিছলৈ এৰি দিছিল। এনে এক পৰিস্থিতিৰ মাজতে বিছমুৰী এলেকাৰ বড়োগাঁৱৰ পৰা পুনৰাই গৰু চুৰি কৰি অনাত স্থানীয় ৰাইজ ক্ষুব্ধ হয়। বিছমুৰী আৰক্ষীয়ে গৰুটো উদ্ধাৰ কৰি লৈ যোৱাৰ পিছতে স্থানীয় ৰাইজ গৰুচোৰৰ বিৰুদ্ধে সংঘবদ্ধ হয় আৰু আজি দিনজোৰা গাঁওসভা অনুষ্ঠিত কৰে। গঞা ৰাইজে গাওঁসভালৈ গৰুচোৰ কেইটাক মাতে যদিও তেওঁলোক পলাই পত্ৰং দিয়ে। তেওঁলোকৰ অনুপস্থিতিতে স্থানীয় ৰাইজে গাঁওসভা অনুষ্ঠিত কৰি এক সিদ্ধান্ত গ্ৰহণ কৰে আৰু সেইমতে আজি বিয়লি ৪:০০ বজাৰ পৰা গৰুচোৰৰ বাসগৃহকেইটা প্ৰথমে লণ্ডভণ্ড কৰি পিছত বাসগৃহসমূহত জুই লগাই দিয়ে। উত্তেজিত ৰাইজে দুৰামাৰী টাবুৰ চৰ গাঁৱৰ ছাহজাহান আলি সেখ, মইদুল আলি সেখ, ছানোৱাৰ আলি সেখ, আমজাদ আলি সেখ, ছুৰমান আলি সেখ আৰু হেকাইপাৰা নয়াপাৰা গাওঁৰ আসাদ আলী আকন্দৰ ঘৰ জ্বলাই দিয়ে। আৰক্ষীৰ উপস্থিতিতে স্থানীয় ৰাইজে গৰুচোৰ কেইটাৰ বাসগৃহৰ ক্ষতিসাধন কৰি জ্বলাই দিয়ে আৰু আৰক্ষীৰ সতে তৰ্কযুদ্ধতো লিপ্ত হয়। গঞা ৰাইজে এইবুলিও অভিযোগ কৰে যে উল্লেখিত গৰু চোৰকেইটাই বিভিন্ন সময়ত গৰু চুৰি কৰি গাঁও আৰু সম্প্ৰদায়টোৰ বদনাম কৰি আহিছে আৰু তেওঁলোক বাহিৰলৈ ওলাব নোৱাৰা পৰিস্থিতিৰ সৃষ্টি কৰিছে। তেওঁলোকে গৰু চোৰ কৰি ঘৰ-মাটি -গাড়ী কিনিছে আৰু দিনহাজিৰা কৰা লোকসকল আন গাঁৱত কাম কৰিবলৈ গলে সংখ্যালঘু সম্প্ৰদায় গৰুচোৰ বুলি বদনামৰ ভাগি হৈ আহিছে। গৰু চোৰকেইটাৰ বাবেই খাটিখোৱা লোকসকলৰ জীৱন-জীৱিকাত প্ৰভাৱ পৰিছে আৰু সদায়ে অপমানিত হৈ আহিছে বুলিও মন্তব্য কৰে। আইন হাতত তুলি লৈ ঘৰ জ্বলাই দিয়া সত্বেও তেওঁলোক অনুতপ্ত নহয় আৰু এয়া ৰাইজৰ লিখিত আকাৰৰ উমৈহতীয়া সিদ্ধান্ত বুলি মন্তব্য কৰি গৰুচোৰকেইটাৰ কঠোৰ শাস্তিৰ পোষকতা কৰিছে গঞা ৰাইজে। তদুপৰি কেইটামান সংখ্যালঘু সম্প্ৰদায়ৰ গৰুচোৰৰ বাবেই সমগ্ৰ সংখ্যালঘু সম্প্ৰদায় সদায়ে বদনামৰ ভাগি হৈ থাকিব নোৱাৰে বুলি স্পষ্ট মত প্ৰকাশ কৰি গৰুচোৰক কোনো কাৰণতে প্ৰশ্ৰয় দিয়া নহ'ব বুলি ঘোষণা কৰিছে সংখ্যালঘু সম্প্ৰদায়ৰ বসতিৰে পৰিপূৰ্ণ দুৰামাৰী অঞ্চলৰ ৰাইজে। উল্লেখ্য যে দুৰামাৰী অঞ্চলত পৰিস্থিতি বৰ্তমানেও উত্তেজনাপূৰ্ণ হৈ আছে আৰু আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। অঞ্চলটোৰ ৰাইজে আৰক্ষীৰ সন্মুখতে উত্তেজনাপূৰ্ণ শ্লোগান দি পৰিস্থিতি উত্তপ্ত কৰি তোলে আৰু বয়-বস্ত জুইৰ লেলিহান শিখালৈ নিক্ষেপ কৰে। বৰ্তমানলৈকে ঘটনা সন্দৰ্ভত কাকো আটক কৰা নাই বুলি সদৰী কৰিছে বালাজান উপ-আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া চন্দ্ৰামিকা নেওগে। এই ঘটনাই সমগ্ৰ অঞ্চলটোত উত্তেজনাৰ সৃষ্টি কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# চোৰ ধৰিবলৈ গৈ নাগালেণ্ডত মাৰ

দল। এই ঘটনা সংঘটিত হৈছে অসম-নাগালেণ্ড সীমান্তৰ ইয়াচাং চি বস্তিত। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, মঙ্গলবাৰে সন্ধিয়া ৬ মান বজাত যোৰহাটৰ উপ-আৰক্ষী অধীক্ষক কৌশিক কাকতিৰ নেতৃত্বত টীয়ক আৰক্ষী থানা আৰু চেলেংহাট আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াসহ এটা দল আটকাধীন গাড়ী চোৰ এটাৰ তথ্যৰ ভিত্তিত আন এটা চোৰক আটক কৰিবৰ বাবে মোককচাং জিলাৰ ইয়াচাং চি বস্তিত অভিযান চলাবলৈ যায়। অভিযানৰ সময়ত ইয়াচাং চি বস্তিৰ একাংশ নগা লোকৰ সৈতে অসম আৰক্ষীৰ দলটোৰ প্ৰথমে তৰ্কাতৰ্কি হয়। নগা লোকসকলে স্থানীয় আৰক্ষী অবিহনে নগা ভূমিত অসম আৰক্ষীয়ে কিয় অভিযান চলাব তাক লৈ প্ৰশ্ন উত্থাপন কৰে। আনহাতে অসম আৰক্ষীৰ দলটোৰ সৈতে সাধাৰণ পোছাকত অস্ত্ৰ লৈ থকা কেইবাগৰাকীও লোকক দেখি নগা লোকসকল অধিক উত্তেজিত হৈ পৰে। শতাধিক উত্তেজিত নগা লোকে ১৬ জনীয়া অসম আৰক্ষীৰ দলটোক ঘেৰি ধৰি আক্ৰমণ কৰে। এই আক্ৰমণত ১১ নং অসম বেটেলিয়ানৰ জোৱান বিদ্যুৎ দত্তসহ কেইবাগৰাকীও জোৱান আহত হয়। উত্তেজিত নগা দলটোৱে দা আৰু লাঠিৰে অসম আৰক্ষীৰ দলটোক আক্ৰমণ কৰে। গুৰুত্বভাৱে আহত আৰক্ষী জোৱান বিদ্যুৎ দত্তৰ মূৰসহ দেহৰ কেইবা ঠাইটো দাৰে ঘপিয়াই নগা দুৰ্বৃত্তই। আনহাতে উত্তেজিত নগা লোকসকলে অসম আৰক্ষীৰ মৰাণাস্ত্ৰসমূহ কাঢ়ি তাতে দলটোক আবদ্ধ কৰি ৰাখে। নিশা ১ মান বজাত গুৰুত্বভাৱে আহত আৰক্ষী জোৱানসহ চেলেংহাট আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া যতীন বৰা নগা দলটোৰ কবলৰ পৰা ওলাই আহিবলৈ সক্ষম হয় যদিও উপ আৰক্ষী অধীক্ষক কৌশিক কাকতি, টীয়ক আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া গংগা ফুকনসহ আৰক্ষীৰ দলটোক পুৱা পৰ্যন্ত নগালোকসকলে আবদ্ধ কৰি ৰাখে। স্থানীয় সূত্ৰৰ মতে, নগা লোকসকলে অসম আৰক্ষীৰ বিষয়াসহ জোৱানক অশ্লীল ভাষাৰে গালি গালাজ কৰাৰ উপৰিও লাঠিৰে প্ৰহাৰ কৰিছিল। পুৱা পৰ্যন্ত অসম আৰক্ষী দলটো এনেদৰে আবদ্ধ হৈ থকাত অসম আৰক্ষীত একপ্ৰকাৰ হাহাকাৰময় পৰিস্থিতিৰ সৃষ্টি হয়। ইফালে, যোৰহাট আৰক্ষীয়ে সমগ্ৰ ঘটনা সংবাদ মাধ্যমৰ পৰা গাপ দিবলৈ চেষ্টা কৰে। পুৱা যোৰহাট জিলা আৰক্ষী অধীক্ষক শ্বেতাংগ মিশ্ৰ আৰু মোককচাং জিলা আৰক্ষী অধীক্ষকৰ মাজত টেলিফোনিক বাৰ্তালাপৰ পাছত মোককচাং জিলা আৰক্ষী অধীক্ষকগৰাকীৰ হস্তক্ষেপত এক বুজাবুজি ক্ৰমে অসম আৰক্ষী দলটোক এৰি দিবলৈ মান্তি হয় উত্তেজিত নগা লোকসকল। পুৱা ১০ মান বজাত অতিৰিক্ত আৰক্ষী অধীক্ষক লুনা সোনোৱালৰ নেতৃত্বত যোৱা আৰক্ষী কামাণ্ডো বাহিনীৰ এটা দলে আৱদ্ধ আৰক্ষী দলটোক উদ্ধাৰ কৰি আনে। এক ভিতৰুৱা সূত্ৰৰ মতে, আৱদ্ধ আৰক্ষী দলটোৰ এগৰাকী আৰক্ষী বিষয়াৰ চাৰ্ভিচ ৰিভলভাৰটো বৰ্তমানেও অসম আৰক্ষীক চমজাই দিয়া নাই নগা লোকসকলে। বিয়লি অসম আৰক্ষীৰ এটা বৃহৎ দল ইয়াচাং চি বস্তিলৈ ৰাওনা হৈছিল যদিও চাৰ্ভিচ ৰিভলভাৰটোৰ সন্ধান লাভ কৰিলেনে নাই জানিব পৰা হোৱা নাই। সম্প্ৰতি পৰিস্থিতি নিয়ন্ত্ৰণাধীন বুলি যোৰহাট জিলা আৰক্ষী অধীক্ষকগৰাকীয়ে সংবাদ মাধ্যমত প্ৰকাশ কৰিলেও সীমান্তত চেপা উত্তেজনাই বিৰাজ কৰি আছে। ইফালে সাধাৰণ নগা লোকৰ হাতত অসম আৰক্ষী প্ৰহৃত হ'বলগীয়া ঘটনাই অসম আৰক্ষীক লজ্জানত কৰিছে যদিও আক্ৰমনকাৰী নগা লোকৰ বিৰুদ্ধে অসম আৰক্ষীয়ে কেনেধৰনৰ আইনী ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষ্যনীয় হ'ব। নগাৰ হাতত প্ৰহৃত আৰক্ষীয়ে সীমান্তবাসী অসমীয়াক কিদৰে সুৰক্ষা দিব সেই প্ৰশ্নও উত্থাপন কৰিছে সীমান্তবাসীয়ে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

প্ৰথম পৃষ্ঠাৰ পৰা...

# দুৰ্ঘটনাত পতিতলৈ এসপ্তাহৰ

এই পদক্ষেপৰ অধীনত দুৰ্ঘটনা সংঘটিত হোৱাৰ পিছত সাত দিনলৈকে ১.৫ লাখ টকা পৰ্যন্ত চিকিৎসা সেৱা প্ৰদান কৰা হ'ব। এই আঁচনিৰ জৰিয়তে সকলো ধৰণৰ পথ দুৰ্ঘটনা সামৰি লোৱা হ'ব বুলিও জানিবলৈ দিয়ে গাডকাৰীয়ে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে ৰাষ্ট্ৰীয় স্বাস্থ্য কৰ্তৃপক্ষই আৰক্ষী, চিকিৎসালয়, আৰু ৰাজ্যিক স্বাস্থ্য সংস্থাৰ সহযোগত এই কাৰ্যসূচী ৰূপায়ণৰ তদাৰক কৰিব। ই এক আই টি প্লেটফৰ্মত চলিব যিয়ে পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ ই-ডিটেইল্ড এক্সিডেণ্ট ৰিপ'ৰ্ট এপ্লিকেচনক এন এইচ এৰ লেনদেন ব্যৱস্থাপনা ব্যৱস্থাৰ সৈতে সংযোগ কৰিব। নীতিন গাডকাৰীয়ে জানিবলৈ দিয়া মতে, ২০২৪ চনৰ ১৪ মাৰ্চৰ পৰা চণ্ডীগড়ত পাইলট প্ৰজেক্ট হিচাপে আৰম্ভ হোৱা এই পদক্ষেপ পৰৱৰ্তী সময়ত আন ৬ খন ৰাজ্যলৈ সম্প্ৰসাৰণ কৰা হৈছে। ইয়াৰ লক্ষ্য হৈছে দুৰ্ঘটনাৰ পিছত সময়মতে চিকিৎসা সেৱা নিশ্চিত কৰা। পথ সুৰক্ষা সন্দৰ্ভত সাংবাদিকৰে হোৱা কথা বতৰাত গাডকাৰীয়ে পথ সুৰক্ষাৰ প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰাৰ বাবে চলি থকা পদক্ষেপসমূহৰ বিষয়ে আলোচনা কৰে। ইয়াৰ ভিতৰত পাইলটৰ বাবে নিয়ম আৰু বাণিজ্যিক চালকৰ বাবে কৰ্ম সময়ৰ নীতি অন্তৰ্ভুক্ত কৰা হৈছে। অন্যহাতে নীতিন গাডকাৰীয়ে দেশত ২২ লাখ চালকৰ নাটনিৰ কথাও স্বীকাৰ কৰে। ৬-৭ জানুৱাৰীত অনুষ্ঠিত এক কৰ্মশালাত পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে গুৰুত্বপূৰ্ণ সংস্কাৰৰ বিষয়ে আলোচনা কৰে। গাডকাৰীয়ে সমগ্ৰ দেশতে ড্ৰাইভাৰ ট্ৰেইনিং ইনষ্টিটিউট (ডিটিআই) আৰম্ভ কৰাৰ পৰিকল্পনা ঘোষণা কৰে। তেওঁ নতুন নিয়মৰ জৰিয়তে ই-ৰিক্সাৰ সুৰক্ষা উন্নত কৰাৰ গুৰুত্বৰ কথাও উল্লেখ কৰে। লক্ষণীয় যে, কৰ্মশালাত আলোচনা কৰা আন পদক্ষেপসমূহৰ ভিতৰত আছিল ট্ৰাকৰ বাবে স্মাৰ্ট ড্ৰাইভাৰ এচেছমেণ্ট চিষ্টেম (এডিএএছ) প্ৰৱৰ্তন, বাহনত ৰেট্ৰ'-ৰিফ্লেক্টিভ টেপ ব্যৱহাৰ, মহিলা আৰু শিশুৰ সুৰক্ষাৰ বাবে ভিহেকেল লোকেশ্যন ট্ৰেকিং ডিভাইচ (ভিএলটিডি)ৰ ব্যৱস্থা। ২০২৫ চনৰ মাৰ্চ মাহৰ ভিতৰত দেশৰ সকলো ফেচলেছ সেৱা সম্পূৰ্ণৰূপে কাৰ্যক্ষম হোৱাৰ আশা কৰা হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মাজুলীত মথাউৰি নিৰ্মাণৰ শুভাৰম্ভ

নিৰ্বাচনত ৪০ হাজাৰৰ ব্যৱধান পাওঁ যদিও এইবাৰ লোকসভাত ৭ হাজাৰৰ ব্যৱধানহে পালো। বহুতে ভোট কংগ্ৰেছক দিলে। কাৰণ কংগ্ৰেছ দলৰ যিগৰাকী নেতা, তেখেতে কিছুমান মিছা মিছা কথা কোৱাত মানুহ অলপ ভোল গ'ল গতিকে মানুহে ভোট দিলে।' -আজি মাজুলীৰ লুইত খাবলু অঞ্চলত সোঁৱণশিৰি নদীৰ পাৰত নতুনকৈ নিৰ্মাণ কৰিব লগা প্ৰায় ১৭ কিল'মিটাৰ দৈৰ্ঘ্যৰ মথাউৰিৰ নিৰ্মাণৰ শুভাৰম্ভ কৰি ৰাজ্যৰ জলসম্পদ মন্ত্ৰী পিয়ুষ হাজৰিকাই ৰাইজক উদ্দেশ্যি দিয়া ভাষণ প্ৰসংগত এনেদৰে কয়। তেওঁ ভাষণ প্ৰসংগত স্থানীয় সাংসদ গৌৰৱ গগৈক নাম উল্লেখ নকৰাকৈ আক্ৰমণৰ লক্ষ্য কৰি লয় আৰু কয় যে যোৱা ছমাহত এটাও কাম সেই সাংসদ গৰাকীয়ে কৰিব পাৰিছে নেকি? কথাৰ ফুলজাৰি মৰা সাংসদ গৰাকীয়ে কয় যে মাজুলীত বানপানীৰ সমস্যা আছে। কিন্তু বানপানীৰ কাৰণে তেওঁ কৰিছে কি। সাংসদ হোৱাৰ পৰা তেওঁ মাজুলীলৈ আহিল দুবাৰ কিন্তু মই নিৰ্বাচনৰ পিছৰ পৰা মাজুলীলৈ তিনিবাৰ আহিলোঁ। যিগৰাকী সাংসদে নিজ সমষ্টিলৈ ৭ মাহত ২ বাৰ আহে তেনেকুৱা সাংসদে সমষ্টিৰ কিবা কাম কৰিব নেকি বুলি প্ৰশ্ন কৰে কেবিনেট মন্ত্ৰীগৰাকীয়ে। পীয়ুষ হাজৰিকাই একপ্ৰকাৰে স্থানীয় সাংসদ গগৈক আক্ৰমণৰ লক্ষ্য কৰি লৈ আৰু কয় অকল কথাৰ ফুলজাৰি মাৰি দিল্লীত ঘূৰি ফুৰে আৰু দিল্লীত বহি কয় গুৱাহাটীত ফ্লাই অভাৰ নালাগে। গুৱাহাটীত নথকা মানুহে গুৱাহাটীত ফ্লাই অভাৰ নালাগে বুলি ক'লেও আমি আৰু ফ্লাই অভাৰ নিৰ্মাণ কৰিম আৰু অসমত কাম কৰিম তাত চকু পুৰি লাভ নাই। ইফালে মাজুলী দলং সন্দৰ্ভত তেওঁ কয় যে মাজুলীৰ দলং আমাৰ চুপাৰ প্ৰায়ৰিটি। আমি কৰিমেই অলপো সন্দেহ কৰিব নালাগে। কিন্তু যিবিলাক মানুহে মিছা থকা কয় সেইবোৰৰ কথা নিৰ্বাচনত ভোট দিওঁতে ভাবি চাব লাগে। অৰুণোদয়, নিযুত মাইনা, স্কুটী দিয়া আদি দিলে বেয়া পোৱা মানুহৰ কথা নিৰ্বাচনত ভাবি চাব লাগে বুলি উল্লেখ কৰে। ইফালে মন্ত্ৰীগৰাকীয়ে তাৎপৰ্যপূৰ্ণভাৱে এই সন্দৰ্ভত আৰু কয় যে গুৱাহাটীত বহি থকা বুদ্ধিজীৱিসকলে অৰুণোদয় দিলে গাঁৱৰ অৰ্থনীতি ভাঙি চুৰমাৰ হোৱাৰ কথা কয়। টিভিৰ মালিকে অৰুণোদয় দিলে বেয়া পায়। কিন্তু তেওঁলোকে গাঁৱৰ মানুহৰ মনৰ কথা এবাৰ শুনিব লাগে বুলি উল্লেখ কৰি অৰুণোদয় আৰু এতিয়া মাজুলীৰ মুঠ ২৮ হাজাৰ লোকে লাভ কৰিব বুলি উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে আৰু কয় যে টিভি আৰু বাতৰি কাকতৰ মালিকে অৰুণোদয় দিলে বেয়া পালে বুলিয়েই আমি অৰুনোদয় নিদিয়াকৈ নাথাকো। অৰুণোদয় আমি দিমেই। মন্ত্ৰীগৰাকীয়ে এইবাৰ অসমত ৩৪২ কোটি টকাৰ বাজেটেৰে ২৪৫ কিলোমিটাৰ নতুন মথাউৰিৰ জলসম্পদ বিভাগে আচনি লৈছে বুলি উল্লেখ কৰে। ৰাজ্যখনত আৰু প্ৰায় ১৫০ কিলোমিটাৰ মথাউৰি নিৰ্মাণ কৰিলে মথাউৰি নোহোৱা স্থান ক'তো নাথাকিব বুলিও লগতে কয়। স্থানীয় ৰাইজক উদ্দেশ্যি ৰখা বক্তব্যত মন্ত্ৰী হাজৰিকাই আৰু কয় যে বিগত লোকসভা নিৰ্বাচনত তেওঁ দিয়া প্ৰতিশ্ৰুতি অনুসৰিয়েই লুইত খাবলুত সোঁৱণশিৰি নদীৰ পাৰত ২৪ কোটি টকাৰ ব্যয়েৰে ১৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আন্তৰিকতাৰ বাবেই মাজুলীৰ ৰাস্তা-পথৰ দ্ৰুত উন্নয়ন সম্ভৱপৰ হৈছে বুলি মন্তব্য কৰি মন্ত্ৰী হাজৰিকাই কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে প্ৰতিশ্ৰুতি প্ৰদান কৰি আখৰে আখৰে প্ৰতিশ্ৰুতি পালন কৰে। বিগত বাৰিষাত মাজুলীৰ যুগুণীধাৰীত ব্ৰহ্মপুত্ৰৰ মথাউৰি বিচ্ছিন্ন হোৱাৰ সময়ত জলসম্পদ বিভাগে দিনে-ৰাতিয়ে কাম কৰি মথাউৰি মেৰামতি কৰা বুলি মন্তব্য কৰি মন্ত্ৰী হাজৰিকাই কয় যে ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্য চৰকাৰখনৰ আন্তৰিকতা থকাৰ বাবেহে মাজুলীত চিঙাৰ মাথো ২০/২২ টা দিনৰ ভিতৰতে বিভাগে ব্ৰহ্মপুত্ৰৰ মথাউৰিৰ মেৰামতি সম্পূৰ্ণ কৰিবলৈ সক্ষম হৈছে। মাজুলীৰ বিধায়ক ভুবন গামৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা সভাত লখিমপুৰ লোকসভাৰ সাংসদ প্ৰদান বৰুৱাই উপস্থিত থাকি বিগত ৮ বছৰত ৰাজ্যত ৯ হাজাৰ কোটি টকাৰ জলসম্পদ বিভাগে কাম হাতত লৈছে বুলি উল্লেখ কৰে। তেওঁ মাজুলীৰ এতিয়াৰ পৰিস্থিতিৰ সৈতে আগৰ মাজুলীৰ মাজত পাৰ্থক্য সন্দৰ্ভত ক'বলৈ গৈ মাজুলীৰ সামগ্ৰিক উন্নয়ন সন্দৰ্ভত বক্তব্য ৰাখে। লখিমপুৰৰ সাংসদগৰাকীয়ে ভাষণ প্ৰসংগত স্থানীয় সাংসদ গৌৰৱ গগৈক নাম উল্লেখ নকৰাকৈ আক্ৰমণৰ লক্ষ্য কৰি লৈ কয় যে ফুলজাৰি মাৰি ভাষণ দিলেই উন্নয়ন নহয়। মাজুলীৰ মথাউৰি চিগাৰ পিছত সাংসদগৰাকীৰ তৎপৰতা নাছিল বুলি উল্লেখ কৰে। অনুষ্ঠানত বিজেপিৰ মাজুলী জিলা সমিতিৰ সভাপতি বীৰেন শইকীয়া, জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, আৰক্ষী অধীক্ষক বিবেকানন্দ দাসসহ অন্যান্য বহু কেইজন বিশিষ্ট অতিথি আৰু কেইবাশতাধিক স্থানীয় ৰাইজ উপস্থিত থাকে।

# শিৱসাগৰ বকতাত অংগনবাদী কেন্দ্ৰত অগ্নিকাণ্ড

**ই-সংবাদ, শিৱসাগৰ, ৮ জানুৱাৰীঃ** বিদ্যালয়সমূহত গুণোৎসৱ চলি থকাৰ সময়তে মঙলবাৰে সন্ধিয়া শিৱসাগৰ জিলাৰ ডিমৌ সমষ্টিৰ বকতাত এটা অংগনবাদী কেন্দ্ৰত ভয়ংকৰ অগ্নিকাণ্ড সংঘটিত হয়। সন্ধিয়া প্ৰায় ৬ বজাত বকতা ডিমৌগুৰি প্ৰাথমিক বিদ্যালয়ৰ কাষতে থকা অংগনবাদী কেন্দ্ৰত অগ্নিকাণ্ড সংঘটিত হয়। অগ্নিকাণ্ডৰ ফলত ভিতৰত থকা গুৰুত্বপূৰ্ণ নথিপত্ৰ, আচবাব জ্বলি ভস্মীভূত হয়। কি কাৰণে জুইৰ সূত্ৰপাত হ'ল জানিব পৰা হোৱা নাই। অৱশ্য ততাতৈয়াকৈ স্থানীয় ৰাইজে জুই নিৰ্বাপিত কৰি কাষতে থকা প্ৰাথমিক বিদ্যালয়খন ৰক্ষা কৰে। জুই নিৰ্বাপিত হোৱাৰ পিছত আৰক্ষী, প্ৰশাসনিক বিষয়া উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মক্কা-মদিনাত বান বিভীষিকা

বাবে বাবে পৰিচিত দেশখনত শেহতীয়াকৈ ধাৰাসাৰ বৰষুণৰ পিছতে সৃষ্টি হোৱা বানত এতিয়া বুৰ গৈছে মক্কা আৰু মদিনাৰ অধিকাংশ অঞ্চল। বিশেষকৈ জেদ্দা চহৰত বান পৰিস্থিতিয়ে পৰিস্থিতি অধিক উদ্বেগজনক কৰি তুলিছে। ইফালে সঘনাই হৈ থকা বজ্ৰপাত আৰু প্ৰবল বৰষুণৰ ফলত বহু অঞ্চলৰ স্বাভাৱিক জনজীৱন ব্যাহত হৈ পৰিছে। বুধবাৰে পুৱাও জেদ্দা চহৰৰ লগতে বহু অঞ্চলত প্ৰচণ্ড বৰষুণ হয়। এই বিধ্বংসী বৰষুণ আৰু বানৰ ভিডিঅ' ইতিমধ্যে ভাইৰেল হৈ পৰিছে ছ'চিয়েল মিডিয়াত। উল্লেখ্য যে, জলবায়ু পৰিৱৰ্তনৰ ফলত বিগত কিছু বছৰত সলনি হৈছে চৌদি আৰবৰ বতৰ। এনে সময়তে এইবাৰৰ বৰষুণে পৰিস্থিতি অধিক ভয়াবহ কৰি তুলিছে। সাধাৰণতে হজ বা উমৰাৰ বতৰত পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু ছৌদি আৰবত চলিত বৰ্ষৰ ধাৰাসাৰ বৰষুণৰ ফলত জনজীৱন ব্যাহত হৈ পৰিছে। বতৰ বিজ্ঞান বিভাগৰ পূৰ্বাভাস অনুসৰি পৰিস্থিতি অধিক ভয়াৱহ হ'ব পাৰে। ইতিমধ্যে শিক্ষা প্ৰতিষ্ঠানসমূহ বন্ধ ঘোষণা কৰাৰ লগতে একাংশ অঞ্চলত যাতায়ত নিষিদ্ধ কৰা হৈছে। সকলো লোককে ঘৰত থাকিবলৈ সতৰ্কবাণী জাৰি কৰিছে প্ৰশাসনে। পৰিস্থিতিৰ জটিলতাৰ প্ৰতি লক্ষ্য ৰাখি এই সময়ত নাগৰিকসকলক অপ্ৰয়োজনীয় ভ্ৰমণৰ পৰা বিৰত থাকিবলৈ আৰু চৰকাৰী নিৰ্দেশনা মানিবলৈ সকীয়াই দিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গণৰাজ্য দিৱসত কৃষকে কঁপাব

কৃষক। এইবাৰো ২৬ জানুৱাৰীৰ গণৰাজ্য দিৱসত দেশজোৰা ট্ৰেক্টৰ ৰেলীকে ধৰি কৃষকসকলে অহা এমাহৰ বাবে একাধিক কাৰ্যসূচী ঘোষণা কৰিছে। জানিব পৰা মতে, সংযুক্ত কিষাণ মৰ্চা (অৰাজনৈতিক)ৰ উদ্যোগত অহা ১৩ জানুৱাৰীত দেশৰ বিভিন্ন গাঁৱত কৃষি নীতিৰ খচৰা দাহ কাৰ্যসূচীৰ আয়োজন কৰা হ'ব। ইয়াৰ সমান্তৰালকৈ দেশৰ গ্ৰামাঞ্চলত মোদী চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিব কৃষকসকলে। পাঁচটা গুৰুত্বপূৰ্ণ দাবী পূৰণ নোহোৱালৈকে তেওঁলোকৰ আন্দোলন অব্যাহত থাকিব বুলি হুংকাৰ দিছে কৃষকসকলে। উল্লেখ্য যে, ২০২১ চনৰ কৃষক আন্দোলনৰ পিছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰাজয় স্বীকাৰ কৰি কৃষি আইন প্ৰত্যাহাৰ কৰিছিল যদিও কৃষকৰ সমস্যা অদ্যপি সমাধান নোহোৱা বুলি দাবী কৰি আহিছে কৃষকে। এনে পৰিপ্ৰেক্ষিততে পঞ্জাৱ আৰু হাৰিয়ানাৰ বৃহত্তৰ অঞ্চলত এতিয়াও অব্যাহত আছে কেন্দ্ৰ বিৰোধী প্ৰতিবাদ। কৃষক নেতা জগজিৎ সিং দলেৱালে বৰ্তমানো অব্যাহত ৰখা অনশনে কৃষকৰ এই অধিক শক্তি প্ৰদান কৰিছে। মূলতঃ এম এছ পিক আইনী স্বীকৃতি আৰু কৃষি আইন বাতিলৰ বাবে কৃষকসকলে প্ৰতিবাদ সাব্যস্ত কৰিছে। অন্যহাতে কৃষকৰ আন্দোলনক লৈ উচ্চতম ন্যায়ালয়ে কেন্দ্ৰক তীব্ৰ সমালোচনা কৰাৰ পিছত পৰিস্থিতি অধিক জটিল হৈ পৰিছে। কৃষকৰ আন্দোলন দমনৰ দিশত চৰকাৰে কোনো সদিচ্ছা প্ৰকাশ কৰা নাই বুলি উচ্চতম ন্যায়ালয়ে কয়। ইফালে কৃষকসকলে একত্ৰিত হৈ পুনৰ ৰাজপথলৈ ওলাই আহি প্ৰতিবাদ সাব্যস্ত কৰাৰ ঘোষণা কৰিছে। কিন্তু কৃষকৰ আন্দোলনক লৈ কেন্দ্ৰই কি স্থিতি গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শিৱসাগৰত খং উঠিল শিক্ষামন্ত্ৰীৰ

সঠিক তথা নিৰ্ভৰযোগ্য শৈক্ষিক মান নিৰূপণ নকৰে সেয়া বিভিন্ন সময়ত চৰ্চিত হৈ আহিছে। আনকি একাংশই গুণোৎসৱক এক নাটক আখ্যা দিয়াও পৰিলক্ষিত হৈ আহিছে। এনে সময়তে আজি গুণোৎসৱ চলি থকাৰ সময়তে শিৱসাগৰত কেইবাখনো বিদ্যালয় নীৰিক্ষণ কৰি হতভম্ব হৈ পৰে খোদ শিক্ষামন্ত্ৰী ডা: ৰণোজ পেগু। বিগত সময়ছোৱাত গুণোৎসৱত "এ" গ্ৰেড লাভ কৰা বিদ্যালয়ৰ চতুৰ্থ, তৃতীয়  শ্ৰেণীৰ একাংশ ছাত্ৰ-ছাত্ৰীয়ে ভালদৰে পাঠ্যপুথিত থকা আখৰ, বাক্য পঢ়িব নোৱাৰা, বৰ্ণকেইটাকে চিনি নোপোৱা দৃশ্য দেখি তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰে। লগতে কিছুমান বিদ্যালয়ত তিনি মাহৰ পিছতে পুনৰ গুণোৎসৱৰ পাতি পৰীক্ষা কৰা হ'ব বুলি দোহাৰে। লক্ষণীয় যে শিক্ষামন্ত্ৰীগৰাকীয়ে পুৱাই প্ৰথমে শিৱসাগৰৰ দুই নং টাউন বালিকা বিদ্যালয়ত উপস্থিত হৈ প্ৰাতঃসভাত অংশ লয়। ইয়াৰ পিছতে ছাত্ৰ-ছাত্ৰীসকলে হাতে লিখা আলোচনী আৰু প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মতবিনিময় কৰে ডা: ৰণোজ পেগুৱে। তাৰ পিছতে থানুৰাম গগৈ সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উপস্থিত হৈ শিক্ষানুষ্ঠানখনৰ আন্ত:গাঁথনিৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দিশ নীৰিক্ষণ কৰে। বিদ্যালয়খন নীৰিক্ষণ কৰি তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰে মন্ত্ৰীগৰাকীয়ে। ষষ্ঠ, সপ্তম শ্ৰেণীৰ কিছুমান ছাত্ৰ-ছাত্ৰীয়ে বৰ্ণমালা কেইটাকে মাতিব নোৱাৰা, নেওতা কেইখন পঢ়িব নোৱাৰাত উদ্বিগ্নতা প্ৰকাশ কৰে মন্ত্ৰীগৰাকীয়ে। প্ৰয়োজনীয় শিক্ষক-শিক্ষয়িত্ৰী থকাৰ পিছতো ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক মান নিম্ন হোৱাতো উদ্বেগজনক বিষয় বুলি প্ৰকাশ কৰে। লগতে ছাত্ৰ-ছাত্ৰীসকলক সঠিক শিক্ষা দিয়াটো সকলোৰে দায়িত্ব বুলি দোহাৰে। ইয়াৰ পিছতে শিক্ষামন্ত্ৰীগৰাকীয়ে বি জি ৰোডস্থিত অসম পলিটেকনিক প্ৰতিষ্ঠানত উপস্থিত হৈ তাতো অসন্তুষ্টি প্ৰকাশ কৰে। ইয়াৰ মাজতে ৰাজ্যত বহু ছাত্ৰ-ছাত্ৰীয়ে আধাতে বিদ্যালয় এৰা বিষয়টো অতি চিন্তনীয় বুলি উল্লেখ কৰি এই সমস্যা সমাধানৰ বাবে প্ৰচেষ্টা চলাব বুলি আশ্বাস দিয়ে। আনহাতে মন্ত্ৰীগৰাকীয়ে শিক্ষককো 'এ'কাৰ কেইডাল বুলি প্ৰশ্ন কৰে যদিও উত্তৰ দিব নোৱৰাত ক্ষুব্ধ হৈ পৰে। উল্লেখ্য যে, শিৱসাগৰ জিলাত এইবাৰ গুণোৎসৱে ১২৪১ খন বিদ্যালয়ৰ ৭০,৭১৭ গৰাকী ছাত্ৰ-ছাত্ৰীক সামৰি লৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মন্ত্ৰী অতুলৰ নিয়ন্ত্ৰণত নাই ৰাজ্যৰ কৃষি

ঘূৰাবলগীয়া হৈছে। এইখন চৰকাৰে কৃষকক সঠিকভাৱে ঋণ প্ৰদান কৰিব নোৱৰাৰ অভিযোগ উত্থাপন হৈছে। ইতিমধ্যে ৮লাখ ৪২ হাজাৰ ৪৩৯ জন ভুৱা কৃষকে ভুল তথ্যপাতিৰে পিএম কিষাণ যোজনাৰ কোটি কোটি টকা লুণ্ঠন কৰি নিছে। ইয়াৰ বেছিভাগ ভুৱা কৃষকেই শাসকীয় বিজেপি দলৰ নেতা-পালিনেতা। বিজেপি দলত জড়িত হৈ থকা আৰু ভোট দিয়া বাবেই ভুৱা হিচাধিকাৰী সৃষ্টিৰে ৩৩ খন জিলাত ৫০০তকৈয়ো অধিক কোটি টকা লুণ্ঠন চলোৱাৰ অভিযোগ উত্থাপন হৈছে। এজন কৃষকে একেটা আইডিতে কেবাবাৰো ঋণ লোৱাৰ লগতে ভুৱা নথি-পত্ৰৰে সাহায্য লৈ প্ৰকৃত কৃষকক বঞ্চিত কৰিছে। কৃষি বিষয়াসকলক দাবী-ধমকি দি একাংশ বিজেপি নেতাই এনেধৰণে ভুৱা হিতাধিকাৰীৰ তালিকা প্ৰস্তুত কৰা বুলি জানিব পৰা গৈছে। এই দুৰ্নীতিৰ লগত ৯৮ জন কৃষি বিষয়া জড়িত বুলি অভিযোগ উত্থাপিত হৈছে। একাংশ ভুৱা কৃষকে লাভ কৰা ধন ঘূৰাই দিছে যদিও লাখ লাখ ভুৱা কৃষকে ধন এতিয়ালৈকে ঘূৰাই দিয়া নাই। পিএম কিষাণ যোজনাৰ ১৯নং কিস্তি লাভ কৰাৰ পূৰ্বে ধন ঘূৰাই নিদিয়া কৃষকসকলৰ বিৰুদ্ধে অভিযান চলিব পাৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বৰ এইখন চৰকাৰে কৃষক হিতাধিকাৰীৰ সঠিক তালিকা এখন প্ৰস্তুততো ব্যৰ্থ হৈছে। কৃষি মন্ত্ৰীৰ দায়িত্বত থকা অতুল বৰাই সাংবাদিকৰ আগত প্ৰকাশ কৰিছে যে বিষয়টো তেওঁ ভালকৈ বুজিয়েই পোৱা নাই। নামতহে মন্ত্ৰী হৈ থকা অতুল বৰাই কৃষি বিভাগ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই একাংশ বিষয়াৰ দ্বাৰা নিজে পৰিচালনা কৰি থকাৰ অভিযোগ উত্থাপিত হৈছে। যাৰ বাবে এই বিয়াগোম দুৰ্নীতিৰ পৰা দায় সাৰিবলৈ কৃষি মন্ত্ৰীয়ে গা এৰা মন্তব্য দিছে। কৃষি মন্ত্ৰীজনৰ নিয়ন্ত্ৰণত যে কৃষি বিভাগ যে নাই সেই কথা তেওঁৰ মন্তব্যৰ পৰাই স্পষ্ট হৈ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শ্বেখ হাছিনাক ভাৰত চৰকাৰৰ সকাহ

শ্বেখ হাছিনাৰ থকাৰ ম্যাদ আইনী প্ৰক্ৰিয়াৰে বৃদ্ধি কৰিছে ভাৰতে। এই তথ্য আজি কূটনৈতিক সূত্ৰৰ জৰিয়তে প্ৰকাশ পাইছে। ইফালে একেটা দিনটো হাছিনাৰ পাছপ'ৰ্ট বাতিল কৰিছে বাংলাদেশৰ ইমিগ্ৰেচন আৰু পাছপ'ৰ্ট বিভাগে। উল্লেখ্য যে, দুদিন পূৰ্বে বাংলাদেশৰ আন্তঃৰাষ্ট্ৰীয় অপৰাধ ন্যায়াধিকৰণে শ্বেখ হাছিনাৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিছিল। ১২ ফেব্ৰুৱাৰীৰ ভিতৰত তেওঁক ন্যায়াধিকৰণত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়া হয়। বাংলাদেশৰ ৰাষ্ট্ৰীয় স্বতন্ত্ৰ তদন্ত আয়োগৰ মুৰব্বী মেজৰ জেনেৰেল ফজলুৰ ৰহমানে কয় যে যদি ভাৰতে হাছিনাক উভতাই পঠিয়াব নোৱাৰে তেন্তে আয়োগে তেওঁক জেৰাৰ অনুমতি লৈ ভাৰতলৈ যাবলৈ সাজু। এনে পৰিস্থিতিত ভাৰত চৰকাৰে শ্বেখ হাছিনাৰ ৰেচিড পাৰ্মিট বৃদ্ধি কৰাটোৱে শীতল যুদ্ধৰ ৰূপ লৈছে। নতুন দিল্লীয়ে দাবী কৰিছে যে এই সিদ্ধান্ত কূটনৈতিক নহয়, সম্পূৰ্ণ বৈধ। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মতে, আন এখন দেশৰ অন্তৰৰ্তীকালীন চৰকাৰৰ পৰা প্ৰত্যাৰ্পণৰ অনুৰোধ আইনী দৃষ্টিকোণৰ পৰা পৰীক্ষা কৰাটো প্ৰয়োজন। ইফালে, বাংলাদেশত আজি শ্বেখ হাছিনাকে ধৰি ৯৭জন লোকৰ পাছপ'ৰ্ট বাতিল কৰা হৈছে। ২০২৩ চনৰ জুলাই আন্দোলনক দমন কৰাৰ অভিযোগ উত্থাপন হৈছে। অৱশ্যে এই তালিকাত কোন কোন আছে সেয়া চৰকাৰে প্ৰকাশ কৰা নাই। দিল্লীৰ ফৰেইন ৰিজিঅ'নেল ৰেজিষ্ট্ৰেছন অফিচ (এফআৰআৰঅ')ৰ জৰিয়তে ভাৰতত শ্বেখ হাছিনাৰ আইনী অৱস্থান নিশ্চিত কৰা হৈছে। ভাৰতীয় সূত্ৰই দাবী কৰিছে যে বৰ্তমান হাছিনাক বাংলাদেশলৈ ঘূৰাই পঠোৱাৰ কোনো পৰিকল্পনা নাই। কিন্তু বাংলাদেশে প্ৰেৰণ কৰা কূটনৈতিক বাৰ্তাৰ ভিত্তিত ভাৰত চৰকাৰে উত্তৰ দিবলৈ আৰু কেইমাহমান সময় লাগিব পাৰে। ভাৰতৰ তথ্য অনুসৰি বাংলাদেশ চৰকাৰৰ ফালৰ পৰা আনুষ্ঠানিক প্ৰক্ৰিয়াসমূহ সম্পূৰ্ণ হোৱা নাই। এই ঘটনাই ভাৰত-বাংলাদেশৰ সম্পৰ্কৰ এক নতুন অধ্যায়ৰ সূচনা কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দৰং-তেজপুৰত কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী

এদিনীয়া চৰকাৰী ভ্ৰমণসূচী লৈ বুধবাৰে অসমত উপস্থিত হয়। কাৰ্যসূচী অনুসৰি আজি পুৱাই পোনে পোনে তেজপুৰত উপস্থিত হয় কেন্দ্ৰীয় মন্ত্ৰীগৰাকী। তেজপুৰৰ ভাৰতৰ আটাইতকৈ পুৰণি মানসিক স্বাস্থ্য প্ৰতিষ্ঠানসমূহৰ তালিকাত অন্তৰ্ভুক্ত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানত পুথিভঁৰাল আৰু তথ্য বিজ্ঞান কেন্দ্ৰ উন্মোচন কৰে। প্ৰতিষ্ঠানটোৰ বৰ্ড অৱ গভৰ্ণৰচৰ বৈঠকতো অংশগ্ৰহণ কৰে। কেন্দ্ৰীয় চৰকাৰে প্ৰতিষ্ঠানটোক উন্নত মানৰ কৰিবলৈ বিশেষ সহায় আগবঢ়াইছে বুলি প্ৰকাশ কৰিছে নাড্ডাই। তাৰ পিছতে দৰং জিলাত উপস্থিত হোৱা নাড্ডাই দৰংবাসীক কেবাটাও উপহাৰ প্ৰদান কৰিছে। দৰঙবাসীৰ সুবিধাৰ্থে বহুকেইটা গুৰুত্বপূৰ্ণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। দৰং মেডিকেল কলেজ, ৫০ খন বিছনাযুক্ত ক্ৰিটিকেল কেয়াৰ হাস্পতাল আৰু ছিপাঝাৰত ব্লক স্বাস্থ্য কেন্দ্ৰৰ নতুন ভৱন আৰু আন্তঃগাঁথনি প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। তাৰ মাজতে মঙলদৈত অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী, স্বাধীনতা সংগ্ৰামী 'ভাৰত ৰত্ন' লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ আৱক্ষ মূৰ্তিত পুষ্পমাল্য অৰ্পণেৰে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আজি সাংবাদিকৰ সৈতে মুখামুখি হৈ জেপি নাড্ডাই কয় যে প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানৰ বিকাশৰ সকলো প্ৰস্তাৱ অনুমোদিত হৈছে। দ্ৰুততাৰে সকলো ব্যৱস্থা ৰূপায়ণ কৰা হ'ব। উত্তৰ-পূৱৰ মানসিক স্বাস্থ্য, শিক্ষা আৰু সেৱা সমূহ কঢ়িয়াই আনিব। দৰঙত নাড্ডাই মুখ্যমন্ত্ৰী শৰ্মাৰ সৈতে এক ৰেলী সম্বোধন কৰি কয় যে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ স্বাস্থ্য খণ্ডত অধিক কাম কৰা হ'ব। নাড্ডাই নিশ্চিত কৰিছে যে কেন্দ্ৰৰ পৰা ২৩.৭৫ কোটি টকাৰ পুঁজিৰে মঙলদৈ অসামৰিক চিকিৎসালয়ত ৫০ বিচনাযুক্ত নতুনকৈ ক্ৰিটিকেল কেয়াৰ স্থাপন কৰা হ'ব। আইচিইউ আৰু পেডিয়াট্ৰিক আইচিইউৰ দৰে অত্যাৱশ্যকীয় সেৱা প্ৰদান কৰিব। নামৰূপ সাৰ কোম্পানীৰ সম্প্ৰসাৰণৰ বিষয়ে কয় যে সাৰ উৎপাদন ১২ লাখ মেট্ৰিক টনলৈ বৃদ্ধি কৰাৰ লক্ষ্যৰে কৰা কৃষি খণ্ডৰ উন্নতিৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ লোৱা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই তেজপুৰত কয় যে মানসিক স্বাস্থ্য সেৱা শক্তিশালী কৰাৰ প্ৰচেষ্টাৰ অংশ কৰা নতুন সুবিধা লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানত সংলগ্ন কৰা হৈছে। ইয়াৰ দ্বাৰা শৈক্ষিক গৱেষণা বৃদ্ধি কৰিব আৰু মানসিক স্বাস্থ্য শিক্ষাত সহায় কৰিব। প্ৰতিষ্ঠানখনৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ সমৰ্থনক প্ৰশংসা কৰি ভাৰতৰ অন্যতম পুৰণি মানসিক স্বাস্থ্য কেন্দ্ৰৰ প্ৰতি এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি অভিহিত কৰে। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰীগৰাকীৰ সকলো কাৰ্যসূচীতে মুখ্যমন্ত্ৰী হিমন্তবিশ্ব শৰ্মা, শোণিতপুৰৰ সাংসদ ৰঞ্জিত দত্ত, মন্ত্ৰী অশোক সিংঘল উপস্থিত থাকে। ইফালে, কেন্দ্ৰীয় মন্ত্ৰীৰ সৈতে সমানে সমানে ঘূৰ-ফুৰা কৰাৰ প্ৰয়াস কৰিবলৈ গৈ বৃহৎ ক্ষতি হ'ল দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়াৰ। এদিনীয়া চৰকাৰী ভ্ৰমণসূচী লৈ অসমলৈ অহা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই আজি সাংসদ দিলীপ শইকীয়াৰ সমষ্টিত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। দৰং জিলাত উপস্থিত হোৱা নাড্ডাই দৰংবাসীক কেবাটাও উপহাৰ প্ৰদান কৰাৰ সময়তে পিছে পিছে আছিল দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়া। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ প্ৰতিটো কাৰ্যসূচীত বিজেপিৰ নেতা-কৰ্মীয়ে ভিৰ কৰে। সেই ভিৰৰ বাবে ক্ষতি হ'ল সাংসদ শইকীয়াৰ। হাতৰ পৰা কেনেবাকৈ ঘড়ীটো সৰি পৰিল। পিছত ঘৰলৈ আহি গম পালে যে তেওঁৰ হাতৰ পৰা ঘড়ীটো খুলি পৰিল। লগে লগে ফেচবুক পোষ্ট দি কাতৰ আহ্বান জনালে, কোনোবাই পাইছে যদি মোৰ ঘড়ীটো উভতাই দিয়ক। ফেচবুক পোষ্টত কয় যে আজি মঙলদৈত অনুষ্ঠিত ভিন্ন কাৰ্যক্ৰমত উপস্থিত ৰাইজৰ প্ৰচণ্ড ভিৰত মোৰ হাত ঘড়ীটো হাতৰ পৰা কৰবাত পৰে। কোনো সদাশয় ব্যক্তিয়ে ঘড়ীটো পাইছে অনুগ্ৰহ কৰি মঙলদৈস্থিত মোৰ বাসগৃহত নতুবা আমাৰ দলীয় কাৰ্যকৰ্তাৰ হাতত জমা দিয়ে যেন।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উৰুকাৰ মাছক লৈ বিশেষ নিৰ্দেশনা

কৰি মাছ বিক্ৰী কৰিব নোৱাৰিব। মাছৰ দাম নিৰ্ধাৰণ কৰি দিব মীন বিভাগে। সেই নিৰ্ধাৰিত দাম মতেই মাঘ বিহুৰ উৰুকাৰ বজাৰসমূহত বিক্ৰী কৰিব লাগিব মাছ। মাছৰ দামক লৈ কঠোৰ হৈছে ৰাজ্য চৰকাৰৰৰ মীন বিভাগ। মীন মন্ত্ৰী কৃষ্ণেন্দু পালৰ নিৰ্দেশত জিলা আয়ুক্তলৈ মীন বিভাগে একেখন পত্ৰ প্ৰেৰণ কৰিছে। এই পত্ৰ লাভৰ পিছতে বিভিন্ন বজাৰৰ মাছৰ দামক লৈ জিলা আয়ুক্তসকলে এক প্ৰতিবেদন প্ৰস্তুত কৰি মীন বিভাগৰ আয়ুক্তলৈ প্ৰেৰণ কৰিব লাগিব। মাছৰ দামৰ বুজ লৈ প্ৰতিবেদন প্ৰস্তুত কৰিব বিভাগটোৱে। জিলা আয়ুক্তসকলৰ মীন বিভাগৰ আয়ুক্তৰ পত্ৰ দিয়াৰ পিছতে দাম নিৰ্ধাৰণ কৰা হ'ব। মন্ত্ৰী কৃষ্ণেন্দু পালৰ নিৰ্দেশত আয়ুক্তসকললৈ পত্ৰ প্ৰেৰণ কৰা বুলি জানিব পৰা গৈছে। অৱশ্যে এই নিৰ্দেশ কিমান কাৰ্যকৰী হয় সেয়া সময়তহে স্পষ্ট হৈ পৰিব বুলি ৰাইজে পূৰ্বৰ অভিজ্ঞতাৰ পৰা দাবী কৰিছে।

ROYAL CONSTRUCTION

MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# খনি কাণ্ডক লৈ তদন্ত সমিতি গঠনৰ

কৰা হৈছে যদিও ইয়াৰ দ্বাৰা অবৈধ খনন কাৰ্যৰ তথ্য পোহৰলৈ নাহিব। এখন বিশেষ তদন্ত সমিতি গঠন কৰি উমৰাংছু কাণ্ডৰ তদন্ত কৰা হওক। এই গুৰুতৰ মন্তব্য প্ৰদান কৰিছে যোৰহাটৰ সাংসদ তথা জ্যেষ্ঠ কংগ্ৰেছ নেতা গৌৰৱ গগৈয়ে। গোলাঘাট আৱৰ্ত ভৱনত সংবাদমেল সম্বোধন কৰি উমৰাংছুৰ খনিত আবদ্ধ শ্ৰমিক কাণ্ডক লৈ আজি বিজেপি দল আৰু বিজেপি দলৰ চৰকাৰক তীব্ৰ আক্ৰমণৰ লক্ষ্য কৰি লয় সাংসদ গৌৰৱ গগৈয়ে। চৰকাৰে অবৈধ কাৰ্যকলাপ বন্ধ কৰা বুলি দাবী কৰি অহাৰ সময়তে উমৰাংছুৰ তিনকিলোত এটা ৰেট হোল মাইনিঙৰ সময়ত প্ৰায় ৯ শ্ৰমিক আবদ্ধ হৈ থকাত উদ্ধাৰ অভিযান অব্যাহত আছে। এই পৰ্যন্ত এজন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ হৈছে যদিও বাকী শ্ৰমিককৰ মৃতদেহ উদ্ধাৰ কৰিবলৈ উদ্ধাৰ অভিযান চলি থকাৰ সময়তে উমৰাংছুৰ কয়লাখনি কাণ্ডক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি অবৈধ কয়লাখননক লৈ কেবাটাও গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে গগৈয়ে। উচ্চতম ন্যায়ালয়ে কিছুমাহ পূৰ্বে দেশত অবৈধ কয়লা খনন বন্ধ কৰিব লাগে বুলি ৰায় দিছিল। কিন্তু সমগ্ৰ অসমত চৌদিশে অবৈধভাৱে কয়লা খনন চলি আছে। অসম চৰকাৰে স্পষ্ট কৰক যে পূৰ্বে কয়লা খনন বন্ধ কৰিবলৈ অসম চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছিল। আনহাতে, ৰাজ্যৰ কোন কোন ঠাইত অবৈধ কয়লাৰ খনন চলি আছে এই খবৰ আমাৰ হাতত নাই। চৰকাৰে এই তথ্য ৰাজহুৱা কৰক। গৌৰৱ গগৈয়ে জিলাসমূহত নিযুক্তি দিয়া অভিভাৱক মন্ত্ৰীৰ ভূমিকাক লৈ প্ৰশ্ন উত্থাপন কৰি যোৰহাটৰ সাংসদগৰাকীয়ে কয় যে অভিভাৱক মন্ত্ৰীসকলে কি কৰি আছিল বুলি কয়। আনহাতে, একেখন সংবাদমেলত এডভাণ্টেজ আছামৰ বাবে ব্যস্ত থকা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক উভতি ধৰি সাংসদ গগৈয়ে ইয়াৰ পূৰ্বে অনুষ্ঠিত এডভাণ্টেজ অসমত কোৱা ডাঙৰ ডাঙৰ কথাবোৰ স্মৰণ কৰে। পূৰ্বে বহু উদ্যোগৰ সৈতে বুজাবুজি চুক্তি স্বাক্ষৰ কৰা হৈছিল আৰু সেই চুক্তি স্বাক্ষৰ কৰি বিনিয়োগৰ কথা কোৱা হৈছিল। অসমবাসীয়ে জানিব বিচাৰে যে কিমান টকা ব্যয় কৰি এডভাণ্টেজ আছাম অনুষ্ঠিত কৰা হৈছিল আৰু বাস্তৱত বিনিয়োগ হৈছে নে নাই তাৰ তথ্য প্ৰকাশ কৰিবলৈ দাবী জনায়। এডভাণ্টেজ অছামৰ বাবে পেণ্ডেল হ'ব, মানুহক হোটেলত ৰাখি টকা খৰচ কৰা হ'ব কিন্তু বাস্তৱত উদ্যোগ স্থাপন নহ'ব বুলিও কয় গৌৰৱে। পঞ্চায়ত নিৰ্বাচনত বিলম্ব হোৱাত প্ৰতিক্ৰিয়া ব্যক্ত কৰি গৌৰৱ গগৈয়ে কয় যে কালি দিল্লীত মুখ্য নিৰ্বাচনী আয়ুক্তই সংবাদমেল সম্বোধন কৰি দিল্লীৰ নিৰ্বাচনৰ তাৰিখ ঘোষণা কৰে যদিও অসমৰ পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা নকৰিলে। ইয়াৰ কৰাণ কি বুলি প্ৰশ্ন কৰি সাংসদগৰাকীয়ে কয় যে ৰাজ্য চৰকাৰে সমষ্টি পুনৰ নিৰ্ধাৰণ কৰিছে। সমষ্টি পুনৰ নিৰ্ধাৰণ জনসাধাৰণৰ সুবিধাৰ বাবে কৰা হোৱা নাই। বিজেপিৰ সুবিধাৰ বাবে সমষ্টি পুনৰ নিৰ্ধাৰণ কৰা হৈছে। বিজেপি দলে সংবিধান শেষ কৰি একদলীয়া ৰাজত্ব কৰিব বিচাৰি ক্ৰমে পঞ্চায়ত নিৰ্বাচনৰ ব্যৱস্থা নাইকিয়া কৰিব বিচাৰিছে। হিমন্ত বিশ্ব শৰ্মাই ঋণ লৈ অসমত চৰকাৰ চলাই থকাৰ অভিযোগ উত্থাপন কৰি গৌৰৱ গগৈয়ে কয় যে নতুন বছৰৰ পহিলা দিনটোত মুখ্যমন্ত্ৰীয়ে কৈছে ঋণ লোৱাটো ভাল। কিন্তু তেওঁ লোৱা ঋণ কোনে পৰিশোধ সেই কথা নকলে। মন্ত্ৰীসকলৰ ঘনিষ্ঠ কোম্পানীৰ পৰা টকা লৈ ঋণ পৰিশোধ কৰিব নে বিজেপিৰ বিধায়ক-মন্ত্ৰীৰ দৰমহাৰ পৰা ঋণ পৰিশোধ কৰিব তাক লৈ প্ৰশ্ন কৰি গগৈয়ে আৰু কয় যে অসম চৰকাৰে ঋণ ল'লে ঋণ পৰিশোধ কৰিব লাগিব অসমৰ জনসাধাৰণে। যাৰ বাবে ঋণ লোৱাৰ ক্ষেত্ৰত জনসাধাৰণ সজাগ হ'ব লাগিব। মুখ্যমন্ত্ৰীয়ে অসমক ভাৰতৰ ৫ খন উন্নত ৰাজ্য কৰাৰ কথা কয়। অসমৰ কোনটো ক্ষেত্ৰত উন্নয়ন হৈছে মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰক। মুখ্যমন্ত্ৰীৰ নিজৰ উন্নয়ন হৈছে। ভাৰতৰ ধনী মুখ্যমন্ত্ৰীৰ তালিকাত অসমৰ মুখ্যমন্ত্ৰী নৱম স্থানত আছে। কিন্তু উন্নয়ন, শিক্ষা, স্বাস্থ্য ক'তো শীৰ্ষ ৫ ৰাজ্যৰ তালিকাত নাই অসম। মুখ্যমন্ত্ৰীয়ে যি গতি লৈছে সেই গতিত অসমৰ শীৰ্ষ ৫ ৰাজ্যৰ তালিকাত নাথাকে, মুখ্যমন্ত্ৰীহে ভাৰতবৰ্ষৰ ৫ জন ধনী মুখ্যমন্ত্ৰীৰ তালিকাত থাকিব। ইপিনে উমৰাংছুত যি ঘটনা ঘটিছে সেয়া চৰকাৰৰ জ্ঞাতসাৰে আৰু পৰিষদৰ বৰমুৰীয়াসকলৰ অঙহী-বঙহীসকলৰ দ্বাৰা কয়লাৰ খনন কৰাৰ অবিযোগ উত্থাপন কৰিছে কংগ্ৰেছ নেতা তথা বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই। পাৰ্বত্য জিলাখনত যিসমূহ পৰ্যটন ক্ষেত্ৰ গঢ়ি উঠিছে আটাইবোৰ কোনে গঢ়িছে সেয়া খবৰ ললে গম পাব। হাজাৰ হাজাৰ বনভূমি চিমেণ্ট কোম্পানী স্থাপনৰ বাবে দিয়া হৈছে। বনভূমিত উচ্ছেদ কৰাৰ ব্যৱস্থা হৈছিল। গোটেইবোৰ অবৈধ কাম। এনে কথাবোৰত অসম চৰকাৰৰ সংবিধানৰ শপত লৈ দায়িত্ব লোৱা বিষয়াই মাত নামাতে। এনে অবৈধ কাৰ্যত তলৰ পৰা ওপৰলৈ সকলো জড়িত। ইয়াত কমিছনৰ অংক থাকে। দেৱলাল গাৰ্লোছা হত্যাৰ গোচৰত অভিযুক্ত। চৰকাৰী বিষয়া, কাৰ্যবাহী সদস্যৰ গোচৰত অভিযুক্ত কৰিছিল। ডেনিয়েল বুলি এজন আছে, ডেনিয়েলৰ পিতৃক হত্যা কৰা বুলি মুখ্যমন্ত্ৰীৰ সন্মুখত প্ৰদৰ্শন কৰিছিল। ব্যৱস্থা দেৱলাল গাৰ্লোছাৰ পত্নী আৰু প্ৰশাসনিক বিষয়াৰ বিৰুদ্ধে হ'ব লাগে। সেইটো নকৰি কোনোবা লেবাৰ নাইবা ঠিকাদাৰক ধৰি সকলোৰে চকুত কিবা লগাব বিচাৰিছে সেইটো উচিত নহয়। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই আজি ৰাজ্যত ব্যাপক হাৰত অবৈধ কাৰ্য সংঘটিত হৈ থকা বুলি অভিযোগ উত্থাপন কৰি বিজেপি অহাৰ পিছতে সকলো অবৈধ ব্যৱসায়ীক নিৰাপত্তা দিয়া হৈছে বুলি কৈ কয় যে প্ৰশাসনিক সহায় কৰি অবৈধ ব্যৱসায়ক প্ৰশাসনিক বৈধতা দি থকা হৈছে। এই কথা বাৰে বাৰে প্ৰমাণ হৈছে। ডিমৌৰ ৰাজমাই বজাৰৰ গৰু বজাৰত অবৈধ চিণ্ডিকেট, মাৰ্ঘেৰিটাত কয়লাৰ ব্যৱসায়, দিখৌ নদীত অবৈধ শিল-বালি খনন আদি সকলোৰে চকুৰ সন্মুখত ঘটি আছে। তাৰ পিছতো প্ৰশাসনে কোনো ব্যৱস্থা লোৱা নাই। শইকীয়াই সংবাদ মাধ্যমক কয় যে অসমত কয়লা খনন কৰি মেঘালয়ত জমা কৰি মেঘালয়ৰ পাছ উলিয়াই কয়লাৰ ব্যৱসায় চলাই থকা হৈছে। মাৰ্ঘেৰিটাত ক'ল ইণ্ডিয়া লিমিটেডে বন্ধ কৰা খনিত খনন চলি আছে। বিজেপিৰ বিধায়ক সুৰেন ফুকনে গাড়ীৰ ভিডিঅ' কৰি অবৈধ কয়লাৰ সৰবৰাহ কৰা বুলি দেখুৱাইছিল। সমাজত নৈতিকতা থাকে। মুখ্যমন্ত্ৰীয়ে আসনত বহাৰ পিছতে সকলো জলাঞ্জলি দিয়াৰ অভিযোগ উত্থাপন কৰিছে শইকীয়াই। এনেদৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰক আজি ওভতি ধৰে দুই বিৰোধী নেতা গৌৰৱ গগৈ আৰু দেৱব্ৰত শইকীয়াই।

# শিৱসাগৰ জিলা পৰিষদৰ কাৰ্যালয়ত পুনৰ অভিযান

**ই-সংবাদ, শিৱসাগৰ, ৮ ডিচেম্বৰঃ** শিৱসাগৰ জিলা পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী বিষয়া তথা বৰ্তমানৰ বিটিচিৰ সচিব অশ্বিনী কুমাৰ দলেৰ পিছ এৰা নাই মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে। আয়তকৈ সম্পত্তিৰ পৰিমাণ বেছি থকা আৰু কেতবোৰ চৰকাৰী আঁচনি ৰূপায়ণত দুৰ্নীতি কৰা অভিযোগত মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে ৰুজু কৰা ১/২০২৫ নং গোচৰৰ ভিত্তিত অশ্বিনী কুমাৰ দলেৰ বিৰুদ্ধে অব্যাহত ৰাখিছে তদন্ত। যোৱা চাৰি জুনত দলেৰ বিৰুদ্ধে অভিযান চলোৱাৰ পিছত আজি পুনৰ শিৱসাগৰ জিলা পৰিষদৰ কাৰ্যালয়ত তদাৰকী কোষৰ ছয় জনীয়া দলে অভিযান চলায়। প্ৰায় ডেৰ ঘন্টা ধৰি চলোৱা অভিযানত কাৰ্যালয়টোৰ পৰা কোনো নগদ ধন উদ্ধাৰ হোৱা নাই যদিও কেতবোৰ নথি প্ৰত্ৰ জব্দ কৰে। চৰকাৰী আঁচনি সমূহ ৰূপায়নৰ ক্ষেত্ৰত অশ্বিনী দলেৰ ভূমিকা কেনে আছিল সেই সন্দৰ্ভত তদন্ত কৰিছে দলটোৱে। অন্যহাতে ছয় জনীয়া দলটোৱে জিলা পৰিষদৰ কাৰ্যালয়ৰ পিছতে শিৱসাগৰ মেটেকাস্থিত এখন বিদ্যালয়লৈ যায়। উল্লেখ্য যে তিনিবছৰ কাল শিৱসাগৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী হিচাপে থকা এচিএছ বিষয়াগৰাকীক যোৱা ২২ ডিচেম্বৰত বি টি চিৰ সচিব হিচাপে বদলিৰ নিৰ্দেশনা উলিয়াইছিল অসম চৰকাৰে। তাৰ পিছত যোৱা ৪ জানুৱাৰীত বিষয়া গৰাকীৰ শিৱসাগৰৰ কোৱাৰ্টাৰত, জিলা পৰিষদৰ কাৰ্যালয়ত, সমান্তাৰালকৈ ধেমাজিৰ গোগামুখৰ নিজা গৃহত আৰু গুৱাহাটীৰ ঘৰত অভিযান চলাইছিল মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে। ইফালে, এই তদন্তক ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত বুলি আখ্যা দিয়া দেখা গৈছে দলেৰ একাংশ ঘনিষ্ঠ তথা সমৰ্থকে।

### প্ৰতিশ্ৰুতি ৰক্ষা কৰা বুলি দাবী

# মাজুলীত মথাউৰি নিৰ্মাণৰ শুভাৰম্ভ মন্ত্ৰী পীযুষ হাজৰিকাৰ



**ই-সংবাদ, মাজুলী, ৮ জানুৱাৰীঃ** 'ছমাহৰ আগত লোকসভা নিৰ্বাচনত দিয়া প্ৰতিশ্ৰুতিসমূহ আমি আজি ৰক্ষা কৰিছো। আমি মাজুলীত ৩ পৃষ্ঠাত চাওক

# গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ নলবাৰীৰ জুমি বৰ্মনৰ



নলবাৰী জিলাৰ মুকালমুৱা (সাপকাটা) নিবাসী ভৱানীকান্ত বৰ্মন আৰু মালতী বৰ্মনৰ জ্যেষ্ঠ কন্যা জুমি বৰ্মনে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ পৰা "প্ৰাক-স্বাধীনতা কালৰ অসম সাহিত্য সভাৰ সভাপতিসকলৰ অভিভাষণত সাহিত্য চিন্তাঃ এটি অধ্যয়ন" শীৰ্ষক গৱেষণা গ্ৰন্থৰ বাবে ডক্টৰেট ডিগ্ৰী লাভ কৰিছে। তেওঁ নগাঁও ছোৱালী কলেজৰ সহযোগী অধ্যাপক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ গৱেষণা গুৰু ডঃ বিপুল মালাকাৰৰ তত্বাৱধানত উক্ত গৱেষণা কাৰ্য সম্পন্ন কৰে। জুমি বৰ্মনে সম্প্ৰতি নলবাৰীস্থিত ডি. ডি. এল হাইস্কুলৰ শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে।



কামপুৰত এক অনুষ্ঠানত নুৰুল হুদা

**প্ৰথম পৃষ্ঠাৰ পৰা...**

# উমৰাংছু কাণ্ডক লৈ সৰৱ ডেনিয়েল

অভিযান চলি থকাৰ সময়তে ডিমা হাচাওত চলি থকা অবৈধ কাম-কাজৰ বিৰুদ্ধে সৰৱ হৈছে ডিমা হাচাও ষষ্ঠ অনুসূচী সুৰক্ষা সমিতি। ডিমা হাচাও ষষ্ঠ অনুসূচী সুৰক্ষা সমিতিৰ আহ্বায়ক ডেনিয়েল লাংথাছাৰ নেতৃত্বত এটা প্ৰতিনিধি দলে ডিমা হাচাও জিলাৰ জিলা আয়ুক্তক স্মাৰক পত্ৰ প্ৰদান কৰি অবৈধ কয়লাৰ খনন কাৰ্যৰ উচিত তদন্ত কৰি দোষীক গ্ৰেপ্তাৰ কৰাৰ লগতে শাস্তি প্ৰদানৰ দাবী উত্থাপন কৰিছে। ডিমা হাচাও জিলাৰ থলগিৰিৰ অধিকাৰৰ হকে সংগ্ৰাম কৰি অহা ডিমা হাচাও ষষ্ঠ অনুসূচী সুৰক্ষা সমিতিয়ে জিলাখনৰ আয়ুক্তক প্ৰদান কৰা স্মাৰকপত্ৰযোগে উমৰাংছুৰ সকলো অবৈধ কয়লা খনন তৎক্ষণাৎ বন্ধ কৰিবলৈ দাবী জনায়। যিটো অবৈধ খনিত শ্ৰমিক আৱদ্ধ হৈ আছে সেই খনিটোৰ সৈতে কোন জড়িত সেয়া পুংখানুপুংখ তদন্তৰ দাবী জনায়। আহ্বায়ক ডেনিয়েল লাংথাছাই কয় যে মঙলবাৰে উমৰাংছুৰ তিনকিলোত অবৈধ কয়লা খনিৰ পৰা নৌসেনাৰ ডুবাৰুসকলে খনিকৰ্মীৰ মৃতদেহ উদ্ধাৰ কৰিছে। আন আঠজন খনিকৰ্মী খনিত আৱদ্ধ হৈ আছে। যাৰ ফলত ৰাজ্যখনত অবৈধ কয়লা খনন চলি থকাৰ ঘটনাৰ পোহৰলৈ আহিছে। উমৰাংছুত অবৈধ ৰেট হোল মাইনিঙৰ কাৰ্যকলাপ এক উদ্বেগজনক পৰ্যায়ত উপনীত হৈছে। শেহতীয়া দুৰ্ঘটনাটোৱে কেইবাজনো শ্ৰমিকৰ প্ৰাণ হেৰুৱালে। অনা অনুমোদিত কাৰ্যকলাপ অব্যাহত থকাত বিপদজনক পৰিস্থিতিৰ সৃষ্টি হোৱাত আক্ষেপ প্ৰকাশ কৰে। স্মাৰকপত্ৰখনত অবৈধ কয়লা খননৰ বৃহৎ হাৰত চলি থকাৰ কথা বহল উল্লেখ কৰা হয়। বৃহৎ অবৈধ খননৰ দ্বাৰা অবৈধ বিত্তীয় কাৰ্যকলাপত ইন্ধন যোগোৱা হৈছে। খননৰ দ্বাৰা ক'লা ধনৰ উপাৰ্জনত অৰিহণা যোগাইছে। অৰ্থনৈতিক স্থিৰতা হ্ৰাস পাইছে। ষষ্ঠ অনুসূচী সুৰক্ষা সমিতিৰ আহ্বায়ক ডেনিয়েল লাংথাছাই গুৰুতৰ অভিযোগ উত্থাপন কৰি কয় যে আইনী নিষেধাজ্ঞা স্বত্বেও বছৰ বছৰ ধৰি ৰেট হোল মাইনিং, অবৈধ কয়লা খনন অব্যাহত আছে। উচ্চতম ন্যায়ালয়ে ৰেট হোল মাইনিং অবৈধ বুলি ঘোষণা কৰাৰ পিছতো ডিমা হাচাওত এনেধৰণৰ খনন অবিৰতভাৱে অব্যাহত আছে। ডেনিয়েল লাংথাছাই আৰু কয় যে খনন চলি থকা আৰু খননত শ্ৰমিক আৱদ্ধ হৈ থকা কাণ্ডৰ তাৎক্ষণিক তদন্ত হ'ব লাগে। কিয়নো এই অবৈধ কামত বহু প্ৰভাৱশালী ব্যক্তি জড়িত আছে। উমৰাংছুৰ কয়লাখনি কাণ্ডৰ দ্বাৰা ৰাজ্যখনৰ অবৈধ খনিসমূহত নিয়ন্ত্ৰণহীন খনন চলি থকাটোকে সূচাইছে। এনে কয়লা খননত বিপদ আৰু প্ৰশাসনৰ বিফলতাৰ বাবে আজি নৌসেনা, সেনা আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ নিৰ্বাপক বাহিনীৰ লোকসকলে আৱদ্ধ শ্ৰমিকসকলক উদ্ধাৰৰ বাবে অক্লান্ত পৰিশ্ৰম কৰিবলগীয়া হোৱা বিষয়টোক আঙুলিয়াই দি ডেনিয়েল লাংথাছাই কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জটিলতাৰ কথা স্বীকাৰ কৰে। অবৈধ খননৰ সৈতে কণিকা হোজাইৰ নাম সাঙোৰ খাইছে। উত্তৰ কাছাৰ পাহাৰ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোছাৰ পত্নী। গতিকে সমগ্ৰ বিষয়টোৰ উচ্চ পৰ্যায়ৰ তদন্ত হ'ব লাগে বুলি দাবী জনাইছে সুৰক্ষা সমিতিয়ে।

# যোৰহাটত চুতীয়া জাতি যুৱ সন্মিলনৰ আমৰণ-অনশন

**ই-সংবাদ, যোৰহাট, ৮ জানুৱাৰীঃ** কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে অধিকাৰৰ পৰা বঞ্চিত কৰি ৰখাৰ অভিযোগত উজনি অসমৰ অন্যতম থলগিৰি চুতীয়া জনগোষ্ঠীয়ে আজিৰে পৰা আৰম্ভ কৰিছে দীঘলীয়া আন্দোলন। উজনি অসমৰ কেইবাটাও বিধানসভা সমষ্টিত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰি অহা চুতীয়া জনগোষ্ঠীয়ে ২০২৬ চনৰ নিৰ্বাচনৰ পূৰ্বে বিজেপি দল আৰু চৰকাৰক শলঠেকত পেলোৱাৰ হুংকাৰ দি আজিৰে পৰা আৰম্ভ কৰিছে আমৰণ অনশন। অন্যতম ভূমিপুত্ৰ চুতীয়া জনগোষ্ঠীক বিজেপি দলে প্ৰৱঞ্চনা কৰাৰ অভিযোগ উত্থাপন কৰি জনজাতিকৰণ আৰু স্বায়ত্ব শাসন প্ৰদানৰ দাবীত আমৰণ অনশন আৰম্ভ কৰিছে। চুতীয়া জাতি যুৱ সন্মিলনৰ কেন্দ্ৰীয় সমিতি আৰু চুতীয়া জাতি যুৱ সন্মিলনৰ বিভিন্ন জিলা সমিতিৰ সহযোগত যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত আমৰণ অনশন কৰি গৈছে। এইবাৰী চৰকাৰে জনগোষ্ঠীটোৰ দাবী মানি ন'ললে আগন্তুক নিৰ্বাচনত চুতীয়া জাতিয়ে বিজেপি বিৰোধী স্থিতি গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলি অনশনৰত নেতাসকলে উল্লেখ কৰে। বিগত সময়ত কংগ্ৰেছ চৰকাৰে চুতীয়া জাতিক জনজাতিকৰণ আৰু স্বায়ত্ব শাসন প্ৰদানৰ নামত প্ৰতাৰণা কৰিলে। সেই একেই কায়দাৰে বৰ্তমানৰ বিজেপি চৰকাৰে জনজাতিকৰণৰ নামত কেৱল প্ৰতাৰণা আৰু মিছা কথাৰে আভুৱা ভৰা বুলি ক্ষোভ প্ৰকাশ কৰে আন্দোলনৰত সংগঠনটোৰ নেতৃত্বই। মুঠ বাৰটা দাবীৰে আজিৰে পৰাআমৰণ অনশন আৰম্ভ কৰিছ চুতীয়া জাতি যুৱ সন্মিলন। খিলঞ্জীয়া ভূমিপুত্ৰ চুতীয়া জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান আৰু ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মিয়মান যোৰহাট-মাজুলী সংযোগী দলংৰ নাম চুতীয়া ৰাজ্যৰ শেষৰ গৰাকী ৰাণী বীৰাংগনা সাধনীৰ নামত নামাকৰণ কৰাৰ দাবী জনাইছে। স্বায়ত্ব শাসন প্ৰদান, চুতীয়াৰ আদিৰজা ভীষ্মকৰৰ নামত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত এখন আসন সংৰক্ষণ, চৰকাৰী কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানসমূহত চুতীয়া জনগোষ্ঠীৰ যুৱক-যুৱতীসকলৰ বাবে ১০ শতাংশ আসন সংৰক্ষণ, বিশ্ববিদ্যালয় আৰু চিকিৎসা মহাবিদ্যালয়সমূহত চুতীয়া জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ১০ শতাংশ আসন সংৰক্ষণ কৰৰ দাবী জনায়। গুৱাহাটী মহানগৰীত এছিয়াৰ প্ৰথম গৰাকী বীৰাংগনা 'বীৰাঙ্গনা ৰাণী সাধনী'ৰ এটা পূৰ্ণাংগ অৱক্ষয় মূৰ্তি নিৰ্মাণ কৰা, ৰাজ্যৰ ৰাজনীতিত চুতীয়া জনগোষ্ঠীয়ে নিৰ্ণায়ক ভূমিকা লোৱা ১৭ টা সমষ্টিত চুতীয়া জনগোষ্ঠীৰ লোকক প্ৰাৰ্থীত্ব দিয়া, পুৰাতত্ব বিভাগৰ অধীনত থকা চুতীয়া জনগোষ্ঠীৰ প্ৰাচীন মঠ-মন্দিৰ, দেৱালয়ৰ ভগ্নাৱশেষসমূহৰ সংৰক্ষণ-সংবৰ্ধনৰ ব্যৱস্থা কৰা, জনগোষ্ঠীটোৰ আৰ্থ-সামাজিক উন্নয়ন হোৱাকৈ আঁচনি কাৰ্যকৰী কৰা, প্ৰাচীন সম্পদসমূহ সংৰক্ষণৰ লগতে জনগোষ্ঠীটোৰ লোকসংস্কৃতি, পৰম্পৰা আৰু অন্যান্য বিষয়সমূহৰ ওপৰত গৱেষণা কৰিবৰ বাবে এটা সংগ্ৰহালয় তথা গবেষণা প্ৰতিষ্ঠান নিৰ্মাণ কৰাৰ দাবী জনায়। লগতে চুতীয়া জাতি যুৱ সন্মিলনৰ এটা কাৰ্যালয় নিৰ্মাণৰ বাবে গুৱাহাটীত এডোখৰ ভূমিৰ আৱণ্টন দিবলৈকো দাবী জনাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৬০ ঘণ্টীয়া অভিযানৰ অন্তত এটা

আবেলিৰে পৰা চলা অভিযানে আজি তৃতীয় দিন অতিবাহিত কৰিলে। আজি তৃতীয়টো দিনত অতি কষ্টৰে এটা মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে উদ্ধাৰকাৰী দলে। আজি পুৱাৰ ভাগত পেৰা ২১ৰ ডুবাৰুৱে ভিতৰত সোমাই কিছু সময় পাছতে মৃতদেহটো উলিয়াই আনিবলৈ সক্ষম হয়। উদ্ধাৰ হোৱা মৃতদেহটো নেপালৰ উদয়পুৰ জিলাৰ খনিকৰ্মী গংগা বাহাদুৰ শ্ৰেষ্ঠৰ বুলি চিনাক্ত কৰা হৈছে। মৃতদেহটো হাফলঙলৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছে। প্ৰশাসনে সকলো আনুষ্ঠানিকতাৰ অন্তত মৃতদেহ পৰিয়ালক চমজাই দিয়াৰ ব্যৱস্থা কৰিব বুলি জানিব পৰা গৈছে। কিন্তু এই পৰ্যন্ত অবৈধ খনিটোত কিমানজন শ্ৰমিক আৱদ্ধ হৈ আছে সেই লৈ কাৰোৰে হাতত প্ৰকৃত তথ্য নাই। কিন্তু আনুষ্ঠানিকভাৱে বৰ্তমান ৮ শ্ৰমিক আৱদ্ধ হৈ আছে বুলি কোৱা হৈছে। শ্ৰমিকসকসল জীৱিত আছে নে আটাইকেইজনৰ মৃত্যু হৈছে সেই তথ্যও কাৰোৰে হাতত নাই। কিন্তু এটা কথা স্পষ্ট হৈছে যে সেনাৰ ডুবাৰুৱে কালি তিনিটা মৃতদেহ প্ৰত্যক্ষ কৰিছিল। ইপিনে বতৰে অভিযানত বাধা দি আহিছে। কালি হোৱা বৰষুণৰ পাছতে জাৰৰ প্ৰকোপ বৃদ্ধি পোৱাৰ লগতে আকাশ মেঘাচ্ছন্ন হৈ পৰাত পোহৰৰ ব্যৱস্থাই সমস্যাত পেলাইছে ডুবাৰুক। প্ৰথম দিনটোত স্থানীয় প্ৰশাসনে অভিযান চলোৱাৰ পিছতে সেনাই অভিযানৰ দায়িত্ব লৈছিল। ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন বাহিনী, ৰাজ্যিক দুৰ্যোগ নিৰ্বাপক বাহিনীৰ সহযোগত বৰ্তমান ভাৰতীয় সেনা, নৌ সেনাৰ নেতৃত্বত উদ্ধাৰ অভিযান চলি আছিল যদিও কালি হোৱা বৰষুণত ফলত কেইটামান ঘণ্টা অভিযান স্থগিত ঘোষণা কৰিছিল। কালি সেনাৰ ডুবাৰুৱে ৩০০ ফুট দৈৰ্ঘ্যৰ অবৈধ ৰেট হল মাইনিঙৰ গাতত প্ৰায় আধা অংশলৈ সোমাইছিল যদিও উভতি আহে। কিয়নো প্ৰায় ১০০ ফুটলৈ পানী ভৰি পৰিছিল। কিন্তু সেনাৰ ডুবাৰুৱে তিনিটা মৃতদেহ প্ৰত্যক্ষ কৰিছিল। আজি পুৱাই এটা মৃতদেহ উলিয়াই আনিবলৈ সক্ষম হৈছে। সেনা আৰু নৌ সেনাই উদ্ধাৰ অভিযানৰ প্ৰণালী সলনি কৰিছে। কিয়নো সেনা আৰু নৌ সেনাই বিশেষ বিমানেৰে পানী নিষ্কাশণৰ বাবে অত্যাধিক মেচিন এটা আনিছে। লগতে অ'এনজিচিৰ পৰা এটা পানী নিষ্কাষণৰ অত্যাধুনিক মেচিন অনা হৈছে। পূৰ্বে পানী নিষ্কাশণৰ মেচিন ব্যৱহাৰ কৰে যদিও এই অভিযান সফল কৰিবলৈ যাওতে বাৰে বাৰে পানী বিৰাট প্ৰত্যাহ্বান হৈ পৰিছে। প্ৰথনে পানী নিষ্কাশন কৰিব পাৰিলেহে গোটেই কেইটা মৃতদেহ ৩০০ ফুট দৈৰ্ঘ্যৰ সুৰংগটোৰ পৰা উলিয়াই আনিবলৈ সম্ভৱ হ'ব। কালি বিশাখাপট্টনমৰ পৰা অহা নৌ সেনাৰ বিশেষ দলেটোত আছে বিশেষজ্ঞ ডুবাৰু। এই ডুবাৰুৱে অভিযানত বিশেষভাৱে সহায় কৰিছে বুলি জানিব পৰা গৈছে। আজিৰে পৰা উদ্ধাৰ অভিযানত থাকিব অ'এনজিচি আৰু ক'ল ইণ্ডিয়াৰ এটা বিশেষজ্ঞৰ দল। উদ্ধাৰ অভিযানস্থলীত উপস্থিত থকা সেনা আৰু নৌ সেনাৰ বিষয়াই কয় যে গভীৰ পানীৰ সুৰংগত অভিযান চলোৱাৰ সময়ত প্ৰত্যাহ্বান হৈ পৰিছে পানী। বাৰে বাৰে পানী ভৰি অহাত অভিযানত সফলতা লাভ কৰিব পৰা হোৱা নাই। যাৰ বাবে আমি অত্যাধুনিক যন্ত্ৰ-পাতি অনাৰ ব্যৱস্থা কৰিছো। ভিতৰত আন্ধাৰ পৰিৱেশৰ বাবে অভিযানত বিলম্ব হোৱাৰ কথা প্ৰকাশ কৰিছে বিষয়াসকলে। খনি আৰু খনিজাত বিভাগৰ মন্ত্ৰী কৌশিক ৰায়, জিলাখনৰ অভিভাৱক মন্ত্ৰী ৰূপেশ গোৱালা, ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাই বিষয়টো নজৰত ৰাখিছে। আজি খনি আৰু খনিজাত বিভাগৰ মন্ত্ৰী কৌশিক ৰায় কয় যে ৰাজ্য চৰকাৰৰ সকলো বিভাগৰ লগতে সেনা, নৌ সেনাৰ দলে অভিযান অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সমগ্ৰ বিষয়টো পৰ্যবেক্ষণত ৰাখিছে। ইপিনে জিলাখনৰ অভিভাৱক মন্ত্ৰী ৰূপেশ গোৱালাই কয় আমি কেৱল উদ্ধাৰ অভিযানত গুৰুত্ব দিছো। শ্ৰমিকক ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিব লাগিব। স্থানীয় ৰাইজে প্ৰকাশ কৰা মতে, উমৰাংছুৰ তিনকিলোত কেইবাটাও অবৈধ ৰেট হোল মাইনিং পূৰ্বেই কৰা হৈছে। সেইবোৰ বৃহৎ গাত হৈয়ে আছে। সেই গাতবোৰৰ পৰা কয়লা উলিওৱা সম্পূৰ্ণ হৈছে। সেই গাতত পানী ভৰ্তি হৈ থাকে। নতুনকৈ খনন কৰি থকাৰ সময়তে পুৰণি গাতৰ সৈতে সংযোগ হৈ পৰাত পানী এনেদৰে গাতত সোমোৱা বুলি দাবী কৰিছে ৰাইজে। নেপাল, পশ্চিমবংগ আৰু ৰাজ্যৰ কেইবাটাও দৰিদ্ৰ পৰিয়ালৰ কেইবাগৰাকী খাটিখোৱা শ্ৰমিক আৱদ্ধ হৈ থকাত পৰিয়ালসমূহত কান্দোৰ ৰোল শুনা গৈছে। আৱদ্ধ একাংশ শ্ৰমিকৰ পৰিয়ালৰ লোক উদ্ধাৰ অভিযানথলীত উপস্থিত হৈ আপোনজনক চাবলৈ ৰৈ আছে। কিন্তু তেওঁলোকে নাজানে তেওঁলোকৰ আপোনজন জীৱিত আছে নে নাই। আজি তৃতীয় দিনটোত গুৱাহাটীৰ পৰা প্ৰথমগৰাকী আৰক্ষী বিষয়া উপস্থিত হয়। বিশেষ আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিং উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। সিঙে কিছু সময় ধৈৰ্য ধৰিবলৈ আহ্বান জনাইছে। সুৰংগৰ পৰা পানী নিষ্কাশনৰ প্ৰচেষ্টা অব্যাহত আছে, যদিও পানীৰ স্তৰ হ্ৰাস হোৱা নাই। আমি আশা কৰো যে আৰঅ'ভি সুৰংগবোৰত প্ৰৱেশ কৰাৰ পিছত পৰিস্থিতিৰ এক স্পষ্ট ছবি পাম। ভাৰতীয় সেনা, নৌ সেনা আৰু এনডিআৰএফৰ ডুবাৰুৱে নেৰানেপেৰা অভিযান চলাই গৈছে যদিও ৰাজ্য চৰকাৰৰ তৎপৰতা অতি লক্ষ্যণীয়। অবৈধভাৱে ৰেট হোল মাইনিং কৰা বুলি প্ৰমাণিত খনিটো অসম খনিজ উন্নয়ন নিগমৰ আওতাত নাছিল। তাৰ মানে খনিটোত অবৈধভাৱে খনন কৰা হৈছিল। এই খনন কাৰ্য চলাইছিল খোদ বিজেপিৰ নেতা তথা ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাৰ পত্নী কণিকা হোজাইয়ে। এই অভিযোগ স্থানীয় লোক আৰু একাংশ নাম প্ৰকাশত অনিচ্ছুক বিজেপি নেতাই প্ৰকাশ কৰিছে। বিজেপি নেতা তথা উত্তৰ কাছাৰ পাৰ্বত্য পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গৰ্লোছাৰ পত্নী কণিকা হোজাইয়ে খন্দা গাতত পৰা শ্ৰমিক আৱদ্ধ হৈ থকাত ৰাজ্য চৰকাৰে কণিকা হোজাইৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিবলৈ সাহস গোটাব পৰা নাই। বিৰোধীৰ একাংশ নেতাৰ মতে, কণিকাক স্থানীয় প্ৰশাসনে ৰক্ষণা-বেক্ষণ দিছে। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাটো দূৰৰ কথা দেৱলালৰ পত্নী কণিকাৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিব পৰা নাই। কেৱল এজন মেনেজাৰক গ্ৰেপ্তাৰ কৰি দায়িত্ব সামৰিছে প্ৰশাসনে। বিজেপি চৰকাৰৰ পৃষ্ঠপোষকতাতে মাৰ্ঘেৰিটাৰ পৰা উমৰাংছুলৈকে অবৈধ কয়লা খনিসমূহ মৃত্যু উপত্যকাত পৰিণত হৈছে। কেৱল উমৰাংছুতে নহয়। জাগুন, টিপং, লিডু, মাৰ্ঘেৰিটা, জিচুবাই, কয়লাজান, লাৰ্বো, আৰ্ধা আদি ঠাইত অবৈধ কয়লাৰ ৰেট হোল মাইনিং আৰু সৰবৰাহ অব্যাহত আছে। মাৰ্ঘেৰিটা আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ পাটকাই পৰ্বতত উমৰাংছুত অভিযান চলি থকাৰ সময়তো চোৰাং কয়লা ব্যৱসায়ীয়ে খনন চলাই গৈছে। অবৈধ আণ্ডাৰগ্ৰাউণ্ড মাইনিঙত কৰ্মৰত শ্ৰমিকৰ মৃত্যু বাৰে বাৰে হৈ আহিছে। ২০২৩ চনত লালমাটিৰ অবৈধ কয়লাখনিত দুই শ্ৰমিকৰ মৃত্যু হৈছিল। অবৈধ আণ্ডাৰগ্ৰাউণ্ড মাইনিঙত কাম কৰি থাকোতে বিষাক্ত গেছ নিৰ্গত হৈ মৃত্যুমুখত পৰিছিল। ইফালে, আজি ঘটনাস্থলী পৰিদৰ্শন কৰে প্ৰদেশ কংগ্ৰেছৰ এটা প্ৰতিনিধি দলে। বিধায়ক তথা কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰৰ নেতৃত্বত যোৱা দলটোৱে উমৰাংছুৰ কয়লা খনিত অবৈধ খনন চলাবলৈ অনুমতি দিয়া ৰজাঘৰীয়াৰ বিৰুদ্ধে তদন্তৰ দাবী উত্থাপন কৰিছে। ৰজাঘৰৰ আশীৰ্বাদ নাথাকিলে এনেদৰে অবৈধ কয়লা খনন সম্ভৱ নহয় বুলি আজি অভিযোগ কৰিছে ঘটনাস্থলী পৰিদৰ্শন কৰিবলৈ যোৱা অসম প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰে। এক বিবৃতিত কংগ্ৰেছ নেতাজনে কয় যে সমগ্ৰ ঘটনা ইমানেই মৰ্মস্পৰ্শী যে এতিয়ালৈকে আৱদ্ধ শ্ৰমিকৰ এটা মৃতদেহহে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। পেটৰ তাড়নাত জীৱিকাৰ সন্ধানত কয়লা খনিত কাম কৰা এই শ্ৰমিকসকলক কোনো সুৰক্ষা ব্যৱস্থা নথকাকৈ কাম কৰোৱা হৈছিল। এই অবৈধ খনিৰ লগত বিজেপি নেতা দেৱলাল গাৰ্লোছা আৰু তেওঁৰ পত্নী কণিকা হোজাইৰ নাম জড়িত হৈ আছে বুলি উল্লেখ কৰি শিকদাৰে কয় যে দোষীয়ে শাস্তি নোপোৱালৈকে কংগ্ৰেছ দল শান্ত নহয়। জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকক সাক্ষাৎ কৰি কংগ্ৰেছৰ প্ৰতিনিধি দলটোৱে অধিক তৎপৰতাৰে উদ্ধাৰ প্ৰক্ৰিয়া কৰিব লাগে বুলি দাবী জনোৱাৰ লগতে এই ঘটনাত আহত আৰু নিহত লোকসকলৰ পৰিয়ালক সঠিকভাৱে ক্ষতিপূৰণ দিয়াৰ দাবী জনায়। কংগ্ৰেছৰ প্ৰতিনিধি দলটোত উপ-সভাপতি নৃপেন ঠাকুৰীয়া, সেৱা দলৰ অধ্যক্ষ দীপ বায়ন, বিধায়ক ৰশ্বিদ মণ্ডল, সম্পাদক শান্তনু শৰ্মা আৰু ডিমা হাছাও জিলা কংগ্ৰেছৰ সভাপতিগৰাকী উপস্থিত থাকে।

# বৰপেটাৰ গুণোৎসৱত অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ অংশগ্ৰহণ



**ই-সংবাদ, বৰপেটাৰোড, ৮ জানুৱাৰীঃ** বৰপেটাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি জিলাখনৰ তিনিখন বিদ্যালয় পৰিদৰ্শন কৰি গুণোৎসৱৰ বুজ লয়। চলিত ৭, ৮ জানুৱাৰীৰ পৰা ৯ জানুৱাৰীলৈ সমগ্ৰ বৰপেটা জিলাৰ ২০৫৮ খন বিদ্যালয়ত গুণোৎসৱ ২০২৫ চলি আছে আৰু এই গুণোৎসৱত ২,৩০,৮৪২ গৰাকী ছাত্ৰ-ছাত্ৰী জড়িত হৈ আছে। পাটোৱাৰীৰ লগত বৰপেটা জিলাৰ আয়ুক্ত ৰোহন কুমাৰ ঝা, অতিৰিক্ত জিলা আয়ুক্ত (শিক্ষা) জয়ন্ত বৰাৰ লগতে জিলাখনৰ আন আন বিষয়াসকলো উপস্থিত থাকে। মন্ত্ৰীগৰাকীয়ে দৃঢ়তাৰে কয় যে গুণোৎসৱে বিদ্যালয়সমূহৰ শিক্ষণ প্ৰক্ৰিয়া আৰু পৰিৱেশ বৃদ্ধি কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ আত্মবিশ্বাস বৃদ্ধি কৰিব। পাটোৱাৰীয়ে তেওঁ ভ্ৰমণ কৰা তিনিখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে মত বিনিময় কৰে। বিদ্যালয়কেইখন হ'ল বৰপেটাৰ দলাহাটী জুনিয়ৰ বেচিক স্কুল, পৰমেশ তালুকদাৰ ইউ এম বিদ্যালয় আৰু বৰপেটাৰ কস্তুৰবা গান্ধী বালিকা বিদ্যালয়। ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰী পাটোৱাৰীয়ে তেওঁলোকৰ আশা আৰু আকাংক্ষাৰ বিষয়ে সোধা-পোছা কৰি তেওঁলোকক অধিক উৎপাদনশীল নাগৰিক হ'বলৈ উৎসাহিত কৰে। একে সময়তে শিক্ষক আৰু অভিভাৱকসকলক ছাত্ৰ-ছাত্ৰীসকলক নিৰীক্ষণ কৰি তেওঁলোকৰ প্ৰয়োজন অনুযায়ী পথ প্ৰদৰ্শন কৰিবলৈ আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক পাঠ্যক্ৰমৰ বাহিৰৰ কাম-কাজ চলাবলৈও আহ্বান জনোৱাৰ লগতে তেওঁলোকৰ প্ৰতিভাক নিখুঁত কৰিবলৈ আহ্বান জনায়। কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত মন্ত্ৰীগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে এক ৰুচিকৰ মধ্যাহ্ন ভোজনত অংশগ্ৰহণ কৰি ইয়াক হৃদয়স্পৰ্শী আৰু সতেজ অভিজ্ঞতা বুলি অভিহিত কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী নেতৃত্বৰ দ্বাৰা পৰিচালিত ৰাজ্যৰ শিক্ষা খণ্ডৰ অগ্ৰগতি আৰু উন্নয়নৰ প্ৰমাণ ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল মুখত প্ৰতিফলিত হৈছে বুলি মন্ত্ৰীগৰাকীয়ে ব্যক্ত কৰে। গুণোৎসৱ কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীৰ শিক্ষণ ফলাফল আৰু বিদ্যালয়ৰ প্ৰদৰ্শনৰ মূল্যায়ন আৰু বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। চৰকাৰী বিষয়াসকলক বাহ্যিক মূল্যায়ক হিচাপে নিযুক্তি দিয়া হয়।

## বিদ্যুৎ সেৱা ব্যাহত, ৰাইজৰ মাজত হাহাকাৰ এক পৰিস্থিতি

# মাজুলীত প্ৰচণ্ড শিলা বৃষ্টিত বিস্তৰ ক্ষতি, মূৰে-কপালে হাত দিছে কৃষকে

**ই-সংবাদ, মাজুলী, ৮ জানুৱাৰীঃ** মাজুলীত মঙলবাৰে সন্ধিয়া হোৱা প্ৰচণ্ড শিলাবৃষ্টিত বিভিন্ন স্থানত বিস্তৰ ক্ষতি হয়। শিলাবৃষ্টিৰ লগতে অহা বতাহৰ ফলত বহু ঠাইত গছ ভাঙি পৰাত বিদ্যুৎ সেৱা ব্যাহত হৈ আছে মাজুলীত। শিলাবৃষ্টিৰ ফলত মাজুলীত বহু পৰিয়ালৰ টিনপাত ফুটি ঘৰৰ ভিতৰত শিলাময় হৈ পৰাৰ লগতে পৰিয়ালসমূহৰ ভিতৰৰ বহু সামগ্ৰী অনিষ্ট হোৱাৰ খবৰ পোৱা গৈছে। বহু পৰিয়ালৰ এতিয়া ঘৰৰ ভিতৰ-বাহিৰ, শোৱনি কোঠা সকলোতে কেৱল শিল। শিলাবৃষ্টিৰে অনিষ্ট কৰিছে কৃষিজিৱী বহু পৰিয়ালৰ কৃষি ফাৰ্মসমূহ। ছিঙি পেলাইছে জাতিলাও, ৰঙলাও, তিয়হৰ কৃষিসমূহ। শিলাবৃষ্টিৰে পুতি পেলাইছে কবি আলু, মূলা, ধনীয়া, পালেঙকে আদি কৰি ৰবিশস্যৰ পথাৰসমূহ। মাজুলীত এতিয়া মাটিমাহ তোলাৰ সময়। বহু কৃষকে মাটিমাহ তুলিবৰ বাবে ব্যৱস্থা কৰিছিলহে মাথো। হঠাৎ অহা শিলাবৃষ্টি আৰু বতাহে মাটিমাহ শিলেৰে পুতি পেলোৱাৰ লগতে যিসমূহ তুলিবলৈ আছিল সেই সমূহো অনিষ্ট কৰিছে। মাজুলীৰ বিঘাই বিঘাই সৰিয়হৰ কৃষিসমূহ অনিষ্ট কৰিছে শিলাবৃষ্টিয়ে। সৰিয়হ কৃষিৰে স্বাৱলম্বী হোৱাৰ সপোন দেখা মাজুলীৰ কৃষকসকললৈ নামি আহিছে অমানিশা। এতিয়া কৃষকসকলে হুমুনিয়াহ কাঢ়িবলগা হৈছে। বতাহৰ ফলত পথত গছ বাগৰি পৰাত মাজুলী কেবাটাও পথ যাতায়তৰ বাবেও সমস্যাৰ সৃষ্টি হৈছে বুলি জানিব পৰা গৈছে। এই প্ৰচণ্ড শিলাবৃষ্টি আৰু বতাহে বহু অনিষ্ট কৰিলে কৃষিজীৱি মাজুলীবাসীক।




**সোৱণশিৰিৰ চানং কলানীৰ পৰা লুইত খাবলু ঘাটলৈ মথাউৰি নিৰ্মাণ আঁচনিৰ শুভাৰম্ভণিত মন্ত্ৰী পীযুষ হাজৰিকা**

# ৰৌমাৰীত সদৌ অসম দেৱ দামোদৰ সংঘৰ চতুৰ্থ বাৰ্ষিক ধৰ্মীয় সভাৰ লাইখুঁটা স্থাপন

**ই-সংবাদ, লাহৰীঘাট, ৮ জানুৱাৰীঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটৰ ৰৌমাৰীত সদৌ অসম দেৱদামোদৰ সংঘ, মৰিগাঁও জিলাৰ চতুৰ্থ বাৰ্ষিক ধৰ্মীয় সভাৰ আজি লাইখুঁটা স্থাপন কৰা হয়। ধৰ্মীয় ৰীতি-নীতি, মাংগলিক নিয়মেৰে ৰৌমাৰীৰ প্ৰয়াত ভেলুৱা কোঁৱৰ সমন্বয় ক্ষেত্ৰত মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে লাইখুঁটা স্থাপন কৰে। এই উপলক্ষে ভকত বৈষ্ণৱসকলৰ নাম-কীৰ্তনেৰে দ্বিতীয় বৈকুণ্ঠ পুৰীত পৰিণত হয় সমন্বয় ক্ষেত্ৰ। উল্লেখ্য যে জামাদাৰী আঞ্চলিক দেৱদামোদৰ সংঘৰ সৌজন্যত ১ নং ৰৌমাৰী প্ৰাথমিক দেৱদামোদৰ সংঘৰ আমন্ত্ৰণত অহা ৩১ জানুৱাৰী আৰু ১ ফেব্ৰুৱাৰীত দুদিনীয়াকৈ অনুষ্ঠিত হ'ব সংঘৰ ধৰ্মীয় সভাখন। এই উপলক্ষে আজি প্ৰয়াত ভেলুৱা কোঁৱৰ সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত লাইখুঁটা স্থাপন কাৰ্যসূচীত বিধায়ক ৰমাকান্ত দেউৰী উপস্থিত হৈ ভকত বৈষ্ণৱসকলৰ সৈতে লাইখুঁটা স্থাপন কৰে। ইয়াৰ পাছতে এখন সভা অনুষ্ঠিত হয়। সভাখনত বিধায়ক দেউৰীয়ে জনজাতীয় লোকসকলক অন্য ধৰ্মৰ আগ্ৰাসনৰ বলি নহৈ গুৰুজনাৰ ধৰ্মত দিক্ষীত হ'বলৈ আহ্বান জনায়। ইফালে অসমীয়া সমাজখনৰ বিশৃংখলতাৰ বাবে বহু অসমীয়াই তথা জনজাতীয় লোকে খ্ৰীষ্টান, বৌদ্ধ আদিকে ধৰি বিভিন্ন ধৰ্মত দীক্ষা লৈছে আৰু মাজুলীৰ দৰে ধৰ্মীয় প্ৰাণ কেন্দ্ৰত অৰ্ধশতাধিক গীৰ্জাৰ স্থাপন হোৱাটো অতি দুৰ্ভাগ্যজনক বুলি আক্ষেপ প্ৰকাশ কৰে। সভাখনত বিধায়কগৰাকীৰ লগতে উপস্থিত থাকে তিৱা স্বায়ত্ত পৰিষদৰ প্ৰাক্তন উপ-মুখ্য কাৰ্যবাহী সদস্য বিপিন চন্দ্ৰ বৰদলৈ, কুশতলি-নিজ গেৰুৱা মণ্ডল বিজেপিৰ সভাপতি ৰাজেন সেনাপতি, গেৰুৱা কবিৰাম বড়ো ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ প্ৰশান্ত হাজৰিকা, বৰালিমাৰী সমবায় সমিতিৰ প্ৰাক্তন সভাপতি ভোগেশ্বৰ বৰদলৈ, সংঘৰ সন্ত আচাৰ্য বিপিন বৰদলৈ, অভ্যৰ্থনা সমিতিৰ সভাপতি বিনেন্দ্ৰ কোঁৱৰ, সম্পাদক কিৰণ সেনাপতি, উপ-সভাপতি লক্ষী কোঁৱৰ, জামাদাৰী আঞ্চলিক দেৱদামোদৰ সংঘৰ সভাপতি সোনেশ্বৰ বৰদলৈ, সম্পাদক চুচিল পাতৰসহ সংঘৰ বিষয়ববীয়াসকল। লাইখুঁটা স্থাপন কাৰ্যসূচীটো পৰিচালনাত আঁত ধৰে অঞ্চলটোৰ বিশিষ্ট কবি দিলীপ দাসে। উল্লেখ্য যে আগন্তুক ধৰ্মীয় সভাক লৈ এতিয়া ব্যাপক প্ৰস্তুতি চলিছে সংঘৰ ভকত বৈষ্ণৱসকলৰ মাজত। এই ধৰ্মীয় সভালৈ ৰাইজৰ সহযোগিতা কামনা কৰিছে সংঘৰ বিষয়ববীয়া সকলে।

# চাফাই কৰ্মচাৰী আয়োগৰ অধ্যক্ষৰ বৰপেটাৰোডৰ হৰিজন কলনী পৰিদৰ্শন

**ই-সংবাদ, বৰপেটাৰোড, ৮ জানুৱাৰীঃ** অসম ৰাজ্যিক চাফাই কৰ্মচাৰী আয়োগৰ অধ্যক্ষ বৈজনাথ বাছফোৰে আজি বৰপেটাৰোড চহৰৰ কেইবাটাও হৰিজন কল'নীলৈ গৈ হৰিজন সম্প্ৰদায়ৰ দৈনন্দিন জীৱন-যাপনৰ মান আৰু সমস্যাৰ বুজ লয়। হৰিজন সম্প্ৰদায়ৰ লোকসকলে চৰকাৰী সাহায্য পাইছে নে নাই শিক্ষা, চিকিৎসাৰ সুবিধা পাইছে নে নাই তাৰো খবৰ লয় অধ্যক্ষগৰাকীয়ে। অধ্যক্ষগৰাকীয়ে বৰপেটাৰোড পৌৰসভাৰ ৯নং ৱাৰ্ডত থকা হৰিজন কল'নীত হৰিজন সম্প্ৰদায়ৰ পুৰুষ-মহিলাসকলক লৈ এখন সভাৰ আয়োজন কৰে। সভাত ৯নং ৱাৰ্ডৰ ৱাৰ্ড মেম্বাৰ সুৰেশ চৌধুৰীৰ লগতে কেবাজনো সন্মানীয় ব্যক্তি উপস্থিত থাকে। ইয়াৰ লগতে বৰপেটাৰোড পৌৰসভাৰ পৌৰপতি ৰাজেশ সৰকাৰৰ লগতো মত বিনিময় কৰে অসম ৰাজ্যিক চাফাই কৰ্মচাৰী আয়োগৰ অধ্যক্ষ বৈজনাথ বাছফোৰে। তদুপৰি বৰপেটা জিলা আৰু বাক্সা জিলাৰ ভিন্ন স্থানত থকা হৰিজন সম্প্ৰদায়ৰ লোকসকলৰ অৱস্থাৰ বুজ লয়।

# মালৌখাতত অনুসূচিত জাতি যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় দ্বিতীয় বাৰ্ষিক অধিৱেশন

**ই-সংবাদ, পশ্চিম যোৰহাট, ৮ জানুৱাৰীঃ** অনুসূচিত জাতি যুৱ-ছাত্ৰ পৰিষদ, অসমৰ কেন্দ্ৰী য় দ্বিতীয় বাৰ্ষিক অধিৱেশন যোৰহাট জিলা সমিতিৰ উদ্যোগত উত্তৰ-পশ্চিম যোৰহাট আঞ্চলিক সমিতি আৰু স্থানীয় ৰাইজৰ সহযোগত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে যোৰহাট মালৌখাতৰ 'সতী ৰাধিকা আই ক্ষেত্ৰ'ত অনুষ্ঠিত হৈছে। আজি পুৱা মূল তোৰণ উদ্বোধনৰ পাছতে গ্ৰন্থমেলা আৰু প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰা হয়। এই প্ৰদৰ্শনী আৰু গ্ৰন্থমেলাস্থলীত বহুকেইখন কিতাপৰ দোকানৰ লগতে সাজ-পোচাক, খাদ্য-সামগ্ৰী, ভোগালী বিহুৰ জা-জলপান, ফল-মূল আৰু নাৰ্চাৰীৰ সামগ্ৰী বিক্ৰী কৰা হৈছে। প্ৰতিনিধিসকলৰ নাম পঞ্জীয়নৰ পাছতে শিবিৰ মুকলি কৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ আনন্দ দাসে। সন্ধিয়া বন্তি প্ৰজ্বলনৰ পাছৰে পৰা কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হৈ থকাৰ লগতে মালৌখাত গাঁৱৰ চেমনীয়াসকলে অভিনয় কৰা ভাওনাৰ শুভাৰম্ভ কৰে প্ৰৱক্তা জয়ন্তজিৎ সেনাপতিয়ে। ৯ জানুৱাৰীত পুৱা কেন্দ্ৰীয় সভাপতি ৰুবুল দাসে পতাকা উত্তোলন কৰাৰ পাছতে প্ৰয়াত সতীৰ্থক স্মৰণ কৰিব। শ্ৰদ্ধাঞ্জলিৰ পাছতে গছপুলি ৰোপণ, শিক্ষাৰ্থীসকলৰ অংশগ্ৰহণৰে দিনৰ ১২ বজাৰ পৰা ৰচনা, চিত্ৰাংকন, কুইজ, কবিতা আবৃত্তি আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিয়লি ৩ বজাৰ পৰা সাংবাদিকসকলৰ সৈতে সম্প্ৰীতিৰ মেল আৰু তাৰ পাছতেই আই মাতৃসকলে দিহানাম পৰিৱেশন কৰিব। নিশা অনুষ্ঠিত হ'ব সাংস্কৃতিক অনুষ্ঠান আৰু কেন্দ্ৰীয় প্ৰতিনিধি সভা। ১০ জানুৱাৰীত পুৱা শোভাযাত্ৰাৰ পাছতে দিনৰ ১২ বজাৰ পৰা হ'বলগীয়া মুকলি সভাত স্মৃতিগ্ৰন্থ উন্মোচনৰ লগতে ভালেকেইগৰাকী বক্তাই বক্তৃতা প্ৰদান কৰিব। তিতাবৰৰ সৰুপাই দাস ওজাক 'সুধাকণ্ঠ সোঁৱৰণী শিল্পী বঁটা-২০২৪' প্ৰদান কৰা হ'ব। অনুষ্ঠানত ৰাইজৰ উপস্থিতি আয়োজকসকলে কামনা কৰিছে।




উমৰাংছুত পৰিস্থিতিৰ বুজ ল'বলৈ যোৱা প্ৰদেশ কংগ্ৰেছৰ প্ৰতিনিধি দলটো

# ২নং বৰঙণি সমষ্টিত এদিনতে ৯ টা পথৰ আধাৰশিলা

**ই-সংবাদ, লাহৰীঘাট, ৮ জানুৱাৰীঃ** তিৱা স্বায়ত্ত পৰিষদৰ অন্তৰ্গত ২ নং বৰঙণি সমষ্টিত আজি ৯ টাকৈ গ্ৰাম্য পথৰ আধাৰশিলা স্থাপন কৰে স্বায়ত্ত পৰিষদৰ উপাধ্যক্ষ অংকুৰ দেউৰীয়ে। মৰিগাঁও জিলাৰ তথা তিৱা স্বায়ত্ত পৰিষদৰ অন্তৰ্গত ২ নং বৰঙণি সমষ্টিৰ সদস্য, উপাধ্যক্ষ অংকুৰ দেউৰীয়ে নিজা সমষ্টিটোৰ অন্তৰ্গত কুশতলি, লাউভুৰুংগা, ধূপগুৰি, শিঙাহেৰুৱা আদিকে ধৰি কেইবা ঠাইতো নতুনকৈ নিৰ্মাণ কৰিব লগা ৯ টাকৈ পথৰ আধাৰশিলা স্থাপন কৰা হয়। উল্লেখ্য যে তিৱা স্বায়ত্ত পৰিষদে চৰকাৰৰ পৰা লাভ কৰা উন্নয়ন পুঁজিৰে আন আন সমষ্টিসমূহৰ লগতে উপাধ্যক্ষ অংকুৰ দেউৰীয়ে নিজা সমষ্টিটোৰ দুৰ্গম পথসমূহত যাতায়াত ব্যৱস্থা সুচল কৰি তোলাৰ উদ্দেশ্যে পথসমূহ উন্নয়নত গুৰুত্ব দিয়ে। সেই অনুসৰি উপাধ্যক্ষগৰাকীয়ে পথসমূহ আনুষ্ঠানিকভাৱে আধাৰশিলা স্থাপন কৰে। এই কাৰ্যসূচীত বিভাগীয়ভাৱে উপস্থিত থাকে মৰিগাঁও লোক নিৰ্মাণ বিভাগৰ অভিযন্তা কবিৰ ডেকাৰ লগতে স্থানীয় কেইবাগৰাকীও বিশিষ্ট ব্যক্তি। উল্লেখ্য যে তিৱা স্বায়ত্ত পৰিষদৰ উন্নয়ন আৰু বিকাশৰ বাবে ৰাজ্য চৰকাৰে পৰিষদলৈ এশ কোটি টকা মোকলাই দিয়াত ভিতৰুৱা অঞ্চলসমূহৰ ৰাস্তা-ঘাট আদি উন্নয়ন কৰিবলৈ সক্ষম হোৱা বুলি কৈ উপাধ্যক্ষ উপাধ্যক্ষগৰাকীয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক কৃতজ্ঞতা জনায়। ইফালে, উপাধ্যক্ষগৰাকীয়ে নিজা সমষ্টিটোৰ ৰাস্তা ঘাট নিৰ্মাণত গুৰুত্ব দিয়াত আনন্দিত হৈছে স্থানীয় ৰাইজ।

# চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে জ্ঞানদ্বীপ একাডেমিৰ দশম বাৰ্ষিক অধিৱেশন আৰম্ভ

**ই-সংবাদ, শিমলীতোলা, ৮ জানুৱাৰীঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত আগশাৰীৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয় জ্ঞানদ্বীপ একাডেমিৰ দশম বাৰ্ষিক অধিৱেশন আজিৰে পৰা ৯, ১০ আৰু ১১ জানুৱাৰীলৈ চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে আৰম্ভ হৈছে। আজি পুৱা ৮ বজাত জ্ঞানদ্বীপ একাডেমিৰ ৰেক্টৰ তৈয়ব আলী শ্বেখে পতাকা উত্তোলনেৰে আৰম্ভ কৰা অধিৱেশনৰ প্ৰত্যেক দিনতে বিভিন্ন কাৰ্যসূচী যেনে সমাজ সেৱা, গজল, কোৰাণ পাঠ, আকস্মিক বক্তৃতা, তৰ্ক, সাধাৰণ খেল-ধেমালি, ভেশচন প্ৰতিযোগিতা, সাংস্কৃতিক অনুষ্ঠান, চিত্ৰাংকন ইত্যাদি বিভিন্ন প্ৰতিযোগিতামূলক অনুষ্ঠানৰ আয়োজন কৰাৰ উপৰি কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা প্ৰদান অনুষ্ঠানো আয়োজন কৰা হৈছে। দ্বিতীয় দিনা আবেলি ১ বজাত জ্ঞানদীপ একাডেমিৰ অধ্যক্ষ হুছনি আদিল শ্বাহৰ পৌৰোহিত্যে অনুষ্ঠিত হ'ব লগা মুকলি আৰু বঁটা বিতৰণী সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা মোঃ ৰফিকুল ইছলাম। উক্ত সভাত বিশেষ অতিথি হিচাপে উপস্থিত থাকিব বিশিষ্ট বক্তা চি কে জাগদিশ, সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব বিঃ প্ৰঃ চঃ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ আবুল বাসাৰ, খেৰোপাৰাৰ পি ডি ইউ ছিঃ ছেঃ স্কুলৰ অধ্যক্ষ নিৰ্মল চন্দ্ৰ কলিতা, বাঘমাৰা চৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ তাইজুদ্দিন সৰকাৰৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকি শৈক্ষিক দিশত ভাষণ প্ৰদান কৰিব। শেষ দিনাৰ পুৱা ১১ বজাত আমন্ত্ৰিত কণ্ঠশিল্পীৰ সংগীতানুষ্ঠানৰ আয়োজন কৰা হৈছে। প্ৰতিটো কাৰ্যসূচীতে ছাত্ৰ-ছাত্ৰী, অভিভাৱক, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ লগতে ৰাইজৰ উপস্থিত তথা সহায়-সহযোগিতা জ্ঞানদীপ একাডেমি ছাত্ৰ একতা সভাৰ তৰফৰ পৰা আন্তৰিকতাৰে কামনা কৰা হৈছে।




লক্ষ্য পঞ্চায়ত নিৰ্বাচন, ৰঙিয়াৰ তৰণীত বিজেপিৰ বিশাল সভা

# নগাঁৱৰ চলচলিৰ জলাহত ভূ-মাফিয়াৰ দপদপনি, নৈনে নৈত চলাইছে অবৈধ খনন



**ই-সংবাদ, পুৰণিগুদাম, ৮ জানুৱাৰীঃ** নগাঁও জিলাৰ চামগুৰি ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ অধীনৰ চলচলি জলাহৰ ননৈ নৈত এতিয়া একাংশ লোকে অবৈধ খনন চলাইছে। স্থানীয় প্ৰশাসন আৰু বন বিভাগক মেনেজ কৰি চৰকাৰী নীতি নিৰ্দেশনাক জলাঞ্জলি দি দিনে-নিশাই ননৈ নৈত অবৈধ খনন চলিছে। ৰাজনৈতিক আৰ্শীবাদপুষ্ট জনৈক বিক্ৰম নামৰ এজন ব্যক্তিৰ নেতৃত্বত জনৈক গুলজাৰৰ গাড়ীৰ জৰিয়তে ননৈ নৈখনৰ পাৰ খান্দি এতিয়া জৈব্য-বৈচিত্ৰ্যৰ প্ৰতি ভাবুকি কঢ়িয়াই অনাৰ গুৰুতৰ অভিযোগ উঠিছে। যাৰ ফলত নৈখন সংকুচিত হৈ পৰিছে। উল্লেখ্য যে, ননৈ নৈ খনৰ সমান্তৰালভাৱে জলাহৰ বহু চৰকাৰী ভূমিতো একাংশ লোকে পুখুৰী খান্দি অবৈধ দখল কৰিছে। এই বিষয়ে বিভাগীয় উৰ্দ্ধতম কৰ্তৃপক্ষক স্থানীয় ৰাইজে বাৰম্বাৰ অভিযোগ কৰি আহিছে যদিও আজি পৰ্যন্ত প্ৰশাসনে কোনো বিশেষ ব্যৱস্থা গ্ৰহণ কৰা নাই। যাৰ পৰিপ্ৰেক্ষিতত চলচলিৰ জলাহ অঞ্চলত এতিয়া ভূ-মাফিয়াৰ দপদপনি অধিক বৃদ্ধি পাবলৈ ধৰিছে।উল্লেখ্য যে, স্থানীয় ৰাইজে জৈৱ-বৈচিত্ৰ্যৰ প্ৰতি ভাবুকি কঢ়িয়াই অনা এইসকল ভূ-মাফিয়াৰ বিৰুদ্ধে চৰকাৰ তথা স্থানীয় প্ৰশাসনক অতিশীঘ্ৰেই ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

# নগাঁৱৰ বটাবাৰীত পথ দুৰ্ঘটনাত নিহত যুৱক

**ই-সংবাদ, বেবেজীয়া, ৮ জানুৱাৰীঃ** নগাওঁ জিলাৰ পশ্চিম প্ৰান্তৰ বটাবাৰীত মঙলবাৰে সন্ধিয়া সংঘটিত হোৱা এক ভয়ংকৰ পথ দুৰ্ঘটনাত এজন যুৱক নিহত হয়। নিহত যুৱকজন টুকটুকীৰ টিলাবাৰী নিবাসী আবুল হুছেইনৰ পুত্ৰ ফৰিদুল ইছলাম উৰফে মুন্না বুলি জানিব পৰা গৈছে। আচলতে, এ এছ-০২-চি চি ৬৪০৫ নম্বৰৰ এখন মেজিক ভান আৰু এ এছ-০২-এ জি ৩১৩৪ নম্বৰৰ এখন মটৰ চাইকেলৰ মাজত সংঘৰ্ষ লগাত উক্ত দুৰ্ঘটনাটো সংঘটিত হয়। পিছত ঘটনাস্থলীত আহোম গাঁও আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাওঁ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# মাতৃৰ বিয়োগত শুভ্ৰ বস্ত্ৰ পৰিধান কৰি বিদ্যালয়ৰ গুণোৎসৱত যোগ দিলে শিক্ষকে

**ই-সংবাদ, কামপুৰ, ৮ জানুৱাৰীঃ** ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহত গুণোৎসৱ চলি থকাৰ মাজতেই নগাঁও জিলাৰ কঠীয়াতলী শিক্ষাখণ্ডৰ অন্তৰ্গত গণেশপুৰ মাইনাওশী প্ৰাথমিক বিদ্যালয়ত দেখা গ'ল এক ব্যতিক্ৰমী দৃশ্য। মাতৃৰ মৃত্যুৰ পিছতো আদ্যশ্ৰাদ্ধ শেষ নৌহওঁতেই শুভ্ৰ বস্ত্ৰ পৰিধান কৰি নিজৰ কৰ্মস্থলীলৈ আহিবলৈ বাধ্য হ'ল প্ৰধান শিক্ষক অনন্ত বানাই। জানিব পৰা মতে, ১৯৮ গৰাকী ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়খন শিক্ষক আৰু বিদ্যালয় গৃহৰ অভাৱত দীৰ্ঘদিন ধৰি ব্যাপক সমস্যাৰ সন্মুখীন হৈ আহিছে। বিদ্যালয়খনৰ প্ৰধান শিক্ষকে মধ্যাহ্ন ভোজনকে ধৰি অনান্য কৰ্মসূচীৰ লগত প্ৰধান শিক্ষক বানাই ব্যস্ত থাকিবলগীয়া হয়। যাৰ বাবে বিদ্যালয়খনৰ ছটাকৈ শ্ৰেণীত প্ৰধান শিক্ষক অনন্ত বানাই আৰু শিক্ষকজনৰ পত্নী এগৰাকী সহকাৰী শিক্ষয়িত্ৰী মিনি ডেকাই পাঠদান কৰাত ব্যাপক সমস্যাত পৰিছে।বিদ্যালয়ত শিক্ষকৰ অভাৱৰ মাজতে প্ৰধান শিক্ষকজনৰ মাতৃ ৰাজু বানাইৰ যোৱা শুকুৰবাৰে বিয়োগ ঘটাত শুভ্ৰ বস্ত্ৰ পৰিধান কৰি বিদ্যালয়ৰ গুণোৎসৱত যোগ দিলে প্ৰধান শিক্ষকগৰাকীয়ে। বিদ্যালয়খনৰ শিক্ষকৰ সমস্যাটো শীঘ্ৰে সমাধান কৰিবলৈ অভিভাৱকসকলৰ লগতে প্ৰধান শিক্ষক অনন্ত বানায়ে চৰকাৰক আহ্বান জনাইছে।



# হালাকুৰাত দিন দুপৰতে বাইক চুৰি চিচি কেমেৰাত আবদ্ধ সমগ্ৰ দৃশ্য



**ই-সংবাদ, গোলকগঞ্জ, ৮ জানুৱাৰীঃ** ধুবুৰী জিলাৰ হালাকুৰা আৰক্ষী তালাচী চকীৰ হালাকুৰা বজাৰ সংলগ্ন জনবসতিপূৰ্ণ এলেকাৰ পৰা কালি দিন দুপৰতে সংঘটিত বাইক চুৰিৰ ঘটনা চিচি কেমেৰাত আবদ্ধ হোৱাৰ পিছতো আৰক্ষীয়ে চোৰৰ সন্ধান উলিয়াব নোৱাৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য মতে, বিদ্যাৰডাবৰী দ্বিতীয় খণ্ড খণ্ড গাঁৱৰ অজিত কুমাৰ সিংহ দিনৰ এক বজাত নিজৰ AS-17 G-2049 নম্বৰৰ প্লেমাৰ বাইকখন বজাৰ সংলগ্ন জনবসতিপূৰ্ণ এলেকাটোত থৈ ওচৰতে থকা নিজ দোকানত ব্যস্ত হৈ আছিল। বিয়লি তিনি বজাত নিৰ্দিষ্ট স্থানত বাইকখন নাপাই সিংহৰ হাহাকাৰ লাগে। চাৰিওফালে বিচাৰ-খোচাৰ কৰিও কোনা সন্ধান নাপায়। কাষতে চিচি কেমেৰাৰ ভিজুৱেল অনুসন্ধান কৰাত সকলো ঘটনা পোহৰলৈ আহে। ভিজুৱেলত স্পষ্ট দেখা পোৱা যায় এজন ক'লা পেণ্ট চাৰ্ট পিন্ধা যুৱক ম'বাইলত কথা কোৱাৰ ভংগীৰে সদম্ভে গলিটোত সোমাই বাইকখনৰ পিনে আগবাঢ়ি যায়। বাইকত উঠি নিমিষতেই লক্ খুলি ষ্টাৰ্ট দি বতাহৰ গতিত যুৱকজন ওলাই যায়। সন্ধিয়া বাইকৰ গৰাকী অজিতে চিচি কেমেৰাৰ ভিজুৱেলসহ হালাকুৰা আৰক্ষী চকীত এজাহাৰ দিয়ে। কিন্তু ঘটনা সংঘটিত হোৱাৰ চব্বিশ ঘণ্টা উকলি যোৱাৰ পিছতো আৰক্ষীয়ে চোৰৰ শুংসূত্ৰ উলিয়াব নোৱাৰাত অঞ্চলটোৰ ৰাইজে অসন্তুষ্টি প্ৰকাশ কৰিছে। হালাকুৰা অঞ্চলত ব্যাপক হাৰত বৃদ্ধি পাইছে চুৰিৰ ঘটনা। একে স্থানৰ পৰা পাঁচ-ছয় মাহ পূৰ্বে চাইকেল চুৰি হৈছিল। কিন্তু আৰক্ষীয়ে বিশেষ গুৰুত্ব নিদিয়া বাবে একে ঘটনাৰ পুনৰাবৃত্তি হোৱা বুলি ৰাইজ অভিযোগ উত্থাপন কৰিছে। তদুপৰি হালাকুৰা তালাচী চকী এলেকাত ড্ৰাগছ আৰু জুৱাৰ পয়োভৰৰ বাবে চুৰি কাৰ্যৰ বৃদ্ধি পাইছে। লক্ষণীয় যে চোৰক আটক কৰিবলৈ সক্ষম নোহোৱা হালাকুৰা আৰক্ষীয়ে যোৱা নিশা বিদ্যাৰডাবৰী পঞ্চম খণ্ড গাঁৱৰ মইনুল হকৰ ঘৰৰ পৰা মইনুল, জাহাংগীৰকে ধৰি চাৰিজন জুৱাৰীক হাতে-লোটে আটক কৰি চকীলৈ নিয়ে। সোনাউল্লা নামৰ এজনক আটক কৰিবলৈ সক্ষম হোৱা নাছিল যদিও আৰক্ষীয়ে তেওঁৰ ম'বাইলটো চকীলৈ লৈ আহে। কিন্তু নিশাই গোপন বুজাবুজি কৰি আটাইকেইজনক মুকলি কৰি দিয়ে। আৰক্ষীৰ লগত অসাধু চক্ৰৰ মিতিৰালিয়ে হালাকুৰাত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ইয়াৰ এক উচ্চ পৰ্যায়ৰ তদন্তৰ বাবে আৰক্ষী অধীক্ষকৰ হস্তক্ষেপ দাবী কৰিছে ৰাইজে।

# নলবাৰীত পুনৰ বন্যহস্তী আৰু মানুহৰ সংঘাত

**ই-সাংবাদ ব্যুৰ', নলবাৰী, ৮ জানুৱাৰীঃ** নলবাৰী জিলাৰ পূব দিশে অৰ্থাৎ পাগলাদিয়াৰ উত্তৰ পাৰত পুনৰ বন্যহস্তীয়ে সন্ত্ৰাস চলোৱা পৰিলক্ষিত হৈছে। হাতী খেদা কামত নিয়োজিত কটাহকুছি গাঁৱৰ গৌতম বড়ো নামৰ যুৱকজন হাতী খেদিবলৈ যোৱাৰ সময়তে আজি পুৱা দুৰ্ঘটনাত পতিত হৈ চিকিৎসাধীন হ'বলগীয়া হৈছে। বন্যহস্তীৰ সন্ত্ৰাস আৰু উপদ্ৰৱ নলবাৰী জিলাৰ পূব আৰু উত্তৰ পাৰৰ এক দীঘলীয়া সমস্যা আছিল যদিও বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু নলবাৰী সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ নিৰ্দেশ মৰ্মে বৃহৎ বন্যহস্তীৰ জাকক নলবাৰী জিলা অতিক্ৰম কৰি খেদি পঠিওৱা হৈছিল যদিও শেহতীয়াকৈ নলবাৰী পাগলাদিয়াৰ উত্তৰ পাৰত এটা বৃহৎ বন্যহস্তী পুনৰ প্ৰৱেশ কৰিছে। ইতিমধ্যে বন বিভাগৰ সৈতে স্থানীয় হাতী খেদি পঠিওৱা কামত নিয়োজিত যুৱকসকলে বন্যহস্তী খেদি পঠিওৱাৰ প্ৰয়াস অব্যাহত ৰাখিছে। বন্যহস্তীটোক খেদি পঠিওৱাৰ সময়তে আজি পুৱা নলবাৰী কটাহকুছিৰ যুৱক গৌতম বড়ো দুৰ্ঘটনাত পতিত হয়। জানিব পৰা মতে, কটাহকুছিৰ পৰা উক্ত হাতী খেদিবলৈ লোৱা সময়ত মাটিত পিছলি পৰি দুৰ্ঘটনাত পতিত হয়। ততাতিয়াকৈ যুৱকজনক নলবাৰীৰ এখন ব্যক্তিগত চিকিৎসালয়ত প্ৰেৰণ কৰা হয়। সংবাদ প্ৰেৰণ কৰা মুহূৰ্তলৈ যুৱকজন বিপদমুক্ত বুলি জানিব পৰা গৈছে। আনহাতে, ভোগালী বিহুৰ প্ৰাকক্ষণত বনৰীয়া হস্তীৰ প্ৰৱেশত শংকিত ৰাইজে হাতীটোক নিৰাপদ স্থানলৈ খেদি পঠিয়াবলৈ আহ্বান জনাইছে। ইফালে যোৱা ৭ জানুৱাৰী নিশা উত্তৰ বৰশিৰালত এটা বনৰীয়া হাতীয়ে এটা পৰিয়ালৰ ঘৰ লণ্ড-ভণ্ড কৰে। খবৰ পোৱা অনুসৰি বিজুলী নাথ নামৰ এগৰাকী মহিলাও গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়।

## ৰঙিয়াৰ আৰিমত্ত ষ্টেডিয়ামত বিশাল দলীয় সভা বিজেপিৰ

# লক্ষ্য পঞ্চায়ত নিৰ্বাচন, তৰণীত বিজেপিৰ বিশাল সভা

**ই-সংবাদ, ৰঙিয়া, ৮ জানুৱাৰীঃ** পঞ্চায়ত নিৰ্বাচনক কেন্দ্ৰ কৰি সম্ভম হৈ পৰিছে শাসনাধিস্থিত বিজেপি দল। পুনৰবাৰ পঞ্চায়ত নিৰ্বাচনত বিজয়ৰ ধ্বজা উৰুওৱাৰ লক্ষ্যৰে কুচকাৱাজ আৰম্ভ কৰিছে দলটোৱে। দলীয় সাংগঠনিক দিশৰ লগতে পঞ্চায়ত নিৰ্বাচনত কাৰ্যকৰ্তাসকলৰ কৰণীয় সন্দৰ্ভত আজি ৰঙিয়াৰ তৰণী স্থিত আৰিমত্ত ষ্টেডিয়ামত অনুষ্ঠিত কৰা হয় বিশাল সভা। সভাত ৩১ নং ৰঙিয়া বিধানসভা সমষ্টিৰ পাণ্ডুৰী জিলা পৰিষদৰ অন্তৰ্গত ৬ খনকৈ পঞ্চায়তৰ কাৰ্যকৰ্তাৰ উপস্থিতিত ভাষণ ৰাখে দলটোৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাই। দলটোৰ ৰাজ্যিক প্ৰভাৰী হৰিশ দ্বিবেদীয়েও সভাত অংশগ্ৰহণ কৰি সমবেত দলীয় কৰ্মীসকলক উদ্দেশ্যি ভাষণ ৰাখে। ভাষণ প্ৰসংগত নিজৰ লগতে পৰিয়াল তথা ৰাজ্যৰ বিকাশৰ বাবে বিজেপি দলক ভোট প্ৰদানৰ বাবে আহ্বান জনায় দ্বিবেদীয়ে।

# বাক্সাত বনৰীয়া হাতীৰ উপদ্ৰৱ, ক্ষতিসাধন

**ই-সংবাদ, মুছলপুৰ, ৮ জানুৱাৰীঃ** বাক্সা জিলাৰ ভাৰত-ভুটান সীমান্তৱৰ্তী অঞ্চলত দিনে দিনে বৃদ্ধি পাই আহিছে বনৰীয়া হাতীৰ উপদ্ৰৱ। এই উপদ্ৰৱৰ ফলতেই সীমামূৰীয়া লোকসকল অতিষ্ঠ হৈ পৰিছে। এক কথাত বাক্সাৰ ভাৰত-ভুটান সীমান্তৱৰ্তী অঞ্চলসমূহৰ বাবে জ্বলন্ত সমস্যা হৈ পৰিছে হাতীৰ উপদ্ৰৱ। হাতীৰ আক্ৰমণ ঘটা অঞ্চলসমূহত প্ৰতিনিয়ত শংকাত কটাব লগা হয় আবাল-বৃদ্ধ-বনিতা। মূৰৰ ঘাম মাটিত পেলাই কৰা শস্যপথাৰৰ বিধ্বস্ত ৰূপ দেখি কান্দোনত ভাগি পৰা কৃষক, হাতীয়ে ভাঙি পেলোৱা মৰমৰ ঘৰখনৰ ধ্বংসস্তূপত উচুপি উঠা অসহায় মানুহৰ সংখ্যা দিনকদিনে বৃদ্ধি পাইছে। আনহাতে, হাতীৰ উপদ্ৰৱৰ পৰা পৰিত্ৰাণ পোৱাৰ বাবে বহু লোকে নিজাববীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰিছে যদিও সুফল পোৱা নাই। আশ্চৰ্যজনকভাৱে মানুহে হাতী খেদি পঠিয়াবলৈ যিমানেই নতুন নতুন বুদ্ধি প্ৰয়োগ কৰিছে, হাতীৰ আক্ৰমণো সিমানেই বৃদ্ধি পাইছে। কেৱল প্ৰাণহানিতেই কথা শেষ নহয়, আনুষংগিক নানা সমস্যাৰ সৃষ্টি হৈছে এই সংঘাতৰ বাবে। শেহতীয়াভাৱে বাক্সা জিলা বন বিভাগৰ তৎপৰতাত হাতীৰ উপদ্ৰৱ বা হাতী-মানুহৰ সংঘাত পৰিলক্ষিত হোৱা নাই যদিও ইয়াৰ অন্ত পৰা নাই। বাক্সা জিলা বন সংমণ্ডল প্ৰাধিকাৰী বিষয়া প্ৰদীপ ভূঞাৰ নেতৃত্বত বনকৰ্মীসকলে হাতী খেদাত নিতৌ ব্যস্ত থকা পৰিলক্ষিত হৈছে। কিন্তু এক বিশেষ সূত্ৰৰপৰা জানিব পৰা মতে বছৰ বছৰ ধৰি ভূটান পাহাৰৰ নামনিৰ ভূখণ্ডৰ সংৰক্ষিত বনাঞ্চলত অবৈধ বেদখল কৰি অহাৰ বাবে এনে অঞ্চলসমূহ জনাঞ্চললৈ পৰিৱৰ্তিত হৈছে। মানুহে হাবি কাটি ঘৰ, বাসস্থান বনোৱাৰ পৰিপ্ৰেক্ষিতত হাতীৰ বিচৰণস্থলী হিচাপে পৰিগণিত এই হাবিসমূহ নোহোৱা হৈ পৰাত বনৰীয়া হাতীয়ে এই অঞ্চলৰ ঘৰসমূহ লণ্ড-ভণ্ড কৰাৰ লগতে সময়ে সময়ে উপদ্ৰৱ চলাই আহিছে। এই উপদ্ৰৱ ৰুধিবলৈ গৈ হাতী-মানুহৰ সংঘাত হৈছে আৰু বহু লোকৰ মৃত্যুও হৈছে। এইদৰে এচাম লোকে অবৈধভাৱে সংৰক্ষিত বনাঞ্চল দখল কৰি থকাৰ বাবেই হাতীৰ ঠাই নোহোৱা হৈ পৰিছে। হাতীক বিচৰণ কৰিবলৈ পৰ্যাপ্ত ঠাই লাগে যিবোৰ পৰ্যাপ্ত পৰিমাণে বাক্সাৰ সঘনাই হাতী ওলোৱা ঠাইসমূহত নাই। অৰণ্যৰ মাজেৰে হাতীৰ অহা-যোৱাৰ বাবে হস্তীদণ্ডি নামৰ নিৰ্দিষ্ট কিছুমান পথ থাকিব লাগে যদিও হস্তীদণ্ডিৰ চিন-মোকাম নোহোৱা কৰি হাতীৰ অহা-যোৱাৰ পথ ৰুদ্ধ কৰিছে। সময়ে সময়ে বাক্সা বন সংমণ্ডলৰ বিষয়াই এইক্ষেত্ৰত সজাগতা সৃষ্টি কৰি আহিছে যদিও অধিকাংশ লোক সজাগ নোহোৱাৰ ফলতে বৃদ্ধি পাইছে হাতী-মানুহৰ সংঘাতো। কিন্তু ইয়াৰ স্থায়ী সমাধান আজিও নিৰ্ণয় হোৱা নাই। সচেতন লোকে স্থায়ী সমাধানৰ দাবী তুলিছে।

# গৰুখুটিত কুৰুৱা-গৰুখুটি উন্নয়ন পৰিষদৰ সাধাৰণ সভা

**ই-সংবাদ, দুমুনিচকী, ৮ জানুৱাৰীঃ** দৰং জিলাৰ গৰুখুটিৰ গাস্ক' সভাকক্ষত কুৰুৱা-গৰুখুটি উন্নয়ন পৰিষদৰ এখন সাধাৰণ সভা অনুষ্ঠিত হয়। ছিপাঝাৰ বিধানসভা সমষ্টিৰ দক্ষিণ-পশ্চিম প্ৰান্তত অৱস্থিত দুমুনিচকী-কুৰুৱা জিলা পৰিষদ সমষ্টি অন্তৰ্গত গাঁও পঞ্চায়ত ছয়খন ক্ৰমে কুৰুৱা, বাজানা পথাৰ, গণেশ কুঁৱৰী, সানোৱা, গৰুখুটি আৰু দুমুনিচকী গাঁও পঞ্চায়ত এলেকাৰ পথ-যোগাযোগ, শিক্ষা, স্বাস্থ্য, কৃষি, ভূমি সুৰক্ষা আদি দিশৰ উন্নয়নৰ উদ্দেশ্যৰে অঞ্চলটোৰ বহুকেইগৰাকী সমাজ সচেতন নাগৰিকৰ প্ৰতিনিধিত্বত বিগত ২০১৯ চনৰ ৯ জুন তাৰিখে গঠিত কুৰুৱা-দুমুনিচকী উন্নয়ন সমিতিখনে বিগত দিনবোৰত নাৰেংগী-কুৰুৱা ব্ৰহ্মপুত্ৰ দলং নিৰ্মাণ কৰা, আগিয়াঠুৰিৰ পৰা কুৰুৱা, ছিপাঝাৰ হৈ দৰঙৰ মাজেৰে ৰে'লপথ নিৰ্মাণ কৰি ৰে'ল মানচিত্ৰত দৰং জিলাক অন্তৰ্ভুক্ত কৰা, কুৰুৱাত এখন পূৰ্ণ পৰ্যায়ৰ মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা, গড়কাপ্টানী আৰু গাঁৱলীয়া পথবোৰক পুনৰনিৰ্মাণ কৰা আদি বিষয়ত ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক, দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ, দৰঙৰ অভিভাৱক মন্ত্ৰী, শিক্ষামন্ত্ৰী আদিক সাক্ষাৎ কৰি বিভিন্ন আবেদন-নিবেদন, দাবী আদি সময়ে সময়ে দি আহিছে। তদুপৰি দৰং জিলাৰ আয়ুক্ত, আৰক্ষী অধীক্ষক, বিভিন্ন বিভাগৰ বিষয়া আদিৰ সৈতেও বিভিন্ন আঞ্চলিক সমস্যা সমাধানাৰ্থে আলোচনা-পৰ্যালোচনা কৰি আহিছে। পুনৰ যোৱা ১৯ আগষ্টত ছিপাঝাৰ সমষ্টিৰ বিধায়ক ডঃ পৰমানন্দ ৰাজবংশীৰ সৈতে সমিতিৰ ১৪ জনীয়া এক প্ৰতিনিধি দলে বৃহত্তৰ অঞ্চলৰ বিভিন্ন সমস্যাৰ সমাধানাৰ্থে এখনি ১১ দফীয়া দাবী পত্ৰ সন্দৰ্ভত দীঘলীয়া আলোচনা কৰে। অতি সম্প্ৰতি লোকসভা আৰু বিধানসভা সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণৰ পাছতেই হোৱা পঞ্চায়তৰ সীমাৰ পুনৰ নিৰ্ধাৰণ অনুসৰি দুমুনিচকী-কুৰুৱা জিলা পৰিষদ সমষ্টিৰ পৰা দুমুনিচকী গাঁও পঞ্চায়ত বাদ দি নতুনকৈ দেবানন্দ আৰু হাজৰিকাপাৰা পঞ্চায়ত অন্তৰ্ভুক্ত কৰি জিলা পৰিষদ সমষ্টিটোৰ নাম দেবানন্দ-কুৰুৱা জিলা পৰিষদ সমষ্টি কৰাৰ পৰিপ্ৰেক্ষিতত সাধাৰণ সভাই দুমুনিচকী পঞ্চায়ত এলেকা বাদ দি কুৰুৱা-দুমুনিচকী উন্নয়ন সমিতিৰ নাম সলনি কৰি কুৰুৱা-গৰুখুটি উন্নয়ন পৰিষদ কৰে। কুৰুৱা-গৰুখুটি উন্নয়ন পৰিষদৰ সভাপতি হৰেণ চন্দ্ৰ দাসে সভাপতিত্ব কৰা সাধাৰণ সভাই ৰাইজে আশা কৰা ধৰণে অঞ্চলটোৰ বিভিন্ন সমস্যাৰ সমাধান তথা উন্নয়নৰ গতি ত্বৰান্বিত নোহোৱাত গভীৰ উদ্বেগ প্ৰকাশ কৰে। আগন্তুক অতি কম দিনৰ ভিতৰত বৃহত্তৰ অঞ্চলৰ বিভিন্ন সমস্যাৰ সমাধানাৰ্থে পুনৰবাৰ অসমৰ মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে।

# শংকৰদেৱ শিশু বিদ্যা নিকেতন মেলামৰাৰ ৰূপালী জয়ন্তীৰ সামৰণি অনুষ্ঠান

**ই-সংবাদ, গোলাঘাট, ৮ জানুৱাৰীঃ** শংকৰদেৱ শিশু নিকেতন মেলামৰাৰ দুদিনীয়া কাৰ্যসূচীৰে ৰূপালী জয়ন্তী বৰ্ষ উলহ মালহেৰে উৎযাপন কৰা হয়। গ্ৰাম্য অঞ্চলত ২০০০ চনতে অংকুৰিত হোৱা শংকৰদেৱ শিশু নিকেতন নামৰ পুলিটো বৰ্তমান পূৰ্ণ যৌৱনা হ'ল। এই সুদীৰ্ঘ ২৫ টা বছৰত প্ৰতিষ্ঠা কালৰে পৰা শুভাকাংক্ষী ৰাইজ, আচৰ্য-আচাৰ্যা, বিদ্যালয় পৰিচালনা সমিতি আৰু অভিভাৱকসকলৰ লগতে খুমটাই সমষ্টিৰ বিধায়কৰ আশাসুধীয়া প্ৰচেষ্টাত পূৰ্বৰ তৰ্জা বেৰৰ বিদ্যালয় গৃহৰ পৰা বৰ্তমান আৰ চি চি গৃহলৈ পৰিৱৰ্তন হয়। দুদিনীয়া কাৰ্যসূচীত প্ৰথমদিনৰ পুৱা ৯ বজাত পতাকা উত্তোলন কৰা হয়। বিদ্যালয়ৰ প্ৰধান শিক্ষক মৃদুল শইকীয়া আৰু মেলামৰাৰ সামাজিক ব্যক্তি দুৰ্গেশ্বৰ বৰাই দুখন পতাকা উত্তোলন কৰাৰ লগতে বিশিষ্ট ২৫ গৰাকী ব্যক্তিয়ে একেলগে ২৫খন পতাকা উত্তোলন কৰে। ইয়াৰ পাছত স্মাৰক উন্মোচন কৰে প্ৰতিষ্ঠা কালৰ সম্পাদক ৰজনী হাজৰিকাই। অনুষ্ঠানত গ্ৰন্থ বিপণী মুকলি কৰাৰ পিছতে বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা এখনি প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে মেলামৰা মহাবিদ্যালয়ৰ অধ্যক্ষাই। ইয়াৰ পাছতেই বিদ্যালয় নৱনিৰ্মিত গৃহ উন্মোচন কৰে খুমটাই সমষ্টিৰ বিধায়কৰ পুত্ৰ বভ্ৰুবাহন শইকীয়াই। অনুষ্ঠানত গীতে-মাতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ অন্তৰংগ আলপৰ পাছতেই সন্ধিয়াৰ পৰা ছাত্ৰসকলে সুন্দৰকৈ সাংস্কৃতিক অনুষ্ঠান ৰূপায়ণ কৰে। দ্বিতীয় দিনাৰ প্ৰথম কাৰ্যসূচী বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰাৰ পিছত বিদ্যালয়ৰ দাপোণ স্বৰূপ এখনি গ্ৰন্থ 'ৰূপকল্প'ৰ উন্মোচন হয়।

# খেহেনীপাৰাত মৃৎ শিল্পীৰ ভোগালীৰ ব্যস্ততা

**ই-সংবাদ, বাইহাটা চাৰিআলি, ৮ জানুৱাৰীঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তত অসমীয়াই অতি হেঁপাহৰ ভোগালী বিহুটিক আদৰিবলৈ পূৰ্ণ প্ৰস্তুতি ইতিমধ্যে আৰম্ভ কৰিছে। ডেকা-বুঢ়া সকলোৱে যেনেকৈ ভেলা ঘৰ, মেজি নিৰ্মাণত ব্যস্ত সেইদৰে মহিলা-বোৱাৰী ব্যস্ত হৈ পৰিছে আখলত লাডু, পিঠা বনোৱাত। এনে এক উৎসৱমুখৰ পৰিৱেশৰ মাজত কামৰূপ জিলাৰ খেহেনীপাৰাৰ হীৰা সম্প্ৰদায়ৰ মহিলাসকলে ভোগালী বিহুত অতি প্ৰয়োজনীয় টেকেলি, চৰু আদি তৈয়াৰ কৰাত ব্যস্ত হৈ পৰিছে। এই সামগ্ৰীসমূহ তৈয়াৰ কৰিবলৈ হীৰা সম্প্ৰদায়ৰ পুৰুষসকলে অতি কষ্ট কৰি সমীপৰ পথাৰৰ পৰা 'হীৰামাটি' সংগ্ৰহ কৰি মহিলা শিল্পীসকলক যোগান ধৰিছে। মহিলাসকলেও সুনিপুণ শিল্পশৈলীৰে নিজৰ কামত মনোনিবেশ কৰিছে। আজিকালি এই শিল্পীসকলে তৈয়াৰ কৰা সামগ্ৰীৰ চাহিদা বৰ্তমান বজাৰত নাই যদিও বিহু বা ঈদৰ সময়ত ইয়াৰ প্ৰয়োজনীয়তা যথেষ্ট বৃদ্ধি পায়। সেয়ে এইসকল মৃৎ শিল্পীয়ে ভোগালী বিহুৰ সময়ত মাটিৰ প্ৰয়োজনীয় সামগ্ৰী তৈয়াৰ কৰি আৰ্থিকভাৱে কিছু স্বচ্ছল হৈ ভোগালী পালন কৰিব বিচাৰে। যাৰ বাবে হাড় ভগা শ্ৰম কৰি দুখীয়া মৃৎ শিল্পীসকলে এই বাচন-বৰ্তনসমূহ তৈয়াৰত যোদ্ধাৰ দৰে ব্যস্ত হৈ পৰে। এই প্ৰতিবেদকে জানিবলৈ বিচৰাত এগৰাকী মৃৎ শিল্পীয়ে কয় যে মাটিৰ টেকলীৰ দৈ বৰ সোৱাদযুক্ত হয়। সেয়ে এই ভেটুৰা বা টেকলীএই বিহুৰ বতৰত ৩০ টকাৰ পৰা ৪০ টকাৰ ভিতৰত বিক্ৰী কৰে। আন সময়ত পোন্ধৰ/বিশ টকাত পায়। শিল্পটো জীয়াই ৰাখিবলৈ চৰকাৰে কোনোধৰণৰ ব্যৱস্থা নোলোৱাত ইতিমধ্যে বহু লোকে এই কাম বাদ দি অন্যকামত ধৰিছে বুলি এজন হীৰা সম্প্ৰদায়ৰ সচেতন লোকে দুখ প্ৰকাশ কৰে। তেওঁলোকে অৱগত কৰা মতে, মাত্ৰ কেইঘৰমান লোকে মৃতপ্ৰায় শিল্পটো পেটৰ তাড়নাত কোনোমতে ধৰি ৰাখিছে। হয়তো অচিৰেই এই শিল্পটোৰ অপমৃত্যু ঘটিব! হীড়া সম্প্ৰদায়ৰ ৰাইজে চৰকাৰে আৰ্থিক অনুদান আগবঢ়াই বিজ্ঞানসন্মতভাৱে এই শিল্পটো জীয়াই ৰাখিব বুলি আশা প্ৰকাশ কৰে। অন্যথা পৰৱৰ্তী সময়ত এই মৃৎ শিল্প কালৰ গৰ্ভত হেৰাই যাব।

# চতিয়া আৰক্ষীৰ বিশেষ সফলতা, নিয়মীয়া তালাচীত বন্যপ্ৰাণীসহ আটক এজন

**ই-সংবাদ, চতিয়া, ৮ জানুৱাৰীঃ** দুৰ্লভ প্ৰজাতিৰ বন্যপ্ৰাণী সংৰক্ষণৰ বাবে চৰকাৰ তথা সংশ্লিষ্ট কৰ্তৃপক্ষই বিশেষ পদক্ষেপ গ্ৰহণ কৰি আহিছে যদিও এচাম দুষ্ট প্ৰবৃত্তিৰ লোকে এতিয়াও এনে বন্যপ্ৰাণীক নিধন কৰা অথবা উচ্চমূল্যত বিভিন্ন প্ৰান্তলৈ সৰবৰাহ কাৰ্য অব্যাহত ৰাখিছে। আজি চতিয়া আৰক্ষীয়ে চলোৱা এক নিয়মীয়া তালাচীত এনে বন্যপ্ৰাণী কঢ়িয়াই অনা এখন বাহন জব্দ কৰাৰ লগতে এজন সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য অনুসৰি আজি চতিয়া আৰক্ষীয়ে চলোৱা নিয়মীয়া তালাচীৰ সময়ত ভালুকপুংৰ পৰা ইটানগৰৰ দিশে অহা এখন এ আৰ-০৫ এ-১৪৮০ নম্বৰৰ অল্টো গাড়ীৰ ভিতৰত বন্যপ্ৰাণীসমূহ উদ্ধাৰ কৰা হয়। উল্লেখ্য যে উদ্ধাৰ কৰা বন্যপ্ৰাণীসমূহৰ ভিতৰত আছে দুটা জহামাল, এটা হৰিণা, বিভিন্ন প্ৰজাতিৰ চৰাই আৰু ভিন্ন গান্ধী পোককে ধৰি বৃহৎ পৰিমাণৰ কীট-পতংগ। ইয়াৰে কেইবাবিধ প্ৰাণী অস্তিত্বৰ সংকটত পৰিছে। আৰক্ষীয়ে বাহনখনৰ পৰা সৰবৰাহকাৰী ৰানন নেৰিক আটক কৰি জেৰা চলাই আছে।

# নাৰী কল্যাণ মঞ্চ, অসমৰ উদ্যোগত ৰূপনগৰত সু-স্বাস্থ্য, সমাজৰ বাবে সজাগতা সভা

**ই-সংবাদ, গুৱাহাটী, ৮ জানুৱাৰীঃ** ৰাজ্যখনৰ এক অগ্ৰণী অনুষ্ঠান "নাৰী কল্যাণ মঞ্চ, অসম"ৰ উদ্যোগত গুৱাহাটীৰ ৰূপনগৰ বিদ্যাপীঠ হাইস্কুল প্ৰাংগণত আজি 'সুস্বাস্থ্য আৰু সুস্থ সমাজৰ বাবে' শীৰ্ষক এক সজাগতা সভা আড়ম্বৰপূৰ্ণ পৰিৱেশৰ মাজত অনুষ্ঠিত হৈ যায়। নাৰী কল্যাণ মঞ্চৰ সভাপতি তথা বিশিষ্ট লেখক চফিউৰ ৰহমান শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত হোৱা সভাৰ উদ্দেশ্য ব্যাখ্যা দাঙি ধৰি মঞ্চৰ সচিব তথা অসম প্ৰকাশন পৰিষদৰ প্ৰাক্তন সচিব ড০ অসমী গগৈয়ে কয় যে আমি সংকল্প লোৱাৰ সময় এতিয়া। মন বান্ধি কাম কৰিব লাগিব। মন আৰু চিন্তা সুস্থ হ'লে আমি ভাল কাম কৰিব পাৰিম। সভাৰ মুখ্য অতিথি ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডাঃ তৌফিক ৰহমান বৰবৰাই কয় যে ঈশ্বৰ এজনে আছে। ঈশ্বৰক আমি সৎ পথত ৰাখিবৰ বাবে প্ৰাৰ্থনা কৰিব লাগিব। আমি প্ৰতিজন মানুহে, অভিভাৱক, ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীয়ে পৰিৱেশ সুন্দৰ আৰু পৰিস্থিতি সুন্দৰ কৰি ৰাখিবৰ বাবে অহোপুৰুষাৰ্থ কৰিব লাগে। বিশিষ্ট অতিথি হিচাপে অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহ সদস্য তথা সাংবাদিক, কবি দীপক শৰ্মাই কয় যে প্ৰতিজন পিতৃ-মাতৃয়ে সন্তানক এজন আদৰ্শৱান মানুহ হিচাপে গঢ় দিবলৈ চেষ্টা কৰিব লাগে। অধ্যয়ন, সত্যবাদিতা, নিয়মানুবৰ্তিতা, একতা, সততা, ধৈৰ্যৰে কাম কৰিব লাগে। বাতৰি কাকত নিতৌ পঢ়িব লাগে। মহৎলোকৰ জীৱনীকে ধৰি অন্যান্য গ্ৰন্থও পঢ়িব লাগে। সভাত ৰূপনগৰ বিদ্যাপীঠ হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী দীপাঞ্জলি গোস্বামী, বুৰঞ্জী আৰু পুৰাতত্ব বিভাগৰ অৱসৰপ্ৰাপ্ত সঞ্চালক ড০ অনিতা চৌধুৰী, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ চয়নিকা শৰ্মা, লেখিকা গীতাঞ্জলি বৰা বৰদলৈ, অৱসৰপ্ৰাপ্ত শিক্ষক ডালিম পাঠকে ৰাইজৰ ফালৰ পৰা ছাত্ৰ-ছাত্ৰী, অভিভাৱকক উদ্দেশ্যি সাৱলীলভাৱে লগতে সাম্প্ৰতিক সময়ৰ পৰিৱেশ-পৰিস্থিতি সন্দৰ্ভত বক্তব্য দাঙি ধৰে। অনুষ্ঠানত কুন্তলা ডেকাই এটি গীত আৰু ছাত্ৰ ইমন দাসে অসমীয়া কবিতা আবৃত্তি কৰি পৰিৱেশটো সোণত সুৱগা চৰায়। পিছত 'অসম সংগীত' পৰিৱেশনৰে সভাৰ সামৰণি মৰা হয়।

## ছিণ্ডিকেট চক্ৰৰ অবৈধ কাম-কাজ দেখিও নিৰ্বিকাৰ আৰক্ষী-প্ৰশাসন

# দক্ষিণ কামৰূপৰ পলাশবাৰীৰ ভিতৰুৱা পথেৰে বাংলাদেশলৈ চোৰাং গৰু

**ই-সংবাদ, মিৰ্জা, ৮ জানুৱাৰীঃ** মুখ্যমন্ত্ৰীৰ নিৰ্দেশত অসম আৰক্ষীয়ে ৰাজ্যৰ বিভিন্ন প্ৰান্তত অবৈধ গো- সৰবৰাহকাৰীৰ বিৰুদ্ধে মাজে সময়ে অভিযান চলাই থাকিলেও অসমৰ পৰা চুবুৰীয়া ৰাজ্য মেঘালয়ৰ মাজেৰে এতিয়াও প্ৰায় নিয়মীয়াভাৱে বাংলাদেশলৈ সৰবৰাহ হৈ আছে গৰুভৰ্তি বাহন। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে মাজে সময়ে গুৱাহাটীৰ যোৰাবাটত চলোৱা অভিযানত আৰক্ষীয়ে ট্ৰাক বা আন তেনে বাহনত সৰবৰাহ কৰা গৰু জব্দ কৰে যদিও, সেয়া এপাচি শাকত এটা জালুকৰ দৰে হৈ পৰিছে। জানিব পৰা মতে, গৰু সৰবৰাহকাৰীয়ে শেহতীয়াকৈ উত্তৰ কামৰূপৰ দিশৰ পৰা শৰাইঘাট দলঙৰে জালুকবাৰী আজাৰা, ৰাণীৰ মেঘালয় সীমান্তৱৰ্তী শুকুৰবৰীয়া হৈ এন ই চি পথেৰে আৰু পলাশবাৰীৰ চানডুবিৰ গাড়ীলিকেৰে মেঘালয়ৰ জিৰাং, মাইৰাং হৈ পশ্চিম খাছী পাহাৰ জিলাৰ মাজেৰে বাংলাদেশলৈ ট্ৰাক বা আন লঘু বাহনত প্ৰায় নিয়মীয়াকৈ গৰু সৰবৰাহ কৰি আছে। আনকি ৰাণীৰ মেঘালয় সীমান্তৱৰ্তী অঞ্চলৰ একাংশ বাসিন্দাই সদৰি কৰা অনুসৰি ট্ৰাকৰ ওপৰত ট্ৰিপালৰে ঢাকি অতি কৌশলৰে এনেকৈ গৰু সৰবৰাহ কৰে যে আপাত দৃষ্টিত ধৰিবই নোৱাৰি যে সেই ট্ৰাকত গৰু সৰবৰাহ কৰা হৈছে। লক্ষণীয় যে গৰুসমূহক চাৰিওখন ঠেং আৰু গলত লৰচৰ কৰিব নোৱাৰাকৈ অতি নিষ্ঠুৰভাৱে বান্ধি মজিয়াত পেলাই লৈ যোৱা হয়। একেদৰে ৰাণীৰ পৰা কিছু নিলগৰ লোহাৰঘাটৰ মাজেৰে দক্ষিণ কামৰূপৰ দিশৰ পৰা গুৱাহাটীৰ পশ্চিম চৰিত্ৰ স্খলন হোৱাৰ ছবিখন। নাবালিকাৰ অশ্লীল ভিডিঅ' ম'বাইলত স্ক্ৰীন ৰেকৰ্ড কৰি পিছত সামাজিক মাধ্যমত বিয়াপাই দিয়াৰ অভিযোগতচাহিল খান নামৰ যুৱক জনক গ্ৰেপ্তাৰ কৰি শিৱসাগৰ সদৰ আৰক্ষীয়ে আদালতত হাজিৰ কৰোৱাই। তাৰ পিছতে শিৱসাগৰ জিলা কাৰাগাৰলৈ প্ৰেৰণ কৰে। চাহিল খানে প্ৰথমে হিন্দু যুৱকৰ নামত ইনষ্টাগামত খুলিছিল ভুৱা একাউন্ট। চাহিল খানে এক বছৰ আগেয়ে ৰনুজ দত্ত বুলি নিজকে পৰিচয় দি একাউন্ট খুলিছিল ইনষ্টাগ্ৰামত। তাৰ পিছতে এগৰাকী হিন্দু ধৰ্মাৱলম্বী নাবালিকাৰ সৈতে গঢ়ে প্ৰেমৰ সম্পৰ্ক। কিছুদিন প্ৰেমৰ সম্পৰ্ক গঢ়াৰ পিছতে নাবালিকা গৰাকীৰ সৈতে কৰে ভিডিঅ' প্ৰান্তৰ পলাশবাৰী থানাৰ অধীনৰ অসম-মেঘালয় সীমান্তৱৰ্তী চানডুবিৰ গাড়ীলিক অঞ্চল ক্ৰমে মাটাইখাৰ, লংচাই, বাখালাপাৰা, পাটগাঁও, জিমিৰগাঁও, উমচুৰ আদিৰ বিভিন্ন পথৰে দিনে নিশাই অহৰহভাৱে নম্বৰপ্লেটযুক্ত আৰু নাম্বাৰপ্লেট বিহীন ডি আই বা পিকআপভানৰ দৰে চাৰিচকীয়া লঘু বাহনত দৈনিক চোৰাংকৈ মেঘালয়লৈ গৰু সৰবৰাহ হৈ আছে। এই কাৰ্যত গো-সৰবৰাহকাৰীসকলক ধনৰ বিনিময়ত সহযোগিতা আগবঢ়াই আহিছে সেই অঞ্চলৰ বিভিন্ন জনগোষ্ঠীয় দল-সংগঠন, ক্লাব আদিৰ একাংশ নেতা-কৰ্মকৰ্তাই। প্ৰাপ্ত খবৰ মতে, অঞ্চলটোৰ গাতে লগা মেঘালয়ৰ ৰিভয় জিলাৰ পাথাৰখামাৰ দিশে দৈনিক প্ৰায়ে গৰু সৰবৰাহ কৰা প্ৰত্যক্ষ কৰি আহিছে অঞ্চলটোৰ বহুলোকে। জানিব পৰা মতে, পলাশবাৰী থানাৰ অন্তৰ্গত কিন্তু আৰক্ষীৰ পহৰা ব্যৱস্থা নথকা পশ্চিম গুৱাহাটীৰ মাটাইখাৰ, ৰংচাই, পাটগাঁও, বাখলাপাৰা, জিমিৰগাঁও, উমচুৰ আদি সীমান্তৱৰ্তী অঞ্চলৰ বাট-পথ দলংসহ উন্নয়ন সাধন হোৱাত এতিয়া গো-মাফিয়া সকলে সেই পথ ব্যৱহাৰ কৰি মেঘালয়ৰ ৰিভয় জিলাৰ একাংশ দুৰ্নীতিগ্ৰস্ত আৰক্ষীৰ সহযোগত ৰাণীগুদাম-মাইৰাং পথৰে সৰুপাহাম, জিৰাং, পাথাৰখামা হৈ বাংলাদেশলৈ কৌশলেৰে চোৰাংকৈ গৰু সৰবৰাহ কৰি আহিছে। গো-মাফিয়া চক্ৰটোৱে মেঘালয় হৈ বাংলাদেশলৈ সৰবৰাহ কৰা গৰুসমূহ দক্ষিণ কামৰূপৰ গৰৈমাৰী, সোণতলী নগৰবেৰা, কালাতলীৰ উপৰি বৰপেটা জিলাৰ বহৰি আদি অঞ্চলৰ পৰা সংগ্ৰহ কৰে। তাৰ পাছত চেগ বুজি ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰে বিজয়নগৰৰ মাজেৰে মুছলিম সৰপাৰা, ৰঙামাটি, বাকাৰাপাৰা, পাৰাকুছি, বৰবাকাৰা, লোহাৰঘাট হৈ গাড়ীৰলিকলৈ আহে গৰুভৰ্তি বাহনসমূহ। তাৰ পৰা মাটাইখাৰ, পাটগাঁও, ৰংচাই, বাখলাপাৰা, জিমিৰগাঁও, উমচুৰ হৈ ভাগে ভাগে সেই গৰু অনা টাটা ডি আই বা বলেৰো পিকআপ ভানসমূহ, মেঘালয়ৰ ৰিভয় জিলাৰ ৰাণীগুদাম-মাইৰাং পথৰে সৰুপাহাম, জিৰাং, পাথাৰখামাত প্ৰৱেশ কৰে। তাত নিৰ্দিষ্ট স্থানত গৰুসমূহ নমাই দি বাহনসমূহ পুনৰ উভতি আহে। প্ৰাপ্ত অভিযোগ মতে, বাহনৰে গৰুবোৰ আনি বৰদুৱাৰ বাগান, সৰপাৰা, কুলশী আদি বিভিন্ন স্থানত দুদিনমান ৰাখি থোৱা হয়। ইফালে শৰাইঘাট দলঙৰে জালুকবাৰী, আজাৰা, ৰাণী হৈ মেঘালয়লৈ গৰু সৰবৰাহ হৈ থকাৰ দৰে গুৰুত্বপূৰ্ণ আৰু অতি স্পৰ্শকাতৰ বিষয়টোত গুৱাহাটী মহানগৰ আৰক্ষীৰ নৱনিযুক্ত আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তই কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব। যাৰ বাবে সচেতন লোকসকলে নৱনিযুক্ত আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তক গুৱাহাটীৰ মাজেৰে জালুকবাৰী, আজাৰা-ৰাণী হৈ মেঘালয়লৈ ট্ৰাকত কৌশলৰে গৰু সৰবৰাহ কৰা বিষয়টোত বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। ইফালে, কামৰূপ জিলাৰ ছয়গাঁও আৰু পলাশবাৰী থানাৰ লগতে বিজয়নগৰ আৰক্ষী চকীয়ে দেখুওৱা ৰহস্যজনক ভূমিকাই ৰাইজৰ মাজতো সন্দেহৰ সৃষ্টি কৰিছে। উল্লেখ্য যে বৃহত্তৰ অঞ্চলটোত এই পৰ্যন্ত আৰক্ষীৰ কোনো পহৰা ব্যৱস্থা নাই। যাৰবাবে বৃহত্তৰ অঞ্চলটোৰ ৰাইজে মধ্যৱৰ্তী আৰু সকলো ফালৰ পৰা যোগাযোগৰ সুচল স্থান হিচাপে পৰিচিত মাটাইখাৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ বা মাটিফুটা সত্ৰৰ সমীপত আৰক্ষী চকী বা পহৰা চকী স্থাপন কৰিবলৈ অসম চৰকাৰক দাবী জনাইছে।

# তালাপত হত্যাকাণ্ড, পুত্ৰৰ দাৰ ঘাপত নিহত পিতৃ

**ই-সংবাদ, ডুমডুমা, ৮ জানুৱাৰীঃ** তালাপ আৰক্ষী চকীৰ অন্তৰ্গত কমাৰ গাঁৱত আজি পুৱাৰ ভাগত সংঘটিত হয় এক অতি লোমহৰ্ষক তথা নৃশংস হত্যাকাণ্ড। ঘটনাৰ বিৱৰণী অনুসৰি, তালাপৰ সমীপৰ কমাৰ গাঁৱ (টেঙাগাঁও)ত আজি পুৱা প্ৰায় ৮-৩০ বজাত সামান্য কথাতে সন্তোষ মূড়া ( ২৫) নামৰ যুৱকজনে পিতৃ গনপাইত মূড়া (৬০)ক কোৰ, দা, জবকা আদিৰে ঘৰৰ চোতালতে হত্যা কৰে। পিতৃহন্তা সন্তোষৰ ৰুদ্ৰমূৰ্ত্তিত আতংকিত হৈ স্থানীয় ৰাইজে শংকাবোধ কৰিতালাপ আৰক্ষীক খবৰ দিয়াত তালাপ আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হোৱাত ঘটনা সংঘটিত কৰিয়েই পলায়নৰ চেষ্টা কৰা সন্তোষ মূড়াক ৰাইজৰ সহযোগত কমাৰ গাঁৱৰ পৰা প্ৰায় ৫ কিলোমিটাৰ নিলগৰ ডাঙৰী চাহ বাগিচাৰ ফেক্টৰীৰ কাষৰ পৰা তালাপ আৰক্ষীয়ে কৰায়ত্ত কৰিবলৈ সক্ষম হয়। পাছত, ঘটনাস্থলীত দণ্ডাধীশৰ উপস্থিতিত গণপাইত মূড়াৰ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰাৰ বিপৰীতে হত্যাকাৰী পুত্ৰ সন্তোষ মূড়াক জেল হাজোতলৈ প্ৰেৰণৰ ব্যৱস্থা কৰে। উল্লেখ্য যে, গাঁওবাসীৰ পৰা জানিব পৰা মতে পিতৃ হত্যাকাৰী সন্তোষে প্ৰায় এপসপ্তাহ পূৰ্বৰ পৰা অস্বাভাৱিক আচৰণ কৰি কিছু অদ্ভুত কাম-কাজত লিপ্ত হৈ পৰিছিল। আজি সন্তোষে পিতৃক হত্যা কৰা ঘটনা উক্ত অস্বাভাৱিক কাৰ্যকলাপৰ ফল বুলি গাঁওবাসীয়ে কব খোজে। আনহাতে, হত্যাকাৰী সন্তোষক উচিত শাস্তিৰো দাবী তুলিছে ৰাইজে।

# বিশিষ্ট শিক্ষক সমাজকৰ্মী, লক্ষ্মীনাথ চাংমাইৰ মৃত্যু

**ই-সংবাদ, শিৱসাগৰ, ৮ জানুৱাৰীঃ** শিৱসাগৰ বেতবাৰী বোকাবিল নিবাসী বিশিষ্ট সমাজকৰ্মী, বেতবাৰী ছোৱালী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক লক্ষ্মীনাথ চাংমাইৰ মঙলবাৰে নিশা দেহাৱসান ঘটে। ৮৬ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰা লক্ষ্মীনাথ চাংমাই বহু দিন ধৰি অসুস্থ হৈ আছিল। ডিব্ৰুগড়ৰ চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা অৱস্থাতে মৃত্যু হয় লক্ষ্মীনাথ চাংমাইৰ। বিনা বেতনেও বহু বছৰ শিক্ষকতা কৰা লক্ষ্মীনাথ চাংমাইয়ে নাৰী শিক্ষাৰ ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল। জীৱনকালত বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত থাকি ৰাইজৰ হকে কাম কৰিছিল। জিলা কৃতী শিক্ষকৰ বঁটাৰে সন্মানিত হোৱা লক্ষী চাংমাই জীৱনৰ অন্তিম সময়লৈকে বেতবাৰী প্ৰগতি শিল্পী সংঘৰ সভাপতিৰ দায়িত্বত আছিল। তেওঁ মৃত্যুত দুখ প্ৰকাশ কৰিছে শিক্ষক, সমাজকৰ্মী অশোক কটকীয়ে। সমাজকৰ্মী তথা অসম জাতীয় পৰিষদৰ ৰঞ্জন কোঁৱৰে শোক প্ৰকাশ কৰি কয় যে বেতবাৰীৰ অন্যতম মহীৰূহ আছিল লক্ষ্মীনাথ চাংমাই। অঞ্চলটোৰ উত্তৰণৰ বাবে বহুত কৰিছিল তেওঁ। পকেটৰ ধনেৰে বহু গঢ়িছিল। গঢ়িছিল নাৰী শিক্ষাৰ উত্তৰণৰ বাবে পঢ়াশালি। বছৰ বছৰ ধৰি বিনা বেতনে শিক্ষাদান কৰিছিল। অঞ্চলটোৰ বহু সামাজিক অনুষ্ঠানৰ নেতৃত্বত থকা চাংমাই ছাৰ মানেই সততাৰ নাম। চাংমাই ছাৰ মানেই সৰলতা, চাংমাই ছাৰ মানেই সাহস, চাংমাই ছাৰ মানেই আস্থা আৰু নিষ্ঠা। তেওঁৰ মৃত্যুত বেতবাৰী মধ্য ইংৰাজী বিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী, বেতবাৰী প্ৰগতি শিল্পী সংঘ, বেতবাৰী শাখা সাহিত্য সভা, বিজেপিৰ খেলুৱা মণ্ডলৰ সভাপতি, যুৱ নেতা নৱ কুমাৰ বৰুৱাসহ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে তেওঁৰ বিদেহ আত্মাৰ চিৰ শান্তি কামনা কৰিছে।

# তামুলপুৰ পথ সুৰক্ষা সন্দৰ্ভত সভা

**ই-সংবাদ, তামুলপুৰ, ৮ জানুৱাৰীঃ** তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগত কালি তামুলপুৰ মহকুমা গাঁও ৰক্ষী বাহিনীৰ সভাগৃহত দুৰ্যোগ প্ৰশমন বিভাগে এখন পথ সুৰক্ষা সজাগতা সভাৰ আয়োজন কৰা হয়। দুৰ্যোগ প্ৰশমন বিভাগৰ জিলা পৰিচালক চন্দা সিঙে আঁত ধৰা সজাগতা সভাত জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তী অগ্নিনিৰ্বাপক বাহিনীৰ তামুলপুৰ কেন্দ্ৰৰ বিষয়া তামুলপুৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া গাঁওৰক্ষী বাহিনীৰ চক্ৰ পৰিদৰ্শক দিলীপ দাস প্ৰমুখ্যে গাঁওৰক্ষী বাহিনীৰ সদস্য সদস্যা, শিক্ষক, সাংবাদিকসকল উপস্থিত থাকে। সভাত জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে জিলাখনত পথ সুৰক্ষাৰ এলানি সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰাৰ কথা অৱগত কৰে। তেওঁ কয় যে দুৰ্যোগ আহিলে আমি সকলোৰে দুখোজ পিছুৱাই যাব লগা হয়। সেই কাৰণে প্ৰকৃতিক আমি শ্ৰদ্ধা কৰিবলৈ শিকিব লাগে। প্ৰকৃতিৰ ওপৰত ৰুষ্ট হ'লে বিপদ আহে। ৰাসয়নিক সাৰে বিপদ মাতিব পাৰে বুলি কৈ তেওঁ চৰকাৰে অনুজ্ঞাপত্ৰ থকা সাৰহে খেতিপথাৰত প্ৰয়োগ কৰিবলৈ আহ্বান জনায়। জিলাখনৰ বনাঞ্চলসমূহত প্লাষ্টিকৰ ব্যৱহাৰ বন্ধ তথা শব্দ প্ৰদুষণ নিয়ন্ত্ৰণ কৰা হৈছে বুলি কয়। তামুলপুৰৰ এটি স্বেচ্ছাসেৱী অনুষ্ঠানে অনুপ কুমাৰ নাথৰ পৰিচালনাত সুৰক্ষা শীৰ্ষক এখন বাটৰ নাট পৰিৱেশন কৰে।

# ইউপিপিএলত যোগদান শতাধিকৰ



**ই-সংবাদ, তামুলপুৰ, ৮ জানুৱাৰীঃ** তামুলপুৰ জিলাৰ অন্তৰ্গত সৌৰাগুৰিস্থিত বিটিআৰ প্ৰধান তথা ইউপিপিএল দলৰ সভাপতি প্ৰমোদ বড়োৰ বাসগৃহত কালি সন্ধিয়া এক যোগদান কাৰ্যসূচী অনুষ্ঠিত হৈ যায়। যুৱ ইউপিপিএল নেতা অজয় বড়োৱে আঁত ধৰা অনুষ্ঠানটোত শতাধিক নেতা-কৰ্মীয়ে ইউপিপিএল দলত যোগদান কৰে। এই যোগদান কাৰ্যসূচীত উপস্থিত থাকি বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে সকলোকে দললৈ উষ্ম আদৰণি জনায়। নিজৰ ভাষণত প্ৰমোদ বড়োৱে কয় যে যোৱা দুবছৰ ধৰি বিভিন্ন দল-সংগঠনৰ লগতে বহু অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীয়ে সুশাসন তথা ইউপিপিএল দলৰ নীতি-আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ দলত যোগদান কৰি আহিছে। সকলো জাতি-জনগোষ্ঠীক একত্ৰিত কৰি একেলগে আগুৱাই সৰ্বাংগীন বিকাশৰ বাবে ইউপিপিএল দলে কাম কৰি আছে বুলি উল্লেখ কৰি আগন্তুক মাৰ্চ মাহৰ ভিতৰত বিটিআৰৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ সমস্যা সমাধান কৰা হ'ব বুলি তেওঁ সদৰি কৰে। বিটিআৰ প্ৰধান তথা ইউপিপিএল দলৰ সভাপতি প্ৰমোদ বড়োৱে লগতে যিবোৰ সমস্যা পৰিষদে সমাধান কৰিব নোৱাৰে সেইবোৰ ৰাজ্য আৰু কেন্দ্ৰ চৰকাৰক অৱগত কৰি সমাধান কৰা হ'ব ভাষণত উল্লেখ কৰে। উক্ত সভাখনত তামুলপুৰ জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি সন্তোষ পাটোৱাৰীসহ কেইবাটাও ছাত্ৰ সংগঠন আৰু বিভিন্ন দলৰ পৰা অহা শতাধিক লোকে ইউপিপিএল দলত যোগদান কৰে। উক্ত যোগদান সভাখনত বিটিআৰৰ শিক্ষাবিভাগৰ ইএম উইলচন হাচদাসহ তামুলপুৰৰ কেইবাগৰাকীও ইউপিপিএল দলৰ নেতা কৰ্মী উপস্থিত থাকে।

# মিছাজানত গৰাকীবিহীন গো-ধন উদ্ধাৰক লৈ চাঞ্চল্য

**ই-সংবাদ, গেলেকী, ৮ জানুৱাৰীঃ** শিৱসাগৰ জিলাৰ নামতি থানাৰ অন্তৰ্গত মিছাজান নামদংগীয়া গাঁৱত গৰাকীবিহীন দুটাকৈ গৰু উদ্ধাৰক লৈ চাঞ্চল্যৰ সৃষ্টি হৈছে। এখন বাগানৰ মাজত বান্ধি থোৱা অৱস্থাত বগা আৰু ক'লা ৰঙৰ দুটা গৰু পুৱাই প্ৰত্যক্ষ কৰে স্থানীয় ৰাইজে। কোনো চুৰি চক্ৰই চোৰ কৰি আনি বান্ধি থৈ যোৱাৰ সন্দেহ কৰিছে স্থানীয় ৰাইজে। উল্লেখ্য যে বৃহত্তৰ গেলেকী অঞ্চলৰ লগতে জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰায় দৈনিক চুৰি হব ধৰিছে গো-ধন। বিগত সময়ছোৱাত এই



ঠাইৰ মাজেৰে এটা ম'হ চুৰি চক্ৰই চুৰি কৰি সৰবৰাহ কৰিছিল। এই ঘটনা মাৰ নৌযাওঁতেই আজি পুৱাই স্থানীয় ৰাইজে এখন বাগানত দুটাকৈ গৰু প্ৰত্যক্ষ কৰে। তেতিয়া ততাতৈয়াকৈ গাঁওৰক্ষী বাহিনীৰ সহযোগত নামতি আৰক্ষীক খবৰ দিয়ে ৰাইজে। পৰৱৰ্তী সময়ত নামতি আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ জব্দ কৰে গৰু দুটা। বাতৰি যুগুত কৰালৈকে গৰাকী ওলোৱা নাই উক্ত গৰুকেইটাৰ। এই গৰু চুৰি চক্ৰই বৰ্তমান সমগ্ৰ জিলাখনতে সন্ত্ৰাসৰ সৃষ্টি কৰিছে যদিও সম্পূৰ্ণৰূপে চুৰি চক্ৰটো উৎখাত কৰিব পৰা নাই পুলিচ প্ৰশাসনে। এই ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। চুৰি চক্ৰৰ বিৰুদ্ধে প্ৰশাসনক ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে ৰাইজে।

## আৰক্ষী প্ৰশাসন, ভি ডি পি, আদৰণি সমিতিৰে আলোচনা

# শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট অধিৱেশন

**ই-সংবাদ, পশ্চিম যোৰহাট, ৮ জানুৱাৰীঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশন যোৰহাটৰ পশ্চিম দিশৰ ৰাষ্ট্ৰীয় পথৰ কাষৰ ম'হবন্ধা এৰালতলি পথাৰ 'বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া সমন্বয় ক্ষেত্ৰ'ত ৬-৯ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। মূল সমিতিৰ অধীনত আদৰণি সমিতিৰ লগতে ৩৭ খন উপ-সমিতিয়ে অধিৱেশনখন সফল কৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলাইছে। যোৰহাট জিলাৰ উপৰি কাষৰীয়া গোলাঘাট, শিৱসাগৰ জিলাৰ সংঘৰ সংগীসকলে অধিৱেশন স্থলী চাফ-চিকুণ কৰি থকাৰ লগতে অধিৱেশন স্থলীলৈ যাতায়াত কৰিবলগীয়া পথকেইটা পি ডব্লিউ ডি বিভাগে নিৰ্মাণ কৰিছে। বিশ ফুট বহল, ডেৰশ ফুট দীঘল, বিশটা শিবিৰৰ লগতে মঞ্চৰ উপৰি তিনিশ ফুট দীঘল, ডেৰশ ফুট বহল সভা গৃহ নিৰ্মিত হৈছে। ইয়াত আঠ হেজাৰ লোক বহিব পৰাকৈ চকী থাকিব। প্ৰেক্ষাগৃহসহ নাটঘৰ, নামঘৰ, প্ৰতিনিধিৰ সভা মণ্ডপ, বিশেষ প্ৰতিনিধিৰ আৰু ৰন্ধনশালা পৃথককৈ নিৰ্মিত হৈছে। ৰন্ধনশালাত তিনিশ চৌকা থাকিব। ভোজনালয়ত দহ হেজাৰ লোকে একেলগে খোৱা-লোৱা কৰিব পৰাকৈ নিৰ্মিত হৈছে। প্ৰদৰ্শনী আৰু গ্ৰন্থমেলাত আঠশৰো অধিক বিপণীয়ে অংশগ্ৰহণৰ বাবে চুক্তিবদ্ধ হৈছে। দিল্লী, পুৰীৰ উপৰি ৰাজ্যখনৰ ৫৬ খন জিলাৰ প্ৰায় বিশ লাখ লোকে প্ৰতিনিধি হিচাপে অংশগ্ৰহণ কৰিব। তদুপৰি, অন্যান্যসকল লোকো অধিৱেশন স্থলীলৈ আহিব। সংঘৰ ৰাজ্যৰ দহ হেজাৰ সেৱা বাহিনীৰ লগতে যোৰহাট জিলাৰ ৫ হেজাৰ সেৱা বাহিনীৰ লোকে অতিথিক সেৱা-শুশ্ৰূষা কৰিব। যান-বাহন আৰু মানৱক শৃংখলিত কৰাৰ উদ্দেশ্যে ৭ জানুৱাৰীত অধিৱেশন স্থলীত যোৰহাট যান-বাহন, আৰক্ষী প্ৰশাসন, গাঁওৰক্ষী বাহিনী আৰু আদৰণি সমিতিৰ বিষয়ববীয়াৰে অনুষ্ঠিত হয়। আদৰণি সমিতিৰ সভাপতি ডক্টৰ নবীন বৰাৰ সভাপতিত্বত গাঁওৰক্ষী বাহিনীৰ পুলিবৰ থানাৰ সম্পাদক অৰূপ বৰাই আঁতধৰা, সভাপতি হৰেন ভূমিজে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত যোৰহাটৰ অতিৰিক্ত আয়ুক্ত ক্ষীতেশ্বৰ বণিয়া, যান-বাহনৰ ইনচাৰ্জ দীপাংকৰ গগৈ, যোৰহাট পুলিবৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দিগন্ত কুমাৰ নাথ আৰু গাঁওৰক্ষী বাহিনীৰ যোৰহাট জিলাৰ উপ-উপদেষ্টা পৱন পাঠকৰ লগতে বহুসংখ্যক ভিডিপি-ৰ আদৰণি আৰু উপ-সমিতিৰ সৈতে জড়িত বহুসংখ্যক লোকে অংশগ্ৰহণ কৰে। সভাখনত সমিতিৰ তৰফৰ পৰা যান-বাহনৰ চলাচল আৰু পাৰ্কিঙৰ সম্পৰ্কত অৱগত কৰে। যোৰহাট জিলা যান-বাহনৰ ইনচাৰ্জ দীপাংকৰ গগৈয়ে কয় যে অধিৱেশন স্থলীৰ নিচেই কাষতে আছে এ টি ৰ'ড। এই স্থানত ফ'ৰ লেন নিৰ্মাণ হোৱা নাই। টু লেন হৈ আছে। অহৰহ যান-বাহন চলাচল কৰি থাকিব। সেয়ে অধিৱেশনলৈ অহা গধুৰ যান-বাহন ৰাষ্ট্ৰীয় পথৰ দক্ষিণ পাৰে আৰু লঘু যান-বাহন অধিৱেশন স্থালীৰ পাৰে ৰখাৰ ব্যৱস্থা কৰিব লাগিব। অগ্নি নিৰ্বাপক, চিকিৎসা আৰু ক্ৰেন ৰাখিব লাগিব পৃথক স্থানত। সেয়ে উজনি আৰু নামনিৰ পৰা অহা যান-বাহন পূব আৰু পশ্চিম দিশত পৃথককৈ ৰখাৰ লগতে যান-বাহন চলাচলৰ ক্ষেত্ৰত মুখামুখি নোহোৱাকৈ চলাচল কৰিবৰ বাবে পি ডব্লিউ ডি, ডি টি অ', এ পি ডি চি এল-ৰ সৈতে আৰক্ষী আৰু যান-বাহনৰ লোক একেলগ হৈ অধিৱেশন স্থালী পৰিদৰ্শন কৰি মেপিং কৰিলেহে সুচল যাতায়াত ব্যৱস্থা হ'ব। সেই কাম এক সপ্তাহৰ ভিতৰত সম্পন্ন কৰিব লাগিব। তদুপৰি অধিৱেশন স্থলীৰ মাজতে আছে অইল পাইপ লাইন। গতিকে অইল পাইপ লাইনত খনন, নিৰ্মাণ আৰু গধুৰ যান-বাহন চলাচল কৰিব নোৱাৰিব। অতিৰিক্ত আৰক্ষী অধীক্ষক ক্ষীতেশ্বৰ বণিয়াই কয় যে অধিৱেশনৰ শোভাযাত্ৰাৰ দিনা অধিক লোকৰ সমাগম হ'ব। সেয়ে যান-বাহনৰ নিয়ন্ত্ৰণৰ বাবে সেইদিনা অধিক ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। লগত বতৰৰ কথাও জড়িত হৈ আছে। আৰক্ষীৰ লগতে দণ্ডাধীশ আৰু পি ডব্লিউ ডি বিভাগ সম্ভম হৈ থাকিব লাগিব। অধিৱেশন স্থলীলৈ যাতায়াত কৰিব পৰাকৈ সৰু যান-বাহন অথবা প্ৰয়োজনীয় যান-বাহনৰ বাবে ক্ৰমিক নম্বৰ থকা কাৰপাছত আদৰণি সমিতিৰ সভাপতিৰ চহীসহ আঁৰি ল'লেহে যাতায়াত কৰিবলৈ দিয়া হ'ব। আৰক্ষী অধিৱেশনৰ কেইদিন এলেকাটোতে কঠোৰ হৈ থাকিব। প্ৰয়োজন হ'লে দেৰগাঁও, গোলাঘাট আৰু শিৱসাগৰৰ পৰাও অধিক আৰক্ষী অধিৱেশন স্থলীলৈ অনা হ'ব। ভি ডি পি-ৰ লোকে অধিৱেশনৰ আগত আৰু অধিৱেশনৰ সামৰণিত বয়-বস্তু কঢ়িয়াই নিয়াৰ পাছলৈকে আৰক্ষীৰ সৈতে নিৰাপত্তাৰ বাবে জড়িত হৈ থাকিব লাগিব। তাৰবাবে কেৱল পুলিবৰ থানা এলেকাৰ ভি ডি পিয়েই নহয়, যোৰহাট জিলাখনৰ লগতে গোলাঘাট আৰু শিৱসাগৰ জিলাৰ ভি ডি পি-ৰ সৈতেও যোগাযোগ কৰিবলৈ আৰু পুলিবৰ থানাত এখন আলোচনা সভা পাতি পুংখানুপুংখভাৱে আলোচনাৰে পৰিকল্পনা কৰি ল'বলৈ পৰামৰ্শ আগবঢ়ায়। সভাখনত পুলিবৰ থানাৰ অ' চি দিগন্ত কুমাৰ নাথেও অধিৱেশনখন সফল ৰূপায়ণত আৰক্ষী আৰু ভি ডি পিয়ে পূৰ্ণ সহযোগিতা কৰিব বুলি কয়।

# পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উঃ মাঃ বিদ্যালয়ৰ শতবৰ্ষ উদযাপনৰ প্ৰস্তুতিৰ শুভাৰম্ভণি

**ই-সংবাদ, পুৰণিগুদাম, ৮ জানুৱাৰীঃ** নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত পুৰণিগুদামৰ শিক্ষানুষ্ঠান পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৯৫ সংখ্যক জয়ন্তী আৰু শতবৰ্ষ উদযাপনৰ প্ৰস্তুতিৰ শুভাৰম্ভণি অনুষ্ঠানটি অহা ১১ আৰু ১২ জানুৱাৰীত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰাৰ ব্যাপক প্ৰস্তুতি চলিছে। কাৰ্যসূচী অনুসৰি ১১ জানুৱাৰীত পুৱা ৯ বজাত পঞ্চানবৈজন বিশিষ্ট ব্যক্তিৰ দ্বাৰা ৯৫ খন পতাকা উত্তোলন কৰা হ'ব। পুৱা দহ বজাত প্ৰয়াত শিক্ষক-শিক্ষয়িত্ৰী, প্ৰয়াত ভূমিদাতা আৰু প্ৰয়াত শিক্ষাৰ্থীসকলৰ সোঁৱৰণত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হ'ব। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ মুখ্য তৰ্পক প্ৰাক্তন শিক্ষক চন্দ্ৰকান্ত বৰা। পুৱা এঘাৰ বজাত অনুষ্ঠিত হ'ব প্ৰাক্তন আৰু বৰ্তমান শিক্ষক-শিক্ষয়িত্ৰীসকলক লৈ গুৰু প্ৰণাম অনুষ্ঠান। উক্ত অনুষ্ঠানটো সঞ্চালনা কৰিব প্ৰাক্তন শিক্ষক যজ্ঞেশ্বৰ শৰ্মাই। পুৱা ১১.৩০ বজাত অৱসৰপ্ৰাপ্ত আৰু কৰ্মৰত শিক্ষক-শিক্ষয়িত্ৰী সমন্বিতে শিক্ষাৰ্থীসকলৰ অন্তৰংগ আলাপ অনুষ্ঠানটো সঞ্চালনা কৰিব প্ৰাক্তন ছাত্ৰ তথা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক পুলিন হাজৰিকাই। সন্ধ্যা ৪.৩০ বজাত ৯৫ গছি বন্তি প্ৰজ্বলন কৰিব অৱসৰপ্ৰাপ্ত শিক্ষক দীপক বৰঠাকুৰ আৰু অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰণৱ কুমাৰ বৰঠাকুৰে। সন্ধ্যা ৫ বজাৰ পৰা নিশা ৮ বজালৈ অনুষ্ঠিত হ'ব সাংস্কৃতিক অনুষ্ঠান। সাংস্কৃতিক অনুষ্ঠানটো শুভ উদ্বোধন কৰিব প্ৰাক্তন বিষয় শিক্ষক তথা লাইআটি সত্ৰৰ সত্ৰাধিকাৰ যুগল চন্দ্ৰ দেৱগোস্বামীয়ে। ১২ জানুৱাৰীত পুৱা ৯ বজাত সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি জীৱন চন্দ্ৰ বৰাই। দুপৰীয়া এক বজাত অনুষ্ঠিত হ'ব মুকলি সভা। মুকলি সভাত সভাপতিত্ব কৰিব উদযাপন সমিতিৰ সভাপতি ফণীন্দ্ৰ নাথ গায়নে। সভাত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব নগাঁও জিলা সংমণ্ডলৰ বিদ্যালয় পৰিদৰ্শক মৃদুল কুমাৰ নাথে। মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসম চৰকাৰ ৰাজহ, বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য মৃদুল কুমাৰ হাজৰিকা, প্ৰাক্তন মন্ত্ৰী তথা প্ৰাক্তন ছাত্ৰ আৰু অৱসৰপ্ৰাপ্ত প্ৰৱক্তা গিৰীন্দ্ৰ কুমাৰ বৰুৱা, অধ্যাপক তথা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত পঞ্জীয়ক ড০ প্ৰাণজিৎ বৰা, বিশিষ্ট চিকিৎসক তথা কথাশিল্পী ডাঃ অঞ্জনজ্যোতি চৌধুৰী। মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী, নগাঁও সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, চামগুৰিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মা।

# কলকাতাত অসমৰ কাৰাটে খেলুৱৈয়ে কঢ়িয়ালে সুনাম

**ই-সংবাদ, মিৰ্জা, ৮ জানুৱাৰীঃ** পশ্চিমবংগৰ কলকাতাৰ ঘুচৰিত অনুষ্ঠিত হৈ যোৱা তৃতীয় সংখ্যক খেলো ইণ্ডিয়া খেলো অপেন আন্তঃৰাষ্ট্ৰীয় কাৰাটে প্ৰতিযোগিতাত সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে অসমৰ কাৰাটে খেলুৱৈসকলে। যোৱা ৪ আৰু ৫ জানুৱাৰীত পশ্চিমবংগৰ কলিকতাৰ ঘুচৰিত অনুষ্ঠিত হৈ যোৱা তৃতীয় সংখ্যক খেলো ইণ্ডিয়া খেলো আন্তঃৰাষ্ট্ৰীয় অপেন কাৰাটে প্ৰতিযোগিতাত অসমৰ প্ৰশিক্ষক কৃষ্ণ ফুকনৰ নেতৃত্বত লেংডন স্কুল অফ কাৰাটেৰ প্ৰশিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰি কাটা আৰু কুমিটেত ক্ৰমান্বয়ে ৫ টা সোণ, ৪টা ৰূপ আৰু ৯ টা ব্ৰঞ্জ পদকৰে অসমলৈ সুনাম কঢ়িয়াই আনে। ছিটোৰিঅ কাৰাটে ফেডাৰেচনৰ দ্বাৰা আয়োজিত খেলত অসমৰ হৈ প্ৰতিনিধিত্ব কৰা বিজয়ী খেলুৱৈসকল হৈছে ক্ৰমে- হেনিট ফাংচো, অৰূপল ৰাজবংশী, বৈভৱ বৰ্ণিল বৰা, ভায়োলিনা দেৱী, পূৰৱী ভট্টাচাৰ্য, নৱনীতা ডেকা, নেনচি টেৰংপি, দেবাংগন ঠাকুৰীয়া, কৌশিক দাস, অৰ্ণৱ ৰয়, অমনদ্বীপ আৰু হিমাংশু কাকতি।

## ৰঙিয়াত অসম ভিত্তিত প্ৰাইজমাণি ক্ৰিকেট টুৰ্ণামেণ্ট

**ই-সংবাদ, ৰঙিয়া, ৮ জানুৱাৰীঃ** ৰঙিয়াৰ গোগামালাছা ইয়ুথ ক্লাবৰ সৌজন্যত সদৌ অসম ভিত্তিত দ্বিতীয় বাৰ্ষিক প্ৰাইজমানি ক্ৰিকেট প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অহা ২৭ জানুৱাৰীৰ পৰা দুদিনীয়াকৈ আয়োজন কৰা ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথম আৰু দ্বিতীয় পুৰস্কাৰ হিচাপে ট্ৰফীসহ ৩০ হাজাৰ আৰু ১৫ হাজাৰ নগদ ধন আগবঢ়োৱা হ'ব। অংশগ্ৰহণৰ বাবে আগ্ৰহী দলসমূহক ৭০৯৯৯৫৪০৭৩ ফোন নম্বৰযোগে যোগাযোগ কৰাৰ বাবে আহ্বান জনাইছে উদ্যোক্তা সমিতিয়ে।




নিউজিলেণ্ডৰ বিৰুদ্ধে দ্বিতীয় এদিনীয়াত হেট্ৰিকৰ পিছত উল্লাস শ্ৰীলংকাৰ মহীশ তীক্ষনাৰ



শ্ৰীলংকাৰ বিৰুদ্ধে হেমিলটনত অনুষ্ঠিত দ্বিতীয় এদিনীয়াত নিউজিলেণ্ডৰ ৰশ্বিন ৰবীন্দ্ৰৰ ডিফেন্স শ্বট

**খেল পাতিম বুলি দম্ভালি মাৰি লজ্জানত হোৱাৰ পথত পাকিস্তান**

# চেম্পিয়নছ ট্ৰফীৰ বাবে নাই ষ্টেডিয়ামৰ আন্তঃগাঁথনি

**কৰাচী, ৮ জানুৱাৰীঃ** গছত কঠাল, ওঁঠত তেল- এই মুহূৰ্তত এনে হৈ পৰিছে পাকিস্তানৰ অৱস্থা। সুদীৰ্ঘ ২৮ বছৰৰ পিছত পাকিস্তানে সুযোগ লাভ কৰিছে নিজ মাটিত কোনো আইচিচি টুৰ্ণামেণ্ট কৰাৰ। অহা ১৯ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হ'ব আইচিচি চেম্পিয়নছ ট্ৰফী। পাকিস্তানক এই প্ৰতিযোগিতা আয়োজৰ দায়িত্ব অৰ্পণ কৰা হৈছিল যদিও শেষ মুহূৰ্তত এতিয়া যেন দেশখনৰ ক্ৰিকেট ব'ৰ্ডৰ বাবে অসম্ভৱ হৈ পৰিছে দেশখনৰ ভিতৰত চেম্পিয়নছ ট্ৰফী অনুষ্ঠিত কৰাটো। খবৰ অনুসৰি, পাকিস্তানত চেম্পিয়নছ ট্ৰফী আয়োজন কৰিবলৈ প্ৰয়োজনীয় আন্তঃগাঁথনি এতিয়াও গঢ়ি তোলা হোৱা নাই। পাকিস্তানৰ তিনিখন ডাঙৰ চহৰৰ ষ্টেডিয়ামৰ অৱস্থা একেবাৰে সন্তোষজনক নহয়। লাহোৰ, কৰাচী আৰু ৰাৱালপিণ্ডিৰ ষ্টেডিয়ামসমূহৰ ভিতৰত গাদ্দাফি ষ্টেডিয়ামৰ প্লাষ্টাৰৰ কামো সম্পূৰ্ণ হোৱা নাই আৰু নেশ্যনেল বেংক ষ্টেডিয়াম এতিয়াও সাজু হোৱা নাই। আউটফিল্ডৰ অৱস্থা আৰু অন্যান্য সুবিধাবোৰো ইমান নিখুঁত নহয়। এনে পৰিস্থিতিত ষ্টেডিয়ামৰ আন্তঃগাঁথনি আৰু প্ৰস্তুতিৰ অভাৱত চিন্তিত হৈ পৰিছে আই চি চি। অহা সপ্তাহত আইচিচিয়ে ক্ষেত্ৰভিত্তিক কামৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিব। যদি কাম সন্তোষজনক নহয় তেন্তে সমগ্ৰ প্ৰতিযোগিতাখন সংযুক্ত আৰব আমিৰশ্বাহীলৈ স্থানান্তৰিত হ'ব পাৰে, যাৰ ফলত পাকিস্তান ক্ৰিকেট ব'ৰ্ডৰ বাবে বৃহৎ আৰ্থিক ক্ষতি হ'ব পাৰে। চেম্পিয়নছ ট্ৰফীৰ মেচ ডুবাইত অনুষ্ঠিত কৰিবলৈ ভাৰতে উত্থাপন কৰা দাবীৰ সময়ত নিজৰ দেশতে এই প্ৰতিযোগিতা আয়োজন কৰিব পাৰিব বুলি দম্ভালি মাৰিছিল পাকিস্তানে। কিন্তু এই মুহূৰ্তত এক কঠিন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে পাকিস্তান ক্ৰিকেট ব'ৰ্ড। যদি নিৰ্দিষ্ট সময়ৰ ভিতৰত প্ৰতিশ্ৰুতি পূৰণ কৰিব নোৱাৰে, তেন্তে ইয়ে সমগ্ৰ পাকিস্তানৰ বাবে লজ্জাজনক পৰিস্থিতিৰ সৃষ্টি কৰিব বুলিও বিভিন্ন মহলত আলোচনা চলিছে।

# খো খো বিশ্বকাপলৈ নাহে পাকিস্তান

**নতুন দিল্লী, ৮ জানুৱাৰীঃ** ভাৰত-পাকিস্তানৰ সম্পৰ্কৰ ৰাজনৈতিক প্ৰভাৱ এইবাৰ পৰিলক্ষিত হ'ল খো খো প্ৰাঙ্গণত। ভাৰতৰ ৰাজধানী নতুন দিল্লীত চলিত মাহত অনুষ্ঠিত হ'বলগীয়া খো খো বিশ্বকাপত অংশগ্ৰহণ নকৰাৰ সিদ্ধান্ত লৈছে পাকিস্তানে। জানিব পৰা মতে পাকিস্তানৰ দলৰ ভিছাৰ সমস্যাৰ বাবে ভাৰতলৈ আহি খেল আৰম্ভ কৰিব নোৱাৰিব। প্ৰথমবাৰৰ বাবে ভাৰতে আয়োজন কৰা খো খো বিশ্বকাপ ১৩ জানুৱাৰীৰ পৰা ১৯ জানুৱাৰীলৈ অনুষ্ঠিত হ'ব। এই বিশ্বকাপত পাকিস্তানে অংশগ্ৰহণ কৰিবলৈ প্ৰস্তুতি চলাইছিল যদিও ভিছাৰ অনুমতিৰ অভাৱত ভাৰতলৈ আহিব পৰা নাই। ১৩ জানুৱাৰীত খো খো বিশ্বকাপত ভাৰত-পাকিস্তানৰ খেলখন অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও সেই খেলখনত পাকিস্তান দলৰ অনুপস্থিতি নিশ্চিত হৈছে।এই পৰিস্থিতিত ভাৰত-পাকিস্তান ক্ৰিকেট সম্পৰ্কত উত্তেজনা তীব্ৰতৰ হৈ পৰিছে। হাইব্ৰিড মডেলত চেম্পিয়নছ ট্ৰফী আয়োজন কৰাৰ সন্দৰ্ভত বিচিচিআই আৰু পিচিবিৰ মাজত হোৱা আলোচনাৰ পৰিপ্ৰেক্ষিতত খো খো বিশ্বকাপতো একেধৰণৰ ৰাজনৈতিক প্ৰভাৱ দেখা গৈছে। মন কৰিবলগীয়া যে, ভাৰত-পাকিস্তানৰ কূটনৈতিক সম্পৰ্কৰ প্ৰভাৱ খেলপথাৰত প্ৰায়ে দেখা যায়। কিন্তু ২০২৩ চনত পাকিস্তানে নিজৰ হকী আৰু ক্ৰিকেট দল ভাৰতলৈ পঠোৱাৰ সময়ত অলপ বেলেগ ছবি আছিল। কিন্তু খো খো বিশ্বকাপত পাকিস্তানে অংশগ্ৰহণ নকৰাটো এটা ডাঙৰ প্ৰত্যাহ্বান হৈ পৰিছে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। মুখ্য সম্পাদকঃ ডাঃ দীনেশ বৈশ্য ।। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি